# হিষ্টৰিয়া

## ক্ষুদ্ৰ গৱেষণা সংকলন

(অবিভক্ত শিৱসাগৰ জিলাৰ ঐতিহ্য আৰু সংস্কৃতি বিষয়ত আলোকপাত)




জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, শিৱসাগৰ, সোণাৰি

মুখ্য সম্পাদক | মূৰ্চ্ছনা বৰা, প্ৰবক্তা, কলা শিক্ষা

সম্পাদকত্ৰয় | ৰুণালী গগৈ, পংখী গগৈ, পাৰ্থপ্ৰতীম দাস


Scanned with OKEN Scanner


# "হিষ্টৰিয়া"

ক্ষুদ্ৰ গৱেষণা সংকলন

(অবিভক্ত শিৱসাগৰ জিলা ঐতিহ্য আৰু সংস্কৃতি বিষয়ত আলোকপাত)

## জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান

শিৱসাগৰ, সোণাৰি





মুখ্য সম্পাদক ঃ

মূৰ্চ্ছনা বৰা



'হিষ্টৰিয়া'ৰ প্ৰকাশকাল ঃ
প্ৰথম প্ৰকাশ, ২০২৩

প্ৰকাশক ঃ
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান
শিৱসাগৰ, সোণাৰি

মুদ্ৰণ ঃ
পাহি অফ্‌ছেট প্ৰেছ
কলেজ ৰোড, মৰাণহাট, চৰাইদেউ
E-mail : pahioffsetmoran@gmail.com
Ph. No. : 9854305182

## 'হিষ্টৰিয়া'ৰ সম্পাদনা সমিতি

উপদেষ্টা মণ্ডলী ঃ
**বিমান দত্ত**
অধ্যক্ষ
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান
শিৱসাগৰ, সোণাৰি
**ঋণ্টী বৰা**
জ্যেষ্ঠ প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান
শিৱসাগৰ, সোণাৰি
**পুলক চুতীয়া**
প্ৰবক্তা, জিলা সমল গোট
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান
শিৱসাগৰ, সোণাৰি

আভ্যন্তৰীণ পৰ্যবেক্ষক ঃ
**মূৰ্চ্ছনা বৰা**
প্ৰবক্তা, কলা শিক্ষা
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান
শিৱসাগৰ, সোণাৰি

মুখ্য সম্পাদক ঃ
**মূৰ্চ্ছনা বৰা**

সম্পাদকত্ৰয় ঃ
ৰূণালী গগৈ, পংখী গগৈ, পাৰ্থ প্ৰতীম দাস
(২০২২-২৪ বৰ্ষৰ শিক্ষক-প্ৰশিক্ষাৰ্থী)
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান
শিৱসাগৰ, সোণাৰি

**GOVT OF ASSAM**
**OFFICE OF THE PRINCIPAL**
**DISTRICT INSTITUTE OF EDUCATION & TRAINING, SIVASAGAR, SONARI**
*dietsivasagarsonari@gmail.com*

DATE: 07.11.2023

## MESSAGE

It is heartening to know that the trainees of third semester, DIET, Sivasagar, Sonari, have crafted an educative magazine on the historical sites of the undivided Sivasagar district. In this regard, I would like to express my gratitude to Mrs Murssana Borah, Lecturer, of the institute for inspiring our trainees to pursue this elegant task of researching our roots.

I express my best of wishes for the grand success of **HISTORIA** and hope that it will motivate our trainees to make more of such research-like pursuits in the future.

Good luck to everyone engaged in the task!

Long live DIET Sivasagar, Sonari!

Biman Ch. Dutta

**(Biman Ch. Dutta)**
Principal
DIET, Sivasagar, Sonari



Scanned with OKEN Scanner

GOVT OF ASSAM
DISTRICT INSTITUTE OF EDUCATION & TRAINING, SIVASAGAR, SONARI
*dietsivasagarsonari@gmail.com*

## শুভেচ্ছা বাণী

অহা ইংৰাজী ১৪ নৱেম্বৰ, ২০২৩ তাৰিখে মঙ্গলবাৰে জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠান, শিৱসাগৰ সোণাৰিৰ বাকৰিত অনুষ্ঠিত কৰিব লগা সভাখনত ২০২২-২৪ বৰ্ষৰ শিক্ষক-প্ৰশিক্ষাৰ্থীসকলে কলাশিক্ষা বিভাগৰ প্ৰবক্তা মূৰ্চ্ছনা বৰাৰ তত্ত্বাৱধানত অবিভক্ত শিৱসাগৰ জিলাৰ ঐতিহ্য আৰু সংস্কৃতিৰ সমাহাৰেৰে পৰিপুষ্ট এখনি ঐতিহাসিক ক্ষুদ্ৰ গৱেষণালব্ধ প্ৰবন্ধ সংকলন **'হিষ্টৰিয়া'** প্ৰকাশৰ বাবে লোৱা পদক্ষেপক শলাগ জনাইছোঁ।

অতীতক ৰোমন্থন কৰি ভৱিষ্যত উত্তৰণৰ বাবে এই ঐতিহাসিক প্ৰবন্ধ সংকলনখনি বাটকটীয়া হ'ব বুলি বিশ্বাস কৰোঁ।

শিক্ষক-প্ৰশিক্ষাৰ্থীসকলৰ লগতে সমাজৰ বিভিন্নজনকো শৈক্ষিক তথা সাংস্কৃতিক দিশত আলোকপাত কৰিব বুলি আশা ৰাখিলো।

ধন্যবাদেৰে—

তাং ঃ ৬ নৱেম্বৰ, ২০২৩

(ঋগ্বী বৰা)
জ্যেষ্ঠ প্ৰৱক্তা
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান,
শিৱসাগৰ, সোণাৰি



Scanned with OKEN Scanner

**GOVT OF ASSAM**
**DISTRICT INSTITUTE OF EDUCATION & TRAINING, SIVASAGAR, SONARI**
***dietsivasagarsonari@gmail.com***

**পুলক চুতীয়া**
প্ৰবক্তা (জিলা সমল গোট)
এম.এ., এম.এচ.চি, বি.এড., ডি.এল.এড
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান শিৱসাগৰ, সোণাৰি

## ঃ শুভেচ্ছা জ্ঞাপন ঃ

প্ৰতিষ্ঠানৰ সহকৰ্মী শৈক্ষিক বিষয়া মূৰ্চ্ছনা বৰাৰ তত্বাৱধান আৰু সম্পাদনাত অবিভক্ত শিৱসাগৰ জিলাৰ ঐতিহাসিক কীৰ্তিচিহ্নসমূহৰ বিষয়ে গৱেষণালব্ধ প্ৰৱন্ধৰে সৈতে 'হিষ্টৰিয়া' নামৰ এটি প্ৰবন্ধ সংকলন প্ৰকাশ পাব বুলি জানিব পাৰি গৌৰৱবোধ কৰিছোঁ। তেখেতে অশেষ কষ্ট স্বীকাৰ কৰি প্ৰতিষ্ঠানৰ প্ৰাথমিক শিক্ষাৰ ডিপ্লমা পাঠ্যক্ৰমৰ প্ৰশিক্ষাৰ্থীসকলক লগত লৈ অবিভক্ত শিৱসাগৰ জিলাৰ কীৰ্তিচিহ্নসমূহত ক্ষেত্ৰ অধ্যয়ণৰ যোগেদি ক্ষুদ্ৰ গৱেষণালব্ধ অভিজ্ঞতা প্ৰদানৰ লগতে পৰৱৰ্তী সময়ত প্ৰৱন্ধ আকাৰে লেখা প্ৰস্তুত কৰোৱায়। 'হিষ্টৰিয়া' এই গৱেষণালব্ধ লেখাসমূহৰে এক ফচল। প্ৰতিষ্ঠানৰ বাবেই এক অমূল্য সম্পদ হৈ ৰ'ব লগতে শৈক্ষিক ভঁৰালত এই গ্ৰন্থখনিয়ে চহকী মাত্ৰা প্ৰদান কৰিব বুলি আশা কৰিছোঁ। 'হিষ্টৰিয়া' প্ৰকাশৰ অন্তৰালত থকা প্ৰতিগৰাকী ব্যক্তিলৈ শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

পুলক ০৫/১১/২০২৫

(পুলক চুতীয়া)



Scanned with OKEN Scanner

**GOVT OF ASSAM**
**DISTRICT INSTITUTE OF EDUCATION & TRAINING, SIVASAGAR, SONARI**
*dietsivasagarsonari@gmail.com*

## প্ৰাক্কথন

এই শিৱসাগৰত, মহামহীয়সী জয়মতীয়ে য'ত, আত্মশক্তিৰে এক শক্তিশালী ৰাষ্ট্ৰশক্তিৰ অন্যায়- দুৰ্নীতি ব্যৰ্থ কৰি, পৃথিৱীৰ বুৰঞ্জীত এক অভূতপূৰ্ব দুষ্কৃতি প্ৰতিৰোধৰ মহান চানেকি জিলিকাই থৈ গ'ল, এই অবিভক্ত শিৱসাগৰ, যিখনি চহৰে আজিও অসমৰ ঐতিহ্য আৰু সংস্কৃতিৰ গৌৰৱ কোলাত লৈ জিলিকি আছে এই কিছু লুপ্তপ্ৰায় সম্পদ সমূহক গুৰুত্ব প্ৰদান কৰি ক্ষুদ্ৰ গৱেষণাৰ মাধ্যমেৰে উদ্ধাৰৰ প্ৰয়াস কৰা হৈছে। কিছু সম্পদ অনাদৰ আৰু অৱহেলাৰ বাবে বৰ্তমান ই লুপ্ত হোৱাৰ পথত আগবাঢ়ি গৈছে। স্বাভাৱিকতেই এই সম্পদ সমূহ বিৱৰ্তনৰ মাজেৰে আহি আজিৰ অৱস্থা পাইছেহি। ইতিহাস বুৰঞ্জীৰ পাতৰ পৰা আমি আতৰি অহা নাই। কিছু তথ্য গাঁৱবোৰত থকা বিশ্বাসী অভিজ্ঞতা ব্যক্তিৰ পৰা সমল সংগ্ৰহ কৰা হৈছে।

জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান শিৱসাগৰ সোণাৰিৰ ২০২২-২৪ বৰ্ষৰ প্ৰাথমিক শিক্ষাৰ শিক্ষক-প্ৰশিক্ষাৰ্থীসকলে আমাৰ তত্বাৱধানত অবিভক্ত শিৱসাগৰ জিলাৰ ঐতিহ্য, সংস্কৃতিৰ ওপৰত ন-পুৰণি সমল সমূহ জাৰি-জোঁকাৰি, বিশ্লেষণ কৰি, সত্যাসত্য নিৰূপণ কৰি পদ্ধতিগত চিন্তা-চৰ্চাৰে তেওঁলোকে সমল সংগ্ৰহ কৰি আগবঢ়াই দিছে এখনি ক্ষুদ্ৰ গৱেষণালব্ধ সংকলন—'হিষ্টৰিয়া'।

'হিষ্টৰিয়া' ই আমাৰ সকলোৰে মাজত অনুসন্ধিৎসু ভাৱৰ বীঁজ সিঁচি দিয়ক।

**(মূৰ্চ্ছনা বৰা)**
প্ৰৱক্তা, কলাশিক্ষা
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান
শিৱসাগৰ, সোণাৰি
০৯ নৱেম্বৰ, ২০২৩



Scanned with OKEN Scanner

## সূচীপত্ৰ


- মেজিক ৰিয়েলিজম আৰু অসমৰ ভাওনা /৮
  ✍ পুলক চুতীয়া
- নামঘোষা ঃ এটি সামগ্ৰিক আলোচনা /৯
  ✍ মূৰ্চ্ছনা বৰা
- "অসমৰ কলা-সংস্কৃতিৰ অন্যতম প্ৰাচীন শিল্পকলা মুখাশিল্পৰ ক্ষেত্ৰত মুখাশিল্পী শ্ৰীশ্ৰী খাটপাৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীযুত ৰেৱকান্ত মহন্তদেৱৰ অনবদ্য অৱদানৰ ওপৰত অৱলোকন" /১৩
  ✍ হিমাদ্ৰী দুৱৰী, পাৰ্থ প্ৰতীম দাস, শ্যাম গগৈ, প্ৰিয়াংকু খনিকৰ, ডিম্পী পায়েং, অলকা টায়ে
- শ্ৰীশ্ৰী ৰামখাপীঠ দেৱালয় - এক অৱলোকন/২৪
  ✍ ৰুবী দিহিঙ্গীয়া, ৰূপামণি ভৰালী, বিপাশা কোঁৱৰ, ৰিতুমণি বৰা
- গৰখীয়া দৌল ঃ এক অধ্যয়ন /২৮
  ✍ ইবতিচাম হাজৰিকা, বেবী তামুলী, তনয়া ফাৰহান, মৌচুমী গগৈ
- শ্ৰীশ্ৰী জৰাবাৰী সত্ৰ- এক বিশ্লেষণাত্মক অধ্যয়ন /৩১
  ✍ চিত্ৰালী মৌচুমী চেতিয়া, জিন্টু কলিতা, মনোৰঞ্জন শইকীয়া, যোগমায়া ফুকন, সঞ্জয় মিলি
- বৰবৰুৱা মৈদাম ঃ এক অধ্যয়ন /৩৭
  ✍ মনোৰঞ্জন কলিতা, তুলুমনি বৰুৱা, চিত্ৰলেখা টায়ে, উপাসনা গগৈ, প্ৰাৰ্থনা গগৈ
- ঘনশ্যাম দ'ল আৰু দেওৰজা মৈদাম - এক অধ্যয়নমূলক অৱলোকন /৪০
  ✍ পল্লৱী বৰুৱা, য়েছমিন বেগম, ডিম্পী গগৈ, সমীৰণ ভাগৱতী, বৰষা চুতীয়া, পাৰ্থ প্ৰতীম আৱন্ধৰা, মীনাক্ষি সন্দিকৈ, বৰষা গগৈ
- আহোম যুগত খন্দোৱা শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ কেইটামান পুখুৰী /৪৫
  ✍ পূজা শৰ্মা, ৰশ্মি কুণ্ডু, নিশিতা তালুকদাৰ, সান্তনা হাজৰিকা, ৰুণালী গগৈ, অনামিকা পল
- শিৱসাগৰ জিলাৰ জয়সাগৰত অৱস্থিত- 'ফাকুৱা দ'ল আৰু ৰংগনাথ শিৱ দ'ল- এক অধ্যয়ন /৪৮
  ✍ ৰূপম ডেকা, চানু হাজৰিকা, অনিন্দিতা দুৱৰী, শিল্পীশিখা গগৈ, জাহ্নৱী টায়ে
- চৰাইদেউ জিলাৰ লাংকুৰী দেওশাল আৰু শ-ধোৱা পুখুৰী সম্পৰ্কে এক অধ্যয়ন /৫১
  ✍ সুৰজ নেৱাৰ, নিকুমণি চেতিয়া, পূৰ্ণিমা বৰা, ৰিংকুমণি বাইলুং, ঋতুঞ্জয় নেওগ, অৰ্নিলিপ্ত বৈশ্য
- বাখৰ বেঙেনা ঃ এক অধ্যয়ন /৫৫
  ✍ অমৰজ্যোতি গগৈ, প্ৰাঞ্জল দিহিঙ্গীয়া, মণিগোপাল হাতীমুৰীয়া, জ্যোতিষা য়েন, গায়ত্ৰী পাতিৰি, শিৰোমণি খনিকৰ, জেফৰিণ নাহৰ বেগম
- শিৱসাগৰ জিলাৰ কেইটামান দ'ল আৰু পুখুৰী /৫৯
  ✍ অনিতা গায়ন, গীতাৰ্থী গগৈ, সোণমণি গগৈ, কাশ্মীৰী গগৈ
- শিৱসাগৰ অঞ্চলত সংৰক্ষিত অৱস্থাত নথকা পুৰণিকালৰ কিছু সাঁচিপাতৰ পুথি /৬৩
  ✍ কম্পী বৰুৱা, দেৱশ্ৰী শেনচোৱা, পৰিস্মৃতা ফুকন, উৰ্মিলা কোঁৱৰ, পংখী গগৈ
- অসমৰ প্ৰচলিত তাঁতশাল- এক বিশ্লেষণাত্মক অধ্যয়ন /৬৭
  ✍ সমীক্ষা নাথ, চিমি দৈমাৰী, পবিত্ৰ চুংক্ৰাং, নিকিজুমি চাৰিঙ্গীয়া, ৰিম্পী পাটমাউত


Scanned with OKEN Scanner

# মেজিক ৰিয়েলিজম আৰু অসমৰ ভাওনা

**পুলক চুতীয়া**
প্ৰবক্তা, জিলা সমল গোট, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, শিৱসাগৰ, সোণাৰি

ভাওনা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ এক অমৰ সৃষ্টি। অতীতৰ পৰা আজি পৰ্যন্ত ভাওনাৰ সমাদৰ কমা নাই বৰঞ্চ বাঢ়িহে গৈছে। নৱপ্ৰজন্মহঁতে ভাওনাক সহৃদয়তাৰে আঁকোৱালি লৈ ভাওনাৰ সৈতে জড়িত হৈ পৰিছে। কিন্তু অতীজৰ ভাওনা আৰু বৰ্তমানৰ ভাওনাৰ পৰিৱেশনৰ মাজত হোৱা পৰিৱৰ্তনে ভাওনাৰ মৌলিকত্বও হানি কৰিছে নেকি সেই প্ৰশ্নও উত্থাপন হৈছে। সময়ৰ লগে লগে হোৱাৰ পৰিৱৰ্তন সমূহৰ ভিতৰত ভাওনাৰ নাটসমূহৰ দৈৰ্ঘ্যতা চমু কৰা, ভাওনাত ব্যৱহৃত ভাষা, ৰূপ আৰু সাজ-সজ্জা আদিকে ধৰি শব্দ আৰু পোহৰৰ স্পেচিয়েল এফেক্টৰ বাবে ভাওনাৰ বিশুদ্ধতা বা মৌলিকতাৰ এক অন্যান্য ধাৰক 'যাদুকৰী বাস্তৱতা বা মেজিক ৰিয়েলিজম'ৰ ওপৰত প্ৰভাৱ পৰিছে।

যাদুকৰী বাস্তববাদ বা ৰিয়েলিজম (Magic Realism) নামৰ সাহিত্যিক তত্ত্বটোৰ এক অন্যান্য উদাহৰণেই হ'ল -অসমৰ ভাওনাসমূহ। লেটিন আমেৰিকান সাহিত্যিক জৰ্জ লুই বৰ্জেছ (Jorge Luis Borges), গেব্ৰিয়েল গাৰ্ছিয়া মাৰ্কেজ (Gabriel Garlia Marqueez), মিগুৱেল এঞ্জেল অষ্টুৰিয়াছ (Miguel Angel Austunics), ইজাৱেল এলেণ্ডে (Isabel Allande), ইংৰাজী সাহিত্যিক ছলমান ৰুশ্বাউ (Salman Rushdie), এলিছহফ্‌মেন (Allice Hoffman) আদিয়ে সাহিত্য কৰ্মৰ যোগেদি জনপ্ৰিয় কৰা এই মেজিক ৰিয়েলিজমৰ প্ৰয়োগ ভাওনাত অতীজৰে পৰা দেখা পোৱা গৈছে।

অধ্যাপক মেথিউ কাল ষ্টেচাৰে (Mathew carl Strecher) মেজিক ৰিয়েলিজমৰ ধাৰণাটো এনেদৰে ব্যাখ্যা কৰিছে- "What happens when a highly detailed realistic setting is invaded by something too strange to believe". অৰ্থাৎ বাস্তৱ প্ৰেক্ষাপটত বিশ্বাস কৰিবলৈ টান লগা কাণ্ড- কাৰখানাই হ'ল 'যাদুকৰী বাস্তৱবাদ বা মেজিক ৰিয়েলিজম'। পৌৰাণিক কাহিনীবোৰত, সাধুকথাবোৰত মেজিক ৰিয়েলিজমৰ ধাৰণা এনেদৰে প্ৰয়োগ হৈছে ধৰক। খৰিকটিয়াৰ সাধুত খৰিকটিয়াৰ কুঠাখন পানীত পৰি যোৱাত জলকুঁৱৰী পানীত আৱিৰ্ভাৱ হৈ হাতত তিনিখন কুঠাৰ লৈ কোনখন খৰিকটিয়াৰ প্ৰকৃত কুঠাৰ বুলি প্ৰশ্ন কৰা, ঔ-টেঙা এটা মানুহৰ পাছে পাছে বাগৰি গৈ থকা আৰু ৰাতি ঔ-টেঙাৰ পৰা ল'ৰা এজনৰ আৱিৰ্ভাৱ হোৱা, চিলনীৰ জীয়েকৰ সাধুত মানুহৰূপৰ জীয়েকৰ কথা-বতৰা চিলনীয়ে বুজি পোৱা, সীতা-হৰণৰ সময়ত জটায়ু পখীযে কথা কোৱা সাধুবোৰত শিয়ালে মানুহৰ দৰে কথা কোৱা এনেধৰণৰ যাদু যাদু যেন লগা কথাবোৰেই হৈছে যাদুকৰী বাস্তৱতা। এনে ঘটনাবোৰ অলৌকিক বুলি জানিও মানুহে বাস্তৱৰূপত দেখা পোৱা যেন অনুভৱ কৰে। যেনে নৃসিংহ মুৰাৰীৰ ভাওনাত ভাও লোৱা মানুহজনক চিনি পোৱাৰ পিছতো তেওঁকেই মানুহে নৰসিংহৰূপে বা অৱতাৰ বুলি ভাৱি গামোছা পাৰি সেৱা ধৰে, জয়ধ্বনি দিয়ে। গতিকে ভাওনাৰ বাস্তৱতা প্ৰকৃততে এই যাদু-বাস্তৱতা। ভাওনাৰ বচনৰ দৰে কোনেও সচৰাচৰ কথা নাপাতে, দুখৰ সময়ত বিলাপ নকৰো গতিকে ভাওনাত দৈনন্দিন জীৱনৰ বাস্তৱতা বিচৰাটো অৰ্থহীন কথা। ই দৈনন্দিন জীৱনৰ অৰ্থহীন কথা। ই দৈনন্দিন জীৱনৰ বাস্তৱতা নহয়। হয়তো সেয়েহে বৈজ্ঞানিক দৃষ্টিভংগীৰে উদ্বুদ্ধ মানুহকো যাদুকৰী বাস্তৱতাই আপ্লুত মোহাচ্ছন্ন কৰি ৰাখে। যাদুবাস্তৱতাক মনোৰঞ্জনৰ এক শৈলী হিচাপে উপভোগ কৰাৰ সময়ত বৈজ্ঞানিক এজনেও হয়তো তেনে পৰিৱেশত ইয়াৰ বাস্তৱতা বিচাৰ নকৰিব। কিন্তু বৰ্তমান সময়ত দেখা গৈছে একাংশই ভাওনাৰ বাস্তৱতাক প্ৰতিপন্ন কৰিবলৈ বাস্তৱসন্মত পৰিৱেশ ৰচনা কৰিবলৈ লৈছে। বাস্তৱৰূপ দিবলৈ আৰু মানুহক আগ্ৰহী কৰিবলৈ অতিমাত্ৰা শব্দ আৰু পোহৰৰ স্পেচিয়েল এফেক্ট, ৰঙা-নীলা লাইটৰ অত্যাধিক ব্যৱহাৰ কৰি চমৎকাৰ সৃষ্টি কৰে। কিন্তু একেখিনি কথাই ম'বাইল থিয়েটাৰৰক্ষেত্ৰত সুকীয়া।

গতিকে ভাওনাৰ বিশেষ বৈশিষ্ট্য মেজিক ৰিয়েলিজমক যিমানে বাস্তৱবাদলৈ পৰিণত কৰিবলৈ পৰিৱেশ ৰচনা কৰিব, সিমানে ভাওনাৰ মৌলিকত্বও বা ভাওনাৰ বিশুদ্ধতাত প্ৰভাৱ পৰিব। সময়ৰ লগত পৰিৱৰ্তনৰ খাতিৰত ভাওনাৰ ৰেহ-ৰূপ সলনি হোৱাটো স্বাভাৱিক কথা, কিন্তু ভাওনাক যিবোৰ তত্বই একক আৰু অনন্য কৰি ৰাখিছে, সেই আধাৰসমূহৰ যদি পৰিৱৰ্তন হয়, তেন্তে ভাওনাৰ সুকীয়া মৰ্য্যদাত প্ৰভাৱ পৰিব পাৰে। নৱপ্ৰজন্মৰ ইয়াৰ উচিত অনুচিত বিচাৰ কৰি ভাষা সংস্কৃতিৰ নিচানৰ ধাৰক আৰু বাহকৰ দায়িত্ব সূচাৰুৰূপে পালন কৰিব বুলি বিশ্বাস ৰাখোঁ। ❑

# নামঘোষা ঃ এটি সামগ্ৰিক আলোচনা

মূৰ্চ্ছনা বৰা
প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান
শিৱসাগৰ, সোণাৰি

**সংক্ষিপ্তসাৰ ঃ**

সমাজত প্ৰগতিশীল চিন্তাধাৰাৰে, সাহিত্য সংস্কৃতিৰ সমাৱেশেৰে ধৰ্মীয় আধ্যাত্মিক বীঁজ সিঁচিবৰ বাবে শংকৰদেৱৰ প্ৰিয় শিষ্য মাধৱদেৱে গুৰুৰ আজ্ঞা অনুসৰি অমৃতময় ভাৱনাৰ সুমধুৰ সংমিশ্ৰণ ওজাৰী ঘোষা ৰচনা কৰিছিল। ঐকান্তিক গুৰু ভক্তি আৰু গুৰু ধৰ্মৰ আদৰ্শক সমাজত শ্ৰৱণ-কীৰ্ত্তনৰ যোগে কৃষ্ণ দৰ্শন প্ৰতিষ্ঠাই নামঘোষাৰ উদ্দেশ্য।

## ০.০০ অৱতৰণিকা ঃ

### ০.০১ বিষয়ৰ পৰিচয় ঃ

জাগৰণৰ দ্বাৰা সামাজিক সংযুক্তিসমূহৰ স্থিতি-স্থাপকতা প্ৰবলভাৱে আলোকিত হয়, ক্ৰান্তিৰ দিশ অনুসৰি। ইতিহাস, ধৰ্ম, দৰ্শন আদি বিভিন্ন মতবাদৰ প্ৰধান চালক শক্তি বিপ্লৱ। স্থবিৰতা অৱনতিৰ পৰিচায়ক, পৰিৱৰ্তন প্ৰগতিৰ লক্ষ্য, অথবা সামাজিক মূল্যবোধৰ পৰিৱৰ্তন সাধন কৰি অভিনৱ মূল্যবোধ প্ৰতিষ্ঠাৰ বাবে প্ৰয়োজন বিপ্লৱৰ আৰু এই বিপ্লৱ সূচিত কৰে ক্ষণজমা অৱতাৰী পুৰুষসকলে।

পঞ্চদশ শতিকাত জন্মগ্ৰহণ কৰা শিল্পীৰোশিল্পী মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰিয় শিষ্য মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ পূৰ্ণ অভিব্যক্তি পুথিখনত প্ৰকাশ পাইছে। ধৰ্মীয়-অভিজ্ঞতা তাত্বিক জ্ঞানৰ পাণ্ডিত্য আৰু কবিত্বৰ পূৰ্ণ প্ৰকাশ, আত্মলঘিমা প্ৰকাশক "নামঘোষা"ত বৰ্ণিত হৈছে।

ড° বাণীকান্ত কাকতিয়ে নামঘোষা প্ৰসংগত লেখিছে- " নামঘোষাত তিনিটা ভাৱৰ ধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰৰ ফালে প্ৰবাহমান হৈছে- পূণ্যশ্লোক শংকৰ স্মৃতি, মাধৱদেৱৰ আত্মলঘিমা আৰু কৃষ্ণ ভক্তিৰ মাহাত্ম্য"।

নামঘোষা এনে এখন পুঠি, য'ত কীৰ্তনৰ দৰে কাহিনীৰ সমাৱেশ নাই, আছে মাথোঁ পাঠক শ্ৰোতাক ভক্তিৰসেৰে আপ্লুত কৰি ডুবাই ৰাখিবৰ পৰা গুণ।

### ০.০২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ

প্ৰাক শংকৰ কালৰ অসমীয়া সমাজ কু- সংস্কাৰ আৰু অন্ধবিশ্বাসেৰে পৰিপূৰ্ণ আছিল। মুক্তি সাধনৰ পথত জীৱ শ্ৰেষ্ঠ মানৱ সমাজ দিকভ্ৰান্ত হৈ পৰিছিল। কু-সংস্কাৰৰ দুৰ্ভেদ্য প্ৰাচীৰ ভাঙি, সমাজত প্ৰগতিশীল চিন্তাধাৰাৰ বীঁজ সিচিবৰ বাবে সাহিত্য সংস্কৃতিৰ সমাৱেশেৰে ধৰ্মীয় আধ্যাত্মিক বীজ ৰূপন কৰিবলৈ হেজাৰী ঘোষা ৰচনা কৰি উলিয়াই।

সেৱা সৎকাৰ কৰি নামধৰ্ম পালন কৰা বা পূণ্যঅৰ্জন কৰোতাসকলৰ বাবেই নামঘোষা প্ৰয়োজন তেনে নহয়। পৰম্পৰাৰে লালিত-পালিত এই জীৱন্ত সংস্কৃতিৰ আপুৰুগীয়া গ্ৰন্থখনৰ চেষ্টা আৰু অধ্যয়ন সমাজৰ সকলো শ্ৰেণীৰ পাঠকে, ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি বুজিব পৰাটোৱে অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য।

### ০.০৩ অধ্যয়নৰ পদ্ধতি ঃ

আমাৰ আলোচনাত বিশ্লেষণাত্মক আৰু ঠাই বিশেষে বিষয়বস্তুৱে দাবীকৰা অনুসৰি বৰ্ণনাত্মক পদ্ধতি অৱলম্বন কৰি আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ব।

## ১.০০ বিষয় ঃ নামঘোষা ঃ এটি সামগ্ৰিক আলোচনা

ভাৰতবৰ্ষৰ আন আন অঞ্চলৰ দৰে অসমতো ভক্তিয়ে নৱ বৈষ্ণৱ জাগৰণৰ ক্ষেত্ৰত প্ৰধান চালিকা শক্তি স্বৰূপে সুদূৰ প্ৰসাৰী ভূমিকা গ্ৰহণ কৰিছিল। মহাপুৰুষ দুজনাই ভক্তি আন্দোলনৰ জৰিয়তে জনসাধাৰণক দিলে এক স্বচ্ছ জীৱনৰ দৃষ্টিভংগী, আধ্যাত্মিক, নৈতিক আৰু সাংস্কৃতিক মূল্যবোধ, সুকুমাৰ শিলাবোধ আৰু প্ৰয়োগবিধি।

"ভক্তি তত্ত্ব নিৰূপক গ্ৰন্থ হিচাপে নামঘোষা নিৰূপমা অৱতাৰবাদ, প্ৰসাদ বা অনুগ্ৰহবাদ, মায়া তৰণৰ উপায়স্বৰূপে



Scanned with OKEN Scanner

সকলো ধৰ্মৰ ভিতৰত জ্ঞান-কৰ্মৰ ওপৰতো ভক্তিৰ শ্ৰেষ্ঠতা, ভক্তিৰ পুৰুষোত্তম প্ৰেম স্বৰূপতা, ভক্তিৰ অহৈতুকিতা বা অনিমিত্যতা, ভক্তিৰ শ্ৰৱণ কীৰ্তন প্ৰধানতা, সৎসঙ্গ মহাত্ম, দাস্য, জড়ৰূপী অন্য দেৱসেৱা নিবাৰণ— পূৰ্বক চৈতন্যস্বৰূপে একদেৱ আৰু এক নামৰ বিশ্বাসেৰে এক শৰণবাদ— এই মূল সূত্ৰবোৰ 'নামঘোষা'ৰ নানা ঠাইত নানা ভাৱে ব্যাখ্যা কৰা হৈছে"।[১]

(বৈষ্ণৱ সাহিত্য সংস্কৃতিত এভুমুকি- শ্ৰীমন্ত শংকৰদেৱ সংঘ)

### ১.০১ নামঘোষাৰ আধাৰ গ্ৰন্থ ঃ

"নামঘোষা"ৰ আধাৰ গ্ৰন্থ সমূহ হ'ল— ভক্তি ৰত্নাকৰ, ভাগৱত, ভগৱদগীতা, ভৱিষ্যপুৰাণ, শ্ৰীধৰস্বামী ভাবাৰ্থ দীপিকা, গৰুড় পুৰাণ, গীত-গোবিন্দ, বামনপুৰাণ, বিষ্ণুৰহস্য, বিষ্ণুপুৰাণ, বিষ্ণু ধৰ্মোত্তৰ, বৈষ্ণৱীয় তন্ত্ৰসাৰ, বৈষ্ণৱামৃত লহৰী, ব্ৰহ্মপুৰাণ, ব্ৰহ্মাণ্ডপুৰাণ, বৃহন্নাৰদীয় পুৰাণ, নাৰদ সংহিতা, স্কন্ধ পুৰাণ, অগ্নি পুৰাণ আৰু মহাভাৰত।

'নামঘোষা'ৰ এহেজাৰ ঘোষাৰ ভিতৰত চাৰিশমানৰ মূল হিচাপে বৈষ্ণৱ গ্ৰন্থৰ সংস্কৃত শ্লোক পোৱা গ'লেও কোনো এখন নিৰ্দিষ্ট গ্ৰন্থক 'নামঘোষা'ৰ মূল বুলি ধৰিব নোৱাৰি। 'নামঘোষা'ৰ মূল হৈছে মাধৱদেৱৰ হৃদয়ৰ মাজত। তেওঁৰ অনুভূতি আৰু প্ৰতিভাৰ পৰশত মূলৰ প্ৰতিটোত শ্লোকেই যেন নৱজন্ম লাভ কৰিছে।

### ১.০২ নামঘোষাৰ নামকৰণ ঃ

হেমকোষ অভিধানৰ ৫৫২ পৃষ্ঠাত উল্লেখ আছে 'নাম' বি (স;- নামন-ম্না, স্মৰণকৰা) এটা বা অধিক শব্দ যাৰ দ্বাৰা আমি পূৰ্বে দেখা বা শুনা বস্তু বা মানুহ আমাৰ মনত পৰে আৰু সেই বস্তু আমি আনক বুজাব পাৰোঁ। সেয়ে তাৰ নাম। যেনে— ৰামচন্দ্ৰ, গুণৰ খ্যাতি, যশস্যা- দেৱতাৰ গুণগীত। 'ঘোষ'- স.ধা. (স; - ঘুষ) উচ্চ শব্দৰে প্ৰকাশ কৰ, গান কৰ। (পৃষ্ঠা নং- ৩২৬) এই নাম আৰু ঘোষা শব্দ দুটা যোগ হৈ 'নাম-ঘোষা' হৈছে।

হিয়াৰ মাজত নামৰ ভাণ্ডাৰ, যিমানে নাম লোৱা হয়, সিমানে নাম বৃদ্ধিহে হয়। মন শুদ্ধ হয়, বুদ্ধি সৎ হয়, চিত্ত স্থিৰ হয়। নানা স্মৰণেই উত্তম, সহজ ভকতি। মহাপুৰুষৰ মহান উদ্দেশ্য ইয়াতেই যে অবিৰাম 'নামঘোষা'ৰ জৰিয়তে মানুহক মানুহৰ শাৰীৰ পৰা ভগৱন্তৰ শাৰীলৈ উন্নীত কৰা। 'নামঘোষা'ত এক ঈশ্বৰ কৃষ্ণৰ নামেই সাৰ, নামেই ইয়াৰ মূলমন্ত্ৰ, নামেই ইয়াৰ মহিমা।

### ১.০৩ মহাপ্ৰস্থানৰ গীত ৰূপে নামঘোষাৰ ঃ

ড০ বাণীকান্ত কাকতিদেৱে তেখেতৰ বাণীকান্ত চয়নিকা গ্ৰন্থৰ 'নামঘোষা' প্ৰবন্ধত 'মহাপ্ৰস্থানিক গীত' বুলি অভিহিত কৰিছে।

"নামঘোষা'ত প্ৰধানত ঃ তিনিটা ভাৱৰ ধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰৰ ফালে প্ৰবাহ মান হৈছে। এই তিনিধাৰাৰ মূল কাৰণ— মাধৱদেৱৰ ৰসময়ী ভক্তিৰ গভীৰ আবেগ"।

অসমৰ নৱবৈষ্ণৱ ধৰ্মত বাঙময় (বাক্, বাক্যময়, বাক্যৰ দ্বাৰা গঠিত) মূৰ্তিৰহে স্থান আছে। তেওঁৰ ধৰ্ম মতবাদত প্ৰস্তৰ, ৰৌপ্য, স্বৰ্ণ, মৃত্তিকা আদি মূৰ্ত্তিৰ স্থান নাই।

### ২.০০ ভজন শীৰ্ষক ছবি ছন্দত ৰচিত প্ৰথম ঘোষা ঃ

মুক্তিতো নিস্পৃহ যিতো (৮) সেহি ভকতক নমো (৮)
ৰসময় মাগোহো ভকতি (১০)
সমস্ত মস্তক মণি (৮) নিজ ভকতৰ বৈশ্য (৮)
ভজো হেন দেৱ যদুপতি।। ১ (১০)

[ছবিছন্দ ৮ ৮ ১০ ]

'নামঘোষাৰ'ৰ প্ৰথম ভজনত সেইজন যদুপতি ভগৱন্তৰ বন্দনা কৰা হৈছে, যিজন 'নিজ ভকতৰ বৈশ্য'। তেওঁ বাসুদেৱ আৰু নিৰাকাৰ যদিও সাকাৰ ৰূপতো তেওঁৰ অলেখ নাম। চৈধ্যসাক্ষীৰ ওপৰত তেওঁ সৰ্বসাক্ষী, গতিকে সমস্তৰে বুদ্ধি চিত্তৰে দ্ৰষ্টা, অন্তৰ্যামী ৰূপে তেওঁৰ জীৱৰ নিয়ামক।

**নমস্কাৰ ঃ**

মৎস্য কুৰ্ম নৰসিংহ বামন পৰশুৰাম
হলীৰাম বৰাহ শ্ৰীৰাম।
বুদ্ধ কল্কি নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৰে কৰোহো প্ৰণাম"।। ৩

মৎস্য, কুৰ্ম, নৰসিংহ আদি দশাৱতাৰ ধাৰণ কৰোঁতা কৃষ্ণৰ 'অৱতাৰবাদ' উল্লেখেৰে নিৰাকাৰ ব্ৰহ্মাৰ পৰা সাকাৰ ব্ৰহ্মালৈ ৰূপান্তৰ হোৱা 'পৰম ব্ৰহ্মা'ৰ শ্ৰীচৰণত প্ৰণাম জনাবলৈ আহবান জনাইছে। উক্ত ঘোষাৰ মাজত আমি সাধ্য আৰু সাধন ভকতিক দেখিবলৈ পাওঁ।

### ২.০১ নামঘোষাত দাস্য ভাৱ ঃ

নামঘোষা সম্পূৰ্ণ ভক্তিমাৰ্গৰ শাস্ত্ৰ। বেদতেই প্ৰথম মায়াৰ উল্লেখ আছে বুলি কোৱা হৈছে। মায়াক নিবাৰণ কৰাৰ একমাত্ৰ উপায় যে ভক্তি আৰু এই মায়া কৃষ্ণ বা বিষ্ণুৰ অধীন শক্তি সেইয়া ঘোষাত উদ্ধৃত হৈছে।

নমো নমো নাৰায়ণ প্ৰসন্ন হয়োক হৰি
কৰিয়োক মায়াৰ নিৰ্যাণ।
আপোনাৰ মহিমাক আপুনি বেকত কৰি
জীৱক কৰিও পৰিত্ৰাণ।।

### ৩.০০ সাহিত্যিক সৌন্দৰ্য ঃ

সাধাৰণ ধৰ্ম পুথিবোৰত সাহিত্যিক সৌন্দৰ্য বৰ বেছিকৈ চকুত নপৰে যদিও নামঘোষা এই ক্ষেত্ৰত ব্যতিক্ৰম। নামঘোষাৰ অধিকাংশ ঘোষাক উত্তম কবিতাৰ শ্ৰেণীত পেলাব পাৰি। এই কবিতা যেন ৰহস্যবাদী কবিৰ অকৃত্ৰিম অনুভূতিৰ নিজৰা। মাধৱদেৱৰ ঘোষাত অলংকাৰৰ সুন্দৰ প্ৰয়োগ ঘটিছে। ঠাই বিশেষে উপমা- অলংকাৰেৰে শোভিত হৈছে।

### ৩.০১ সুৰ আৰু ছন্দ ঃ

সুৰেন্দ্ৰ মোহন দাসৰ মতে-"কবিতাৰ মূল বস্তু হৈছে ছন্দ। বেলেগ বেলেগ ভাৱ আৰু বিষয় ৰচিবলৈ বেলেগ বেলেগ ছন্দৰ প্ৰয়োজন। ছন্দৰ কাম হৈছে কবিতাৰ ভাৱ, ৰস, ৰসজ্ঞৰ মনত সুমুৱাই দিয়া। ছন্দৰ ভিতৰতে সুৰ, তাল, সংগীত আৰু ভাৱ লুকাই থাকে"।

মাধৱদেৱৰ নামঘোষাত সুৰ আৰু ছন্দৰ অতুলনীয় ঝংকাৰে বিদ্যমান। নামঘোষাত ব্যৱহৃত দুলড়ী, লেছাৰী আৰু ছবি ইত্যাদি প্ৰচলিত ছন্দৰ সমাহাৰ দেখিবলৈ পোৱা যায়।

**(১) ছবি ছন্দ ঃ**

মুক্তিত নিস্পৃহ যিটো সেহি ভকতৰে নমো
ৰসময় মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বৈশ্য
ভজো হেন দেৱ যদুপতি।। ১

নামঘোষাৰ প্ৰথম ঘোষাৰ ভজন, নমস্কাৰ, উপদেশ, নিন্দা, মহিমা, আত্মউপদেশ, আত্মনিন্দা, বস্তু প্ৰকাশ, প্ৰশংশা, অনুধিতা, নাম, পৰমাৰ্থসাৰ, সাৰ নিৰ্ণয়, বৰ্ণাশ্ৰম, হৰবাৰ, প্ৰাৰ্থনা,নামৰ অন্বয় ঘোষালৈকে(১৫৪) সংখ্যা ছবি ছন্দত ৰচিত।

**(২) দুলড়ী ছন্দ ঃ**

মঞি দুৰাচাৰ কেৱলে তোমাৰ
অপৰাধী নাৰায়ণ।
ক্ষময়োক হৰি লৈয়ো দাস কৰি
পশিলো হেৰা শৰণ।। (১৮৩)

অথবা ঃ

হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শংকৰে পাৰ ভাঙি দিলে
বহে ব্ৰহ্মাণ্ডক ভেদি।।

(বস্তু প্ৰকাশ)

**(৩) লেছাৰী ছন্দ ঃ**

কৃষ্ণ এক দেৱ দুখহাৰী কাল মায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
(৫৮৫)

ইয়াৰ উপৰিও ভিন্ন সুৰ আৰু ছন্দেৰে ঘোষা ছন্দ আৰু নাম ছন্দৰ দুটি অভিনৱ ৰূপ দেখিবলৈ পোৱা যায়। 'ঘোষা ছন্দত' শৰণ অধ্যায়ৰ পৰা আৰম্ভ কৰি সমুদায় ঘোষাত মাধৱদেৱৰ হৃদয় নিঃসৃত ভাৱৰাশি প্ৰকাশ পাইছে।

**(৪) ঘোষাছন্দ ঃ**

"যাদৱ যদুনন্দন মাধৱ মধুসুধন
তুমি নিত্য নিৰঞ্জন নাৰায়ণ তোমাত লৈলো শৰণ"।
(শৰণৰ ঘোষা)

তাৰ পিছতে অন্য এক ছন্দ, অন্য এক সুৰ ঃ -

হৰি চৰণত শৰণ লৈলো এ হৰি নাৰায়ণ।
(৬৮৬)

অন্য এক ছন্দ ঃ

এবাৰ কৰুণাময় হৰি কমলাপতি
মোৰে নাছাড়িবা নাৰায়ণ।
(৬৮৪)

**ভিন্ন ছন্দ ভিন্ন সুৰ ঃ-**

গোপাল গোবিন্দ যদুনন্দন।
কৃষ্ণৰ চৰণে লৈলো শৰণ। (৬৮৭)

এটা ঘোষাৰ পৰা অন্য এটা ঘোষালৈ গতি কৰাৰ সময়ত ছন্দ সলনিৰ বাবে উজুটি খাব লাগিছিল যদিও সুৰৰ বৈচিত্র্যময়তাই ইয়াৰ গতি সাৱলীল কৰি তুলিছে।

**(৫) নামছন্দ ঃ**

নামছন্দৰ ক্ষেত্ৰতো আদিৰ পৰা অন্তলৈকে এক বৰ্ণোময়, ছন্দময় গতি বিদ্যামান।

"কৃষ্ণ ৰাম কৃষ্ণ ৰাম
কৃষ্ণ ৰাম কৃষ্ণ ৰাম। (৮৪৯)
কৃষ্ণ কৃষ্ণ ৰাম জয় জয় ৰাম।
কৃষ্ণ কৃষ্ণ ৰাম জয় জয় ৰাম"।। (৮৫০)

প্ৰসঙ্গৰ আৰম্ভ ঘোষা হিচাপে নামছন্দৰ এই ঘোষাত এক গুৰু গম্ভীৰ সুৰ উচ্ছাৰিত হয়।

এই ঘোষাৰ পাছতেই-

গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ ৰামমুৰাৰি
অনন্ত কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী।
(৮৫২)

শেষত ভক্ত কবিয়ে এটি ছন্দ আৰু সুৰেৰে কাকুতি স্তুতি বা খেদাৰ সংযোজন কৰিছে।

এ ভাৰক ভাই ভজ ভগৱন্ত ভকতিভাৱে
ভগৱন্ত ভজিয়া পৰম গতি পাৱে।। ১৮০

**উপসংহাৰ ঃ**

সংস্কৃতিৰ জগতখন সাধনাৰ জগত। যি সাধনাৰ সৈতে সাঙোৰ খাই থাকে ভক্তি। ভক্তি বাদ দি কোনো কলা তথা সংস্কৃতি সম্পূৰ্ণ হ'ব নোৱাৰে। ভক্তিয়েই হৈছে কলা সংস্কৃতিৰ বিশেষ আধাৰ।

মাধৱদেৱৰ অমৰ সৃষ্টি নামঘোষা আদিৰ পৰা অন্তলৈকে যি নিৰুপম কাব্যগাঁথা সেয়া আমাৰ দৰে সংস্কৃতি প্ৰেমীৰ বাবে অন্তহীন বিস্ময়ৰ কাৰণ। 'নামঘোষা'ক হাজাৰী ঘোষা বুলি কোৱা হয় যদিও ঘোষা সংখ্যা ১০০১ৰ পৰা ১০০৩লৈ এই তিনিওটা ঘোষা নামঘোষাৰে অবিচ্ছেদ্য অংশ বিশেষ বুলি পণ্ডিতসকলে বিবেচনা কৰি আহিছে।

বেনুধৰ ৰাজখোৱাৰ "The Holy Numghosha", সৰোজ দত্তৰ "The divine Verses" অনুবাদে নামঘোষাৰ ৰস উপলব্ধি আৰু আস্বাদনৰ পথ অন্যভাষী লোকৰ বাবেও প্ৰমাণ কৰি তুলিছে।

এক বিশ্বাস, অসমৰ এই বৃহৎ মাধৱদেৱৰ স্বৰ্ণসৌধ কাব্যগ্ৰন্থৰ চৰ্চা আৰু সাধনা আজিৰ প্ৰজন্মই অব্যাহত ৰখাৰ চেষ্টা কৰিব। ❑

# "অসমৰ কলা-সংস্কৃতিৰ অন্যতম প্ৰাচীন শিল্পকলা মুখাশিল্পৰ ক্ষেত্ৰত মুখাশিল্পী শ্ৰীশ্ৰী খাটপাৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীযুত ৰেৱকান্ত মহন্তদেৱৰ অনবদ্য অৱদানৰ ওপৰত অৱলোকন"

হিমাদ্ৰী দুৱৰী, পাৰ্থ প্ৰতীম দাস
শ্যাম গগৈ, প্ৰিয়াংকু খনিকৰ
ডিম্পী পায়েং, অলকা টায়ে

## ১.০ অৱতৰণিকা ঃ

### ১.১. বিষয়বস্তুৰ পৰিচয় ঃ

অসমীয়া কলা-সংস্কৃতিয়ে অসমীয়া লোকসমাজক স্বকীয় ৰূপত চিনাকী কৰি দিয়াৰ ক্ষেত্ৰত আগৰেই পৰা বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ অমৰ সংস্কৃতিৰ সৃষ্টি-ৰাজিয়ে অসমীয়া জাতীয় জীৱনক, অসমীয়া লোক-সংস্কৃতিত, অসমীয়াৰ কলা-সংস্কৃতিত থলুৱা শিল্পকলাৰ ক্ষেত্ৰতো এক অনবদ্য অৱদান আগবঢ়াই অসমীয়াৰ স্বকীয়তা বিশ্বদৰবাৰত প্ৰতিষ্ঠিত কৰোঁৱাত মহাপুৰুষ দুজনাৰ ভূমিকা চিৰস্মৰণীয়। মুখাশিল্প, অসমীয়া কলা-সংস্কৃতিৰ অন্যতম চহকী প্ৰাচীন লোককলা, অসমৰ থলুৱা শিল্পসমূহৰ বাট-কটীয়া এই লোক শিল্পকলাই খ্ৰীষ্টীয় পোন্ধৰ শতিকাতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ হাতৰ পৰশত প্ৰাণ পাই উঠিছিল। গুৰুজনাই তেওঁৰ অমৰ সৃষ্টিৰাজি "অংকীয়া ভাওনা সমূহত" বিভিন্ন চৰিত্ৰসমূহৰ মুখমণ্ডলৰ হুবহু গঢ় দিবলৈ এই শিল্পকলাক জন্ম দিছিল। শ্ৰীৰামচৰণ ঠাকুৰৰ "চৰিত পুথি"ত বৰ্ণনা অনুসৰি মহাপুৰুজনাই অংকীয়া ভাওনাৰ ভাৱৰীয়াসকলৰ বাবে নিজহাতে মুখা সজাতে সীমাবদ্ধ নেৰাখি বিভিন্ন চৰিত্ৰৰ বাহনৰ মুখাসমূহো (যেনে- বিষ্ণুৰ বাহন গড়ুৰ, ব্ৰহ্মাৰ বাহন হংস) আদিও নিজ হাতে তৈয়াৰ কৰি ভাওনাত ব্যৱহাৰ কৰিছিল। অংকীয়া নাট পৰিৱেশনৰ সময়তো ভাৱৰীয়াসকলে চৰিত্ৰানুসাৰে এই মুখাসমূহ পৰিধান কৰি মূল চৰিত্ৰ প্ৰদৰ্শন কৰিছিল। সাম্প্ৰতিক সময়ত অসমৰ সত্ৰসমূহত পৰম্পৰাগতভাৱে মহাপুৰুষজনাৰ অমৰ সৃষ্টি মুখাসজা আৰু নৃত্য- গীত-বাদ্য, শিল্প-সংস্কৃতিৰ চৰ্চা, প্ৰচাৰ আৰু প্ৰদৰ্শন সংৰক্ষণ আৰু অনুশীলনৰ ধাৰা প্ৰবাহিত হৈ আহিলেও সময়ৰ গতিত ব্যস্ততামূলক জীৱন, জাতীয় চেতনাহীন ভাবাদৰ্শ, পাশ্চাত্য সংস্কৃতি অনুকৰণ, তত্বহীন-মনোৰঞ্জনহীন সামগ্ৰীৰ প্ৰতি আগ্ৰহী আদি মনোভাৱে আমাৰ সংস্কৃতি পথাৰখন আৱৰি লোৱাত অসমীয়া থলুৱা শিল্পসমূহৰ স্বকীয়তা ধৰি ৰখাত প্ৰায় বিফল হৈছে। তথাপিও ইয়াৰ বিপৰীতে দেশপ্ৰেমবোধযুক্ত স্বকীয় ভাবাদৰ্শ আৰু অস্তিত্ব ৰক্ষাৰ কাৰণে এচাম লোকে এই পৰম্পৰাগত লোক-সংস্কৃতি সংৰক্ষণ তথা ধৰি ৰখাত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে । আজিও শিৱসাগৰ জিলাৰ, হাঁহচৰাত অৱস্থিত "শ্ৰীশ্ৰী খাটপাৰ সত্ৰ"ৰ সত্ৰাধিকাৰ শ্ৰীযুত ৰেৱকান্ত মহন্ত ডাঙৰীয়াই গুৰুজনাৰ অমৰ সৃষ্টি "মুখাশিল্প"ক সংৰক্ষণ তথা ইয়াৰ ঐতিহ্যক জীয়াই ৰখাত যত্নোপৰ চেষ্টা চলাই আহিছে। গুৰুজনাৰ সৃষ্টি মুখাশিল্পক ৰাষ্ট্ৰীয় আন্তৰাষ্ট্ৰীয় দৰবাৰত চিনাকী কৰাবলৈ সক্ষম হোৱা ৰেৱকান্ত মহন্তদেৱৰ "খাটপাৰ সত্ৰৰ মুখাশিল্প" ই এক সুকীয়া পৰিচয় লাভ কৰিছে। গতিকে এই সুকীয়া পৰিচয় আঁত ধৰি এই বিশেষ প্ৰতিবেদনৰ অধ্যয়নৰ "বিষয়বস্তু" হিচাপে আমি শিৱসাগৰ জিলাৰ অন্তৰ্গত হাঁহচৰাত অৱস্থিত "শ্ৰীশ্ৰী খাটপাৰ সত্ৰ"ৰ সত্ৰাধিকাৰ শ্ৰীযুত ৰেৱকান্ত মহন্তদেৱৰ ওচৰত উপস্থিত হওঁ আৰু অধ্যয়নৰ বিষয় হিচাপে "অসমীয়া কলা-সংস্কৃতিত" ৰেৱকান্ত মহন্তদেৱৰ "মুখাশিল্প"ৰ অনবদ্য অৱদানৰ ওপৰত গৱেষণামূলক

আলোচনা আগবঢ়াব বিচাৰিছোঁ।

**১.২. অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, শিৱসাগৰ, সোণাৰিৰ সন্মানীয় প্ৰবক্তা মহোদয়া শ্ৰী মূৰ্চ্ছনা বৰা বাইদেউৰ তত্ত্বাৱধানত অধ্যয়ন কৰিব খোজা এই বিশেষ গৱেষণামূলক সংকলনৰ এক নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। তলত এই প্ৰতিবেদনৰ লক্ষ্য আৰু উদ্দেশ্য উল্লেখ কৰা হ'ল —

➢ লক্ষ্য ঃ

নিৰ্দিষ্ট বিষয়বস্তুৰ ওপৰত অধ্যয়ন কৰিব বিচৰা এই অধ্যয়নৰ প্ৰতিবেদনৰ মূল লক্ষ্য হৈছে অসমীয়া কলা- সংস্কৃতিত বাটকটীয়া ৰূপে ভূমিকা গ্ৰহণ কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি "মুখাশিল্প"ৰ সংৰক্ষণত তথা এই শিল্পকলাক জীয়াই ৰখাত শিৱসাগৰ জিলাৰ হাঁহচৰাত অৱস্থিত 'শ্ৰীশ্ৰী খাটপাৰ সত্ৰ'ৰ সত্ৰাধিকাৰ ৰেৱকান্ত মহন্তদেৱৰ অৱদানৰ ওপৰত বিস্তৃত ৰূপত আলোচনা আগবঢ়োৱা।

➢ উদ্দেশ্য ঃ

এই বিশেষ প্ৰতিবেদনৰ জৰিয়তে তলৰ উদ্দেশ্যসমূহ অধ্যয়নৰ ভাগ হিচাপে অধ্যয়ন কৰাৰ চেষ্টা কৰা হৈছে -

১)) অসমীয়া কলা-সংস্কৃতিত মুখাশিল্পৰ ভূমিকাৰ ওপৰত অধ্যয়ন কৰা।

২) অসমীয়া কলা-সংস্কৃতিত মুখাশিল্পৰ সংৰক্ষণৰ জৰিয়তে স্বকীয় সুনাম কঢ়িয়াবলৈ সক্ষম হোৱা ৰেৱকান্ত মহন্তদেৱৰ জীৱন, তথা জীৱনকৃতিৰ বিষয়ে অধ্যয়ন কৰা।

৩) "মুখা শিল্প"ৰ সংৰক্ষণত তেখেতৰ অৱদানৰ বিষয়ে অধ্যয়ন কৰা ।

৪)) অসমীয়া কলা-সংস্কৃতিৰ অন্যতম শিল্পকলা মুখাশিল্পৰ সংৰক্ষণ আৰু প্ৰয়োজনীয়তাৰ প্ৰাসংগিকতাৰ ওপৰত অধ্যয়ন কৰা।

**১.৩. অধ্যয়নৰ গুৰুত্ব ঃ**

সাম্প্ৰতিক সময় আধুনিকতাবাদী দৃষ্টিভংগী, পাশ্চাত্যৰ সংস্কৃতিক অনুকৰণ, জাতীয় চেতনাৰ প্ৰতি হেমাহি মনোভাৱে আমাৰ বাপতিসাহোন কৃষ্টি-সংস্কৃতি, লোককলা, নৃত্য-গীত-বাদ্য শিল্পকলাক ধৰি ৰখাত; ইয়াৰ সংৰক্ষণতাৰ ইতিবাচক মনোভাৱ গঢ় দি তুলি নিজা জাতীয় সচেতনা বৃদ্ধি কৰাত এই বিশেষ গৱেষণামূলক অধ্যয়নে বহুপৰিমাণে সহায় কৰিব। সময়ৰ খোজত হেৰাই যাব খোজা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি "মুখাশিল্প"ই অসমীয়া জাতীয় জীৱনৰ স্বকীয়তা বজাই ৰখাত থলুৱা শিল্পকলাক হাতৰ পৰশত প্ৰাণ দি তুলি সংস্কৃতিৰ ভঁৰাল চহকী কৰি তোলাত বিশেষ ভূমিকা গ্ৰহণ কৰে। সেয়েহে "অসমীয়া কলা-সংস্কৃতিৰ শিল্প"ক ধৰি ৰখাত ইয়াৰ সংৰক্ষণ তথা প্ৰয়োজনীয়তাৰ ওপৰত শিৱসাগৰ জিলাত অৱস্থিত "শ্ৰীশ্ৰী খাটপাৰ সত্ৰ"ৰ সত্ৰাধিকাৰ শ্ৰীযুত ৰেৱকান্ত মহন্তদেৱে ৮৯ (উনাননৈ) বছৰ বয়সতো এই গুৰুজনাৰ অন্যতম সৃষ্টি "মুখাশিল্প"ৰ স্বকীয়তাক বৰ্তাই ৰখাত যত্নপৰে চেষ্টা অব্যাহত ৰাখিছে, সেই মনোভাৱক সন্মান জনাই, গুৰুজনাৰ সৃষ্টিক ভৱিষ্যৎ প্ৰজন্মই ধৰি ৰখাত, সচেতনাৰ ইতিবাচক মনোভাৱ পোখাই তোলাত, অসমীয়া জাতীয় স্বকীয়তা, গৌৰৱ, মান বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰি তোলাত এই বিশেষ প্ৰতিবেদনৰ অধ্যয়নৰ গুৰুত্ব সাম্প্ৰতিক সময়ত অতি প্ৰাসংগিক।

**১.৪. অধ্যয়নৰ পদ্ধতি ঃ**

নিৰ্দিষ্ট বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি অধ্যয়ন কৰিবলৈ বিচৰা এই বিশেষ গৱেষণামূলক অধ্যয়নৰ প্ৰতিবেদন খনিৰ অধ্যয়নৰ পদ্ধতি বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মকভাৱে আগবঢ়োৱা হৈছে। প্ৰাথমিকভাৱে নিৰ্দিষ্ট বিষয়ৰ ওপৰত অধ্যয়নৰ হেতু আমি প্ৰত্যক্ষভাৱে সাক্ষাৎকাৰ সূচী গ্ৰহণ কৰিছোঁ আৰু ক্ষেত্ৰ বিষয়ক অধ্যয়নৰ প্ৰত্যক্ষ পৰ্যবেক্ষণ তথা নিৰীক্ষণেৰে তথ্য সংগ্ৰহ কৰিছোঁ।

**১.৫. অধ্যয়নৰ পৰিসৰ ঃ**

অসমীয়া কলা-সংস্কৃতিৰ শিল্পকলা "মুখাশিল্প" সংৰক্ষণ আৰু প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত শিৱসাগৰ জিলাৰ হাঁহচৰাত অৱস্থিত "শ্ৰীশ্ৰী খাটপাৰ সত্ৰ"ৰ সত্ৰাধিকাৰ শ্ৰীযুত ৰেৱকান্ত মহন্তদেৱে আগবঢ়োৱা অৱদান এই নিৰ্দিষ্ট বিষয়বস্তুৰ ওপৰত অধ্যয়নৰ দৃষ্টিভংগী সামৰি লোৱা অধ্যয়নৰ পৰিসৰ সীমিত। কাৰণ "মুখা শিল্প"ৰ চমু অৱলোকনৰ লগতে ৰেৱকান্ত মহন্তদেৱৰ অৱদান, ভূমিকা আৰু তেখেতৰ জীৱনকৃতিৰ বাদে এই অধ্যয়নে বিশেষ অন্য বিষয়বস্তু সামৰি লোৱা নাই যদিও এই অধ্যয়নৰ পৰিসৰ নিৰ্দিষ্ট ক্ষেত্ৰভিত্তিক অধ্যয়নৰ মাজতেই সীমিত নেৰাখি ইয়াৰ অধ্যয়নৰ প্ৰাসংগিকতা আমি বুজা উচিত।



Scanned with OKEN Scanner

### ২.০. বিষয়বস্তুৰ ওপৰত আলোচনা ঃ

### ২.১. "মুখাশিল্প" ঃ

অসমীয়া জাতীয় জীৱনৰ কলা-সংস্কৃতিৰ অন্যতম গুৰিধৰোঁতা প্ৰাচীন লোককলাৰ অন্যতম হৈছে- এই "মুখাশিল্প"(Mask Making Culture)। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ হাতত প্ৰায় পোন্ধৰ শতিকাতে প্ৰাণ পাই উঠা এই শিল্পকলাই অসমীয়া শিল্পকলা, সংস্কৃতিত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। মহাপুৰুষজনাই তেখেতৰ অমৰ সৃষ্টি "অংকীয়া নাট"ৰ বিভিন্ন চৰিত্ৰসমূহৰ মুখমণ্ডলৰ হুবহু গঢ় দিবৰ বাবে এই "মুখাশিল্প"ৰ জন্ম দিছিল। গুৰুজনাই ৰচনা কৰা প্ৰথমখন নাট "চিহ্নযাত্ৰা"ত প্ৰথমবাৰৰ বাবে গৰুড় পক্ষী, চতুড়ানন ব্ৰহ্মা, শিৱ আদি চৰিত্ৰৰ বাবে মুখা হুবহু ৰূপত সাজি উলিয়াই তাত তুলিকাৰে অংকিত কৰি সম্পূৰ্ণ ৰূপ ফুটাই তুলিছিল। শ্ৰীৰামচৰণ ঠাকুৰৰ ৰচিত "চৰিতপুথি"ত বৰ্ণনা কৰা অনুসৰি মহাপুৰুষজনাই ভাৱৰীয়াসকলৰ বাবে নিজ হাতে মুখা সজাতে সীমাৱদ্ধ নাথাকি বিভিন্ন চৰিত্ৰৰ বাহনৰ মুখাসমূহো (যেনে- বিষ্ণুৰ বাহন গৰুড়, ব্ৰহ্মাৰ বাহন হংস) তৈয়াৰ কৰি ভাওনাত ব্যৱহাৰ কৰিছিল। উল্লেখযোগ্য যে এই মুখা সমূহ বৰ্তমান নাটকত, ভাওনাত, ৰাসৰ বিভিন্ন চৰিত্ৰৰ লগত সংগতি ৰাখি গুৰুজনাৰ পৰম্পৰাগত কলা হিচাপে বনোৱা হয়। লগতে বিভিন্ন প্ৰদৰ্শনী সমূহত এই শিল্পকলাৰ প্ৰদৰ্শন কৰা হয়। অসমৰ বিভিন্ন জিলাত প্ৰধানকৈ মাজুলী, গোলাঘাট, আৰু শিৱসাগৰ জিলাৰ কিছু কিছু অঞ্চলত ইয়াৰ ব্যৱহাৰ কৰি আহিছে।

### ২.১.১. মুখা নিৰ্মাণৰ আহিলাসমূহ ঃ

মুখাসমূহ সম্পূৰ্ণ খলুৱা সা-সামগ্ৰীৰে তৈয়াৰ কৰা হয়। যেনেঃ বাঁহ, বেত, কপাহী কাপোৰ, গোবৰ মাটি, কুমাৰ মাটি, কুঁহিলা, মৰাপাট আদিয়েই প্ৰধান। ৰঙৰ ক্ষেত্ৰত প্ৰাকৃতিকভাৱে পোৱা ৰঙৰ ব্যৱহাৰেই পৰম্পৰাগতভাৱে চলি আহিছে। যেনেঃ গছৰ গুটি, বাকলি, পাত, বেলৰ আঠা, গম গছৰ আঠা, পৰম্পৰাগত ব্যৱহৃত খনিজ পদাৰ্থ হেঙুল (ৰঙা), হাইতাল (হালধীয়া), মিঠাতেলৰ চাকিৰ ছাঁই, নীল গছ আদি উল্লেখযোগ্য।

### ২.১.২. মুখা নিৰ্মাণৰ পদ্ধতি ঃ

মুখা নিৰ্মাণৰ বাবে কোমল জাতি বাঁহ ৩-৪ ফুট জোখত কাটি কাঠী আকাৰত তৈয়াৰ কৰি লোৱা হয়। মুখাৰ জোখ অনুসৰি মুখাৰ সজা (খাং) প্ৰস্তুত কৰা হয়। তাৰ পাছতে নিৰ্দিষ্ট জোখত কপাহী কাপোৰ কাটি লৈ কুমাৰ মাটিৰ লগত লেটিয়াই বাঁহৰ সজাটো ঢাকি দিয়া হয়। ৰ'দত শুকুৱাই×৩ ভাগ গোবৰ আৰু ১ ভাগ কুমাৰ মাটি ভালদৰে খচি সজাটোৰ ওপৰত চৰিত্ৰ অনুসৰি চেহেৰা দিয়া হয়। আৰু ৰ'দত শুকাবলৈ দিয়া হয়। ভালদৰে ৰ'দত শুকুৱাৰ পিছত পুনৰ বাঁহৰ কৰণিৰে কম পৰিমাণেৰে মাটি লগাই কপাহী কাপোৰ কুমাৰ মাটিৰ লগত লেটিয়াই গোবৰৰ ওপৰত কাপোৰ লগাই লৈ শুকাবলৈ দিব লাগে। ভালদৰে শুকালে ই ৰং কৰিবৰ বাবে উপযোগী হয় আৰু ৰঙৰ কাম সম্পূৰ্ণ হ'লেই মুখা সম্পূৰ্ণৰূপে তৈয়াৰ হৈ উঠে।

### ২.১.৩. মুখাৰ পৰম্পৰাগত ভাগ ঃ

পৰম্পৰাগতভাৱে মুখাক ৩ টা ভাগত ভাগ কৰি নিৰ্মাণ কৰা হয়।

#### ➢ বৰমুখা বা ছোঁ মুখা

বৰমুখা দুটা ভাগত নিৰ্মাণ কৰা হয়। শিৰ-ভাগ আৰু গা-ভাগ। পৰিৱেশনৰ সময়ত গা-ভাগৰ ওপৰত শিৰ-ভাগ সংযোগ কৰি অভিনয় কৰা শিল্পীজন মুখাৰ ভিতৰত সোমাই অভিনয় কৰে। এই মুখা কমেও- ১০-১২ ফুট ওখ হয়। সেয়েহে, এই মুখাক বৰমুখা বোলা হয়। যেনে- দশানন ৰাৱণ, অসুৰ, সেনাপতি, নৰসিংহ।




#### ➢ লোটোকৰী মুখা বা চুটি ছোঁ মুখা (লোটোকাই)

এই মুখা বৰমুখাতকৈ সৰু। শিৰ আৰু গা ভাগ বৰমুখাৰ দৰে নিৰ্মাণ কৰা হয়। এই মুখা যিজন শিল্পীয়ে পৰিধান কৰে,

শিল্পীজনৰ মূৰত মুখাৰ শিৰভাগ খাপ খাই পৰে আৰু ইয়াৰ অংগসমূহ সঞ্চালন কৰিব পাৰে। যেনেঃ পুতনা, গৰুড়, তাৰকা, মাৰিছ আদি।



লোটোকৰী মুখা বা চুটি খৌ মুখা (লোটোকাৰ)
Lotokari Mukha

### ➤ মুখ মুখা ঃ

এই মুখাৰে কেৱল মানুহৰ স্বাভাৱিক মুখমণ্ডলক আৱৰি ৰাখি শৰীৰ ভাগত মুখৰ লগত সামঞ্জস্য ৰাখি সাজ পোছাক পিন্ধি অভিনয় কৰা হয়। মুখাৰ সৈতে পোছাক পিন্ধি অভিনয় কৰা হয় বাবে এই মুখাক আহাৰ্য বুলিও কোৱা হয় । উদাহৰণস্বৰূপে, হনুমান, দৈত্য, হয়গ্ৰীৱ দৈত্য ব্ৰহ্মা আদি।



মুখ মুখা
Mukh Mukha

### ২.২. অসমীয়া কলা- সংস্কৃতিত মুখাৰ ব্যৱহাৰ আৰু ইয়াৰ বিশেষ ভূমিকা ঃ

অসমীয়া পৰম্পৰাগত কলা-সংস্কৃতিৰ ধাৰা বৰ্তাই ৰখাত অসমৰ বিভিন্ন প্ৰান্তত ঘাইকৈ মাজুলী, গোলাঘাট, শিৱসাগৰ জিলাত পৰম্পৰাগতভাৱে ব্যৱহৃত হৈ অহা মুখাশিল্প তথা মুখা ব্যৱহাৰ কৰি অহা শিল্পকলাই বিশেষ স্থান অক্ষুণ্ণ ৰাখিছে। অসমীয়া লোক-কলাৰ ধাৰা ভৱিষ্যৎ প্ৰজন্মলৈকে কঢ়িয়াই নিয়াত এই পৰম্পৰাগত মুখা ব্যৱহাৰ কৰা শিল্পকলাই অসমীয়া জাতীয় জীৱনৰ স্বকীয়তাক ধৰি ৰখাত, গুৰুজনাৰ আদৰ্শক, অৱদানক জীয়াই ৰখাত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। বৰ্তমান সময়ত মাজুলী জিলাৰ “চামগুৰি সত্ৰ”, শিৱসাগৰ জিলাৰ “শ্ৰীশ্ৰী খাটপাৰ সত্ৰ” আদিত গুৰুজনাই তৈয়াৰ কৰি যোৱা এই মুখাশিল্প অসমৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত ভাওনা, ৰাস, যাত্ৰা প্ৰদৰ্শনী অনুষ্ঠানত এই সত্ৰ দুয়োখনৰ দ্বাৰা বিশেষকৈ নিৰ্মিত হোৱা মুখাক ব্যৱহাৰ কৰা হয়। পৰম্পৰাগতভাৱে মুখা ভাওনাত ব্যৱহাৰ হোৱাৰ উপৰিও উপহাৰ হিচাপে দিয়া, উৎসৱ-পাৰ্বণ, সভা-সমিতিত, সজোৱা ঘৰত সজোৱা ইত্যাদি কাৰ্যতো ব্যৱহাৰ কৰি আহিছে। ইয়াৰ দ্বাৰা মুখা শিল্পীসকল আৰ্থিকভাৱে সবল হৈ উঠাৰ লগতে ন-শিকাৰুসকল আৰু নৱপ্ৰজন্মই ইয়াক আঁকোৱালি লোৱা পৰিলক্ষিত হৈছে। গুৰুজনাৰ অমৰ সৃষ্টি এই মুখাশিল্প তথা পৰম্পৰাগত মুখা বিদেশত বিশেষকৈ লণ্ডনৰ ব্ৰিটিছ মিউজিয়ামৰ লগতে বিদ্যালয়, বিশ্ববিদ্যালয়ৰ সংগ্ৰহালয় আৰু বিমানবন্দৰ আদিতো সংৰক্ষণ কৰি ৰখা হৈছে।

### ২.৩. অসমৰ লোক-কলা সংস্কৃতিৰ অন্যতম শিল্প-কলা “মুখাশিল্প”ৰ ক্ষেত্ৰত “শ্ৰীশ্ৰী খাটপাৰ সত্ৰ”ৰ ভূমিকা আৰু এই সত্ৰৰ বৰ্তমানৰ সত্ৰাধিকাৰ শ্ৰীযুত ৰেৱকান্ত মহন্তদেৱৰ অৱদানৰ ওপৰত অৱলোকন ঃ

বৰ্তমান শিৱসাগৰ জিলাৰ দয়া চাৰিআলি ডাকঘৰৰ অন্তৰ্গত হাঁহচৰা অঞ্চলত অৱস্থিত “শ্ৰীশ্ৰী খাটপাৰ সত্ৰ” ৰাজমাও প্ৰদত্ত পোৱা খাটত প্ৰতিষ্ঠিত সত্ৰখনি হিচাপে জনাজাত। স্বৰ্গীয় পতিগন্দ-সতানন্দদেৱে প্ৰথমবাৰৰ বাবে সত্ৰাধিকাৰৰ বংশাৱলীৰে গ্ৰহণ কৰা সত্ৰাধিকাৰ তেখেতৰ কনিষ্ঠ পুত্ৰ শংকৰ গতিদেৱে খাটপাৰ সত্ৰৰ সত্ৰাধিকাৰ পদত অধিষ্ঠিত হয় আৰু ক্ৰমানুসাৰে তেওঁলোকৰ বংশাধৰে এই সত্ৰ সত্ৰাধিকাৰ

দায়িত্ব লৈ আহিছে। স্বৰ্গীয় নিত্যানন্দদেৱে ২০০০ চনৰ ২৪ ফাগুনত বৈকুণ্ঠী হোৱাৰ পাছত বৰ্তমান পৰম্পৰাগতভাৱে সত্ৰাধিকাৰৰ দায়িত্ব পালন কৰি আহিছে তেখেতৰ জেষ্ঠ ভাতৃৰ পুত্ৰ শ্ৰীযুত হেমকান্ত মহন্তদেৱে। তেখেতৰ অধিষ্ঠাতাত এই খাটপাৰ সত্ৰই ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় পৰ্যায়ত নিজৰ নাম চিনাকী কৰাবলৈ সক্ষম হৈছে। পিতৃ গোপীকান্ত দেৱৰ পৰা "মুখা শিল্প"ৰ সজা আৰু তৈয়াৰ কৰা শিক্ষা গ্ৰহণ কৰি সত্ৰাধিকাৰ হেমকান্ত মহন্তই সহজেই বহুবাৰ "মুখাশিল্প"ৰ জৰিয়তে অসম তথা কলা-সংস্কৃতিক বিশ্বদৰবাৰত প্ৰতিষ্ঠিত কৰি তুলিবলৈ সক্ষম হৈছে। তেখেতৰ নেতৃত্বত এই খাটপাৰ সত্ৰৰ তৰফৰ পৰা অসমৰ জাতীয় অনুষ্ঠান, উৎসৱ আদিত নৃত্য-গীত, মুখা প্ৰদৰ্শন কৰি অহা হৈছে। তিনিচুকীয়া, নাজিৰা আৰু শিৱসাগৰত হোৱা অসম সাহিত্য সভাৰ অধিৱেশনত প্ৰদৰ্শনী আৰু মুখা-ভাওনা প্ৰদৰ্শন কৰা হৈছে। ১৯৪৭ চনত শিৱসাগৰ শংকৰদেৱ সমাজৰ তত্বাৱধানত "পাৰিজাত হৰণ" ভাওনা মুখা ব্যৱহাৰ কৰি পতা হৈছিল। শিৱসাগৰ নাট্যমন্দিৰৰ প্লেটিনাম জয়ন্তীত সম্পূৰ্ণ মুখা ব্যৱহাৰ কৰি 'স্যমন্তক হৰণ' ভাওনা কৰা হয়। উল্লেখযোগ্য যে ভাওনাত মুখা ব্যবহাৰ কৰা হয়, কিন্তু সকলো চৰিত্ৰকে একো একেটি মুখা পিন্ধাই কৰা "মুখা ভাওনা" নামটি ইয়াতে পোন প্ৰথমবাৰৰ কাৰণে প্ৰয়োগ কৰা হৈছিল। ১৯৭৩ চনত যুৱদলৰ প্ৰচেষ্টাত মুখা কৰি অৰুণাচল প্ৰদেশত ভাওনা কৰাই সুখ্যাতি লাভ কৰিছিল। ইয়াৰোপৰি ১৯৮৯ চনত ব্ৰৰ্ফচ কাউন্সচিল অৱ ইণ্ডিয়াৰ আমন্ত্ৰণ ক্ৰমে কলকাতা চহৰত মুখাশিল্পৰ প্ৰদৰ্শনী আৰু কৰ্মশালাত অংশগ্ৰহণ কৰি এই খাটপাৰ সত্ৰৰ শিল্পীয়ে ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৯৮ চনত গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাবে "স্যমন্তক হৰণ" মুখাভাওনা সম্প্ৰচাৰ কৰা হয়। অসম চুক্তিৰ আধাৰত প্ৰতিষ্ঠিত হোৱা অসম শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰলৈ ১৯৯৯-২০০১ চনলৈ প্ৰায় এশটা মুখা সংৰক্ষণৰ বাবে নিয়া হয়। ইয়াত বিভিন্ন সময়ত হোৱা কৰ্মশালা, নাট সমাৰোহ আদিত শ্ৰীশ্ৰী খাটপাৰ সত্ৰৰ শিল্পীয়ে সত্ৰাধিকাৰ হেমকান্ত মহন্তদেৱৰ নেতৃত্বত বহুবাৰ অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰে। সত্ৰাধিকাৰ হেমকান্ত মহন্তৰ আন এক নেতৃত্বত ২০০৩ চনৰ গণতন্ত্ৰ দিৱসৰ সাংস্কৃতিক প্ৰতিযোগিতাত এই খাটপাৰ সত্ৰৰ মুখাৰ আৰ্হিৰে প্ৰতীকপট তৈয়াৰ কৰি দিল্লীত পথৰ শোভাযাত্ৰাত সত্ৰৰ ১০ টা বিভিন্ন মুখাপিন্ধি কৰা শোভাযাত্ৰাত অংশগ্ৰহণ কৰি দ্বিতীয় শ্ৰেষ্ঠ পুৰস্কাৰ লাভ কৰিবলৈ অসম ৰাজ্য সক্ষম হৈছিল। তাৰবাবে সেই সময়ৰ ৰাষ্ট্ৰপতি এ. পি. জে. আব্দুল কালামে ৩ ফেব্ৰুৱাৰী তাৰিখে ৰাষ্ট্ৰপতি ভৱনৰ দৰবাৰ হলত মুখা ভাওনা কৰিবলৈ নিমন্ত্ৰণ কৰাত মুখা ভাওনাৰ এটি দৃশ্য প্ৰদৰ্শন কৰাত শিল্পী তথা সত্ৰৰ সত্ৰাধিকাৰ হেমকান্ত মহন্তদেৱক আকোৱালি ধৰি সম্বৰ্দ্ধনা জনাইছিল। বিভিন্ন সময়ত ভাৰতৰ বিভিন্ন মাগুলিক কলাকেন্দ্ৰ সমূহ EZCC, SZCC, NEZCC আৰু ললিত কলা একাডেমীৰ মুখাশিল্পৰ প্ৰদৰ্শন কৰি আৰু ইয়াৰ কৰ্মশালাত গুৱাহাটী কলিকতা, ভুৱনেশ্বৰ, ভূপাল, কেৰেলা, মুম্বাই আৰু দিল্লীত অংশগ্ৰহণ কৰি অসমীয়া সংস্কৃতিৰ পৰিচয় দাঙি ধৰিছিল। ইয়াৰোপৰি ২০০৪ চনত কেৰেলাত অনুষ্ঠিত আন্তৰ্জাতিক ৰামায়ণ চলচ্চিত্ৰ প্ৰদৰ্শন মহোৎসৱলৈ নিমন্ত্ৰণ পাই "সুন্দৰা কাণ্ড" আৰু "কিষ্কিন্ধা কাণ্ড"ৰ দুখন অংকীয়া নাটৰ মুখা ভাওনা প্ৰদৰ্শন কৰাই ভূয়সী প্ৰশংসা লাভ কৰিছিল। লগতে দিল্লীত অনুষ্ঠিত কমনৱেলথ গেমচ মহোৎসৱত সৰ্বভাৰতীয় মুখাশিল্প প্ৰদৰ্শন কাৰ্য ক্ৰমণিকাত অংশগ্ৰহণ কৰাৰ নিমন্ত্ৰণী পাই এই খাটপাৰ সত্ৰৰ তৰফৰ পৰা ২০১০ চনৰ ২৯ অক্টোবৰ তাৰিখে "স্যমন্তক হৰণ" মুখা ভাওনা কৰি ভাৰতৰ ভিতৰতে শ্ৰেষ্ঠ দল হিচাপে স্বীকৃতি লাভেৰে অসমৰ সংস্কৃতিক ৰাষ্ট্ৰীয় দৰবাৰত প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছিল। আৰু এই আপাহতে ভাৰত চৰকাৰে হস্ততাঁত বস্ত্ৰশিল্প মন্ত্ৰনালয়ৰ পৰা সত্ৰাধিকাৰ হেমকান্ত মহন্ত ডাঙৰীয়ালৈ অসমৰ হৈ প্ৰথমজন "শিল্পগুৰু" উপাধি প্ৰদান কৰে। ইমানতে সীমিত নেৰাখি অসমীয়া কলা-সংস্কৃতিৰ অন্যতম "মুখাশিল্পক" বিশ্ব দৰবাৰত চিনাকী কৰাই দিয়াৰ হেতু তেওঁ অহৰহ প্ৰচেষ্টা চলাই আহিছে। ২০১৩ চনৰ ১৫ আগষ্টত ৰাজ্যিক স্বাধীনতা দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ আমন্ত্ৰণক্ৰমে ৪০ ভাগ বিভিন্ন প্ৰকাৰৰ মুখাৰ শোভাযাত্ৰা প্ৰদৰ্শন কৰা হয়। ২০১৪ চনৰ ফেব্ৰুৱাৰী মাহত যোৰহাটত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলাৰ সাংস্কৃতিক কাৰ্যসূচীত "স্যমন্ত হৰণ" ভাওনা মুখাৰে প্ৰদৰ্শন কৰা হয়। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত তেখেতে (সত্ৰাধিকাৰ হেমকান্ত মহন্তই) ১৯৮৯ চলত ক্ৰাফ্‌ট কাউঞ্চিল অৱ ইণ্ডিয়াৰ আমন্ত্ৰণ ক্ৰমে কলিকতাৰ ইডেন গাৰ্ডেনত মুখাৰ প্ৰদৰ্শনী আৰু কৰ্মশালাত অংশগ্ৰহণ কৰিছিল আৰু তাৰ পৰাই ৰাছিয়া আৰু জাপানলৈ শিল্পী গৰাকীয়ে নিজেই তৈয়াৰী কৰা ৫ ভাগকৈ মুখা সংৰক্ষণৰ বাবে প্ৰেৰণ কৰে। ২০০২ চনত আমেৰিকালৈ ৭ ভাগ আৰু দিল্লীতস্থিত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলাকেন্দ্ৰ কৰ্তৃপক্ষই শিল্পীগৰাকীৰ পৰা ৫ ভাগ বিভিন্ন ধৰণৰ মুখা সংৰক্ষণৰ বাবে

সংগ্ৰহ কৰি নিয়ে।

শিৱসাগৰ জিলাত "শ্ৰীশ্ৰী খাটপাৰ সত্ৰ"ৰ ছত্ৰছাঁয়াত বৰ্তমান সত্ৰাধিকাৰ ৰেৱকান্ত মহন্তদেৱে সাম্প্ৰতিক জটিল পৰিস্থিতিতো অসমীয়া কলা-সংস্কৃতিৰ অন্যতম বহুমূল্য অৱদান "মুখাশিল্প কলাক" সঞ্জীৱিত কৰি ৰখাৰ দায়িত্ব আৰু এই শিল্পকলাক সংৰক্ষণ কৰি ৰখাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। তেখেতৰ অহৰহ প্ৰচেষ্টাৰ সাধনাত এই শিল্পকলাই পুনৰ মূৰ দাঙি তুলিবলৈ সক্ষম হৈছে। তেখেতৰ এই অমূল্য অৱদান আমাৰ সংস্কৃতিৰ ভঁৰালত চিৰস্মৰণীয় হৈ ৰ'ব আৰু এই শিল্পকলাক সঞ্জীৱিত কৰি ৰখাত স্বদেশৰ সংস্কৃতিপ্ৰেমী জনসাধাৰণে আৰু নৱপ্ৰজন্মই পূৰ্ব ভাৱাদৰ্শ আৰু পৰম্পৰা অনুধাৱণেৰে ৰক্ষা কৰি ইয়াক বৰ্তাই ৰখাত নিজকে যত্নপৰে চেষ্টা কৰা উচিত। অসমীয়া কলা-সংস্কৃতিলৈ বিশেষকৈ "মুখাশিল্প" লৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে "শ্ৰীশ্ৰী খাটপাৰ সত্ৰ"ৰ সত্ৰাধিকাৰ শ্ৰীযুত ৰেৱকান্ত মহন্তদেৱলৈ ২০১৫ চনত ভাৰত চৰকাৰে "সংগীত নাটক অকাডেমী" সন্মানেৰে বিভূষিত কৰে আৰু ২৩ অক্টোবৰ ২০১৫ তাৰিখে সেই সময়ৰ ভাৰতৰ ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীদেৱে ৰাষ্ট্ৰপতি ভৱনত এই বঁটা প্ৰদান কৰে।

**২.৪. "মুখাশিল্পী" ৰেৱকান্ত মহন্তৰ শিল্পী জীৱনৰ পৰিচয় ও জীৱনকৃতিৰ বিষয়েঃ**

**নামঃ** শ্ৰী ৰেৱকান্ত মহন্ত

**পিতৃ-মাতৃৰ নামঃ** প্ৰয়াত গোপীকান্ত মহন্ত, প্ৰয়াত সুন্দৰী মহন্ত

**ঠিকনাঃ** "শ্ৰীশ্ৰী খাটপাৰ সত্ৰ" হাঁহচৰা, **ডাকঘৰঃ** দয়া চাৰিআলি, **জিলাঃ** শিৱসাগৰ **পিনঃ** ৭৮৫৭০১ (অসম)

**জন্মৰ চনঃ** (৫, ব'হাগ, শুক্ৰবাৰ), ১৯৩৫ চন, ১৯ এপ্ৰিল।

**জাতীয়তাঃ** ভাৰতীয়

**ধৰ্মঃ** হিন্দু

**সম্প্ৰদায়ঃ** কায়স্থ

**শিক্ষাগত অৰ্হতাঃ** প্ৰাক্ স্নাতক

**যোগাযোগ নম্বৰঃ** ৭৮৯৬৭ - ৩৭০৪২/৯৬৭৮২-৯৫০-৬১

**জীৱন সাধনাঃ**

ক) শিল্পী ৰেৱকান্ত মহন্তদেৱে বাল্যকালৰ পৰাই পিতৃৰ পদাংক অনুসৰণ কৰি সত্ৰীয়া গীত, বাদ্য, নৃত্য, অভিনয়, শিল্পকলা তথা ব্যৱহাৰিক শিক্ষা গ্ৰহণ কৰে।

খ) ১৯৬২ চনত হাঁহচৰা মৌজাত স্ত্ৰী-শিক্ষাৰ একমাত্ৰ শিক্ষানুষ্ঠান "হাঁহচৰা উচ্চ মাধ্যমিক বালিকা বিদ্যালয়" শিল্পী ৰেৱকান্ত মহন্তদেৱে প্ৰতিষ্ঠা কৰিছিল আৰু এই শিক্ষানুষ্ঠানতে সুদীৰ্ঘ ১৯ টা বছৰ বিনা বেতনেৰে কাৰ্যনিবাহ কৰি ১৯৯৬ চনৰ মাৰ্চ মাহত এই বিদ্যালয়ৰ পৰা প্ৰতিষ্ঠাপক প্ৰধান শিক্ষকৰূপে অৱসৰ গ্ৰহণ কৰে।

গ) ১৯৯৫ চনত হাঁহচৰা অঞ্চলৰ দাঁতিকাষৰীয়া ৰাইজৰ দীৰ্ঘদিনীয়া এক প্ৰচেষ্টাক সাৱোগত কৰি মুখাশিল্পী ৰেৱকান্ত মহন্তদেৱৰ প্ৰত্যক্ষ ভূমিকাত জাতীয় বিদ্যালয়ৰ আৰ্হিত "বিদ্যাভৱন" নামেৰে এক শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰা হয়।

ঘ) ২০০৪ চনৰ ২৮ আগষ্টৰ পৰা ভাৰত চৰকাৰৰ সাংস্কৃতিক দপ্তৰৰ অনুমোদন ক্ৰমে উত্তৰপূৰ্ব ক্ষেত্ৰ সাংস্কৃতিক কেন্দ্ৰই (NEZCC) 'গুৰু শিষ্য পৰম্পৰা আঁচনিৰ' অধীনত মুখা শিল্পী ৰেৱকান্ত মহন্তদেৱক মুখাশিল্পৰ গুৰু হিচাবে স্বীকৃতি প্ৰদান কৰি ৪ জন নিৰ্বাচিত প্ৰশিক্ষাৰ্থীক দুবছৰীয়া মুখাশিল্পীৰ প্ৰশিক্ষণ প্ৰদানৰ বাবে দায়িত্ব অৰ্পণ কৰে।

ঙ) ২০০৫ চনত গুৱাহাটী বিবেকানন্দ কেন্দ্ৰত অনুষ্ঠিত মুখাশিল্প আৰু সাঁচিপাত প্ৰস্তুতকৰণৰ কৰ্মশালাত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে।

চ) ২০০৬ চনত শিৱসাগৰৰ সামাজিক-সাংস্কৃতিক অগ্ৰণী অনুষ্ঠান "ঈকষণে" আয়োজন কৰা মুখা শিল্পকলাৰ কৰ্মশালাত প্ৰায় শতাধিক বিভিন্ন বয়সৰ লোকক মুখাশিল্পৰ শিক্ষা প্ৰদান কৰে মুখা শিল্পী ৰেৱকান্ত মহন্তদেৱে।

ছ) ২০০৯ চনত ভাৰত চৰকাৰৰ দ্বাৰা মুম্বাই পি.এল. দেশপাণ্ডে একাডেমীত আয়োজিত 'Multimedia' মুখা-শিল্পৰ কৰ্মশালাত শিল্পীগৰাকীয়ে প্ৰশিক্ষণ প্ৰদান কৰে।

জ) ২০১০ চনত কমনৱেলথ ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ অংশস্বৰূপ "আখ্যান" শীৰ্ষক মুখা আৰু পুতলা নাচৰ মহোৎসৱত শিল্পীগৰাকীয়ে "স্যমন্ত হৰণ" মুখা ভাওনা প্ৰদৰ্শন কৰে।

ঝ) ২০১৩ চনৰ ১৫ আগষ্টত ৰাজ্যিক স্বাধীনতা দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ আমন্ত্ৰণক্ৰমে ৪০ ভাগ বিভিন্ন প্ৰকাৰৰ মুখাৰ শোভাযাত্ৰা প্ৰদৰ্শন কৰে।

ঞ) ২০০৩ চনত গণতন্ত্ৰ দিৱসৰ দিল্লীৰ ৰাষ্ট্ৰীয় সমাৰোহত মুখাশিল্পী ৰেৱকান্ত মহন্তদেৱৰ হস্তনিৰ্মিত মুখাৰ আৰ্হিত অসমৰ প্ৰতীকপট নিৰ্মাণ কৰা হয়। আৰু তেখেতে সজা ১০ ভাগ বিভিন্ন মুখা পৰিধান কৰি গ্ৰহণ কৰা সাংস্কৃতিক কাৰ্যক্ৰমত অসমে দেশৰ ভিতৰতে ৰাষ্ট্ৰীয় পৰ্যায়ত দ্বিতীয় শ্ৰেষ্ঠ



Scanned with OKEN Scanner

ৰাজ্যৰ সন্মান লাভ কৰে।

ট) অসমৰ ধৰ্ম-সংস্কৃতি তথা মুখাশিল্পৰ সম্পৰ্কত বিভিন্ন তথ্য সন্নিৱিষ্ট কৰি নৱপ্ৰজন্মৰ উৎসাহী অনুসন্ধানকাৰী সকলক অনুপ্ৰাণিত কৰিব পৰাকৈ বহু প্ৰবন্ধ বিভিন্ন বাৰ্তালোচনী, স্মৃতিগ্ৰন্থ আদিত লিপিবদ্ধ কৰাৰ নিৰলস প্ৰচেষ্টা মুখাশিল্পী গৰাকীয়ে বৰ্তমানো কৰি আহিছে।

**মুখাশিল্পী গৰাকীৰ জীৱনকৃতি আৰু সন্মান ঃ**

সুদীৰ্ঘ আয় ৮০ টা বছৰ অসমীয়া কলা-সংস্কৃতিত, শিল্পকলাত নিৰ্মজিত মুখাশিল্পী ৰেৱকান্ত মহন্তদেৱে তেখেতৰ মুখাশিল্প আৰু অসমীয়া লোক সংস্কৃতিলৈ আগবঢ়োৱা অৱদানৰ বাবে জীৱনত বিশেষ কৃতিত্ব তথা সন্মান বুটলিবলৈ সক্ষম হৈছে।

১) ১৯৬২ চনত হাঁহচৰা মৌজাত স্থাপিত হোৱা তেতিয়াৰ একমাত্ৰ স্ত্ৰী-শিক্ষাৰ শিক্ষানুষ্ঠান "হাঁহ চৰা উচ্চ মাধ্যমিক বালিকা বিদ্যালয়"ৰ প্ৰতিষ্ঠাপক শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰে।

২) ১৯৯৫ চনত তেখেতৰ প্ৰত্যক্ষ ভূমিকাত "বিদ্যাভৱন" নামেৰে এক শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰা হয়।

৩) শিৱসাগৰ জিলাৰ সত্ৰ-মহাসভাৰ ১৭টা বৰ্ষৰ সম্পাদক আৰু ২টা বৰ্ষ সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰিছিল।

৪) ২০০৪ চনত ২৮ আগষ্টৰ পৰা ভাৰত চৰকাৰৰ সাংস্কৃতিক দপ্তৰৰ অনুমোদনক্ৰমে উত্তৰ-পূৰ্ব ক্ষেত্ৰ সাংস্কৃতিক কেন্দ্ৰই (NEZCC) "গুৰু শিষ্য পৰম্পৰা" আঁচনিৰ অধীনত মুখাশিল্পী ৰেৱকান্ত মহন্তদেৱক "মুখাশিল্পৰ গুৰু" হিচাবে স্বীকৃতি প্ৰদান কৰে।

৪) ২০১০ বৰ্ষত ভাৰত চৰকাৰে হস্ততাঁত বস্ত্ৰশিল্প মন্ত্ৰালয়ৰ তৰফৰ পৰা মুখাশিল্পী ৰেৱকান্ত মহন্তদেৱলৈ অসম ৰাজ্যৰ হৈ প্ৰথম বাৰৰ বাবে "শিল্পগুৰু" উপাধি প্ৰদান কৰে।

৬) ২০০০ চনত ভাৰত ললিত কলা একাডেমী আৰু শ্ৰীমন্ত শংকাদেৱ কলাক্ষেত্ৰ সমাজৰ সৌজন্যত অনুষ্ঠিত উত্তৰ পূৰ্বাঞ্চল আৰু পশ্চিমবঙ্গীয় মুখাশীৰ্ষক কৰ্মশালা 'মুখ্য প্ৰশিক্ষক' হিচাপে সন্মানিত কৰে।

৭) ২০০৩ চনত গণতন্ত্ৰ দিৱসৰ দিল্লীৰ ৰাষ্ট্ৰীয় সমাৰোহত মুখাশিল্পী ৰেৱকান্ত মহন্তদেৱৰ হাতেৰে নিৰ্মিত মুখাৰ আৰ্হিত অসমৰ প্ৰতীকপট নিৰ্মাণ কৰা হৈছিল। আৰু তেখেতৰ দ্বাৰা সজা ১০ ভাগ বিভিন্ন মুখা পৰিধান কৰি গ্ৰহণ কৰা সাংস্কৃতিক কাৰ্যক্ৰমত অসম ৰাষ্ট্ৰীয় পৰ্যায়ত দেশৰ ভিতৰতে 'দ্বিতীয় শ্ৰেষ্ঠ' ৰাজ্যৰ সন্মান লাভ কৰে।

৮) অসমৰ মুখা ভাওনাৰ প্ৰতীকপটৰ প্ৰতি আপ্লুত হৈ ২০০৩ চনৰ ৪ এপ্ৰিল তাৰিখে সেই সময়ৰ ভাৰতৰ ৰাষ্ট্ৰপতি এ. পি. জে. আব্দুল কালামে মুখাশিল্পী গৰাকীক তেখেতৰ দৰবাৰ হললৈ মুখাভাওনাৰ প্ৰদৰ্শনৰ বাবে আমন্ত্ৰণ জনায়। আৰু দুয়োৰে দুয়োক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছিল।

৯) ২০১৫ বৰ্ষত মুখাশিল্পৰ বাবে ভাৰত চৰকাৰে শিল্পী ৰেৱকান্ত মহন্তক "সংগীত নাটক অকাডেমী" সন্মানেৰে বিভূষিত কৰে আৰু ২৩ অক্টোবৰ, ২০১৫ তাৰিখে ৰাষ্ট্ৰপতি ভৱনত ভাৰতৰ তেতিয়াৰ ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীদেৱে এই বঁটা প্ৰদান কৰে।

১০) ২০১৯ চনত অসম চৰকাৰে শিল্পীগৰাকীক "বিষ্ণু ৰাভা বঁটা"ৰে সন্মানিত কৰে।

**৩.০. উপসংহাৰ ঃ**

অসমীয়া কলা-সংস্কৃতিৰ ইয়াৰ শিল্পকলাৰ এক নিজস্ব সুকীয়া পৰিচয় আছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ হাতৰ পৰশত প্ৰাণ পাই উঠা অসমৰ বহুতো লোক-সংস্কৃতিৰ শিক্ষকলাই অসমীয়া কলা-সংস্কৃতিক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱাৰ লগতে অসমীয়া সংস্কৃতিৰ এক নিজস্ব স্বকীয়তা ধৰি ৰখাত ভূমিকা অক্ষুণ্ণ ৰাখিছে। অসমৰ কলা-সংস্কৃতিৰ অন্যতম প্ৰাচীন শিল্পকলা "মুখা-শিল্প"ই কলা-সংস্কৃতিৰ ভঁৰাল চহকী কৰি তোলাৰ লগতে ইয়াৰ শিপা ধৰি ৰখাত বিশেষ স্থান অক্ষুণ্ণ ৰাখি আহিছে। অসমৰ বিভিন্ন প্ৰান্তৰ লগতে শিৱসাগৰ জিলাত অৱস্থিত 'শ্ৰীশ্ৰী খাটপাৰ সত্ৰ'ৰ সত্ৰাধিকাৰ, মুখাশিল্পী ৰেৱকান্ত মহন্তদেৱে হেৰাই যাব খোজা মুখাশিল্পক সাম্প্ৰতিক সময়তো সুদীৰ্ঘ ৮০ টা বছৰে অশেষ অৱদান তথা ইয়াৰ সংৰক্ষণতাৰ আৰু প্ৰয়োজনীয়তাক অসমীয়া সমাজৰ লোকসকলৰ মাজত আৰু নৱপ্ৰজন্মক উৎসাহী কৰি তোলাত এই বিশেষ গৱেষণামূলক অধ্যয়নৰ আলোচনা আগবঢ়াই বিশেষ ভূমিকা গ্ৰহণ কৰিব। সেয়েহে, শেষত ক'ব পাৰি যে, সাম্প্ৰতিক সময়ৰ জটিল সন্ধিক্ষণত, ব্যস্ততাপূৰ্ণ জীৱনৰ মাজত, আধুনিকতাবাদী দৃষ্টিভংগীৰে ভৰপূৰ মানসিকতাৰ লোকসকলৰ লগতে নৱপ্ৰজন্মৰ মাজত অসমীয়া কলা-সংস্কৃতিৰ অন্যতম প্ৰাচীন শিল্পকলাসমূহৰ বিষয়ে বিশেষকৈ সময়ৰ খোজত হেৰাই যাব খোজা "মুখাশিল্প"ক ধৰি ৰখাৰ প্ৰাসংগিকতা অধিক।

*"শিল্পী মই তিনিও কালৰ; অতীতৰ, বৰ্ত্তমানৰ, অনাগত ভৱিষ্যতৰ"।*



Scanned with OKEN Scanner


## "স্থিৰচিত্ৰ এলবাম"















"শ্ৰীশ্ৰী খাটপাৰ সত্ৰ আৰু মুখাশিল্পীগৰাকীৰ সৈতে আমি তোলা কিছু স্থিৰচিত্ৰ"













"মুখাশিল্পী গৰাকীৰ জীৱনকৃতিৰ কিছু স্থিৰচিত্ৰ"
















"শিল্পীগৰাকীৰ দ্বাৰা নিৰ্মিত বিভিন্ন মুখাৰ চিত্ৰ"













"অন্যান্য স্থিৰচিত্ৰসমূহ"

# শ্ৰীশ্ৰী ৰামখাপীঠ দেৱালয়- এক অধ্যয়ন

**১.০ অৱতৰণিকা ঃ**

উত্তৰ-পূৰ্বাঞ্চলৰ কেন্দ্ৰস্থল অসমৰ এটা সমৃদ্ধিশালী ইতিহাস আছে। অতি প্ৰাচীন কালৰে পৰা আমাৰ অসমত শক্তি পূজাৰ প্ৰচলন হৈ আহিছে। শক্তি পূজাৰ প্ৰচলনৰ ক্ষেত্ৰত আমাৰ ভাৰতবৰ্ষও ইতিহাস প্ৰসিদ্ধ। প্ৰাচীন হৰপ্পা আৰু মহেঞ্জোদাৰোত উদ্ধাৰ হোৱা মৃন্ময়ী দেৱী মূৰ্তিসমূহে ইয়াৰ সাক্ষ্য বহন কৰে। প্ৰকৃততে বিশ্ব ব্ৰহ্মাণ্ডত বিৰাজমান এক প্ৰবল সত্য শক্তিয়েই দেৱী শক্তি, যাক আমি নাৰী শক্তি হিচাপে কল্পনা কৰি পূজা অৰ্চনা কৰি আহিছো। 'শক' শব্দ 'ঐশ্বৰ্য্যবাচক' আৰু 'তি' শব্দ 'পৰাক্ৰমবাচক' অৰ্থাৎ যি ঐশ্বৰ্য্য আৰু পৰাক্ৰম স্বৰূপ হৈ সকলোকে মংগল প্ৰদান কৰে তেওঁৰে নাম 'শক্তি বা প্ৰকৃতি'।

আমাৰ দেশ ভাৰতবৰ্ষত এই এক অদৃশ্য তথা অলৌকিক নাৰী শক্তিক প্ৰাচীন কালৰে পৰা যে পূজা কৰি অহা হৈছে তাৰ উদাহৰণ শক্তিপীঠ সমূহে দাঙি ধৰে। কোৱা হয় যে, এই শক্তিপীঠসমূহ সৃষ্টিৰ আঁৰতো এক কাহিনী বিৰাজমান হৈ আছে। দক্ষ ৰজাৰ জীয়ৰী সতীদেৱীয়ে পিতৃৰ বিনা অনুমতিত মহাদেৱ শিৱক স্বামীবৰণ কৰিছিল। পিতৃয়ে জীয়েকৰ এনে কাণ্ডত অসন্তুষ্ট হৈ তেওঁৰ অপমানৰ পোতক তুলিব বিচাৰিছিল। সেই উদ্দেশ্যে তেওঁ এক যজ্ঞৰ আয়োজন কৰি মহাদেৱৰ বাহিৰে সকলোকে নিমন্ত্ৰণ জনাইছিল। কিন্তু এই যজ্ঞত মহাদেৱ উপস্থিত হোৱাত দক্ষ ৰজাই জীয়েক সতীদেৱী আৰু নিমন্ত্ৰিত অতিথিৰ সন্মুখতে মহাদেৱক অপমান কৰে। স্বামীৰ এই অপমান সহ্য কৰিব নোৱাৰি দেৱী সতীয়ে আত্মাহুতি দিয়ে। পত্নীৰ আকস্মিক বিয়োগত মহাদেৱে খং আৰু শোকত ম্ৰিয়মান হৈ সতীদেৱীৰ মৃতদেহ কান্ধত লৈ গুচি আহে আৰু তেনেকৈ ক্ৰোধত তাণ্ডৱ নৃত্য কৰিবলৈ লয়। তেতিয়া ভগৱান বিষ্ণুৱে সুদৰ্শন চক্ৰৰে দেৱীৰ মৃতদেহ কাটি ৫১ টা খণ্ড কৰি পেলায়। সেই ৫১ টা খণ্ড য'ত পৰে তাতে একোখন দেৱীপীঠ গঢ় লৈ উঠে। অসমত থকা সৰ্বমুঠ তিনিখন শক্তিপীঠৰ ভিতৰত দেৱীৰ মূৰৰ অংশ পৰিছিল ধেমাজিৰ কেঁচাইখাতী, বুকুৰ পৰা নাভীৰ অংশ ৰামখাপীঠত আৰু নাভীৰ পৰা তলৰ অংশ কামাখ্যা ধামত পৰিছিল। লোকচক্ষুৰ পৰা আঁতৰত থকা শিৱসাগৰ জিলাৰ দিখৌ মুখত অৱস্থিত ৰামখাপীঠ দেৱালয়ৰ বিষয়ে অধ্যয়ন কৰি পোৱা কিছু তথ্য এই গৱেষণা অধ্যয়নৰ জৰিয়তে আলোকপাত কৰা হ'ল।

**১.০১ বিষয়ৰ পৰিচয় ঃ**

কালিকা পুৰাণত উল্লেখিত মহান তত্ত্বপীঠৰ ভিতৰত অন্যতম 'ৰামখাপীঠ দেৱালয়'। শিৱসাগৰ জিলাৰ ভিতৰুৱা অঞ্চল দিখৌ মুখতেই প্ৰাক্-আহোম যুগৰ শক্তিপীঠ ৰামখাপীঠ দেৱালয় অৱস্থিত। শিৱসাগৰ জিলাৰ দিখৌ, দৰিকা, ব্ৰহ্মপুত্ৰৰ সংগমস্থলীত অৰ্থাৎ ত্ৰিবেণী সংগমত অৱস্থিত এই প্ৰাচীন জাগ্ৰত পীঠক পূৰ্বে দেওশাল বুলি জনা গৈছিল। ইতিহাসে ঢুকি পোৱাৰ বহু পূৰ্বৰে পৰা দেৱী দুৰ্গাৰ পূজা অনুষ্ঠিত কৰি অহা হৈছে শিৱসাগৰৰ ঐতিহাসিক শ্ৰীশ্ৰী ৰামখাপীঠ দেৱালয়ত। আধুনিকতাৰ পৰশ এতিয়াও পৰিবলৈ দিয়া নাই এই পীঠৰ পূজাত বলি বিধানৰ লগতে বৈদিক নীতিৰে মূৰ্তিৰ পৰিৱৰ্তে দেৱীৰ বিগ্ৰহক পূজা কৰা হয় এই দেৱালয়ত।

**১.০২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

এই প্ৰকল্পটি প্ৰস্তুত কৰি উলিওৱাৰ আঁৰত বহুতো লক্ষ্য আৰু উদ্দেশ্য হাতত লোৱা হৈছিল। সেই সমূহ এনেধৰণৰ-

(১) ঐতিহাসিক ৰামখাপীঠ দেৱালয়ৰ বিষয়ে অধ্যয়ন কৰা।

(২) পীঠখনৰ বিষয়ে সঠিক আৰু শুদ্ধ তথ্য আহৰণ কৰা।

(৩) পীঠখনৰ সন্দৰ্ভত জনসাধাৰণক অৱগত কৰোৱা।

**১.০৩ অধ্যয়নৰ পদ্ধতি ঃ**

১। সংগ্ৰহ কৰা তথ্যসমূহ ফলপ্ৰসূভাৱে প্ৰক্ৰিয়াকৰণ আৰু ব্যাখ্যা কৰিবলৈ উপযুক্ত বিশ্লেষণাত্মক পদ্ধতি ব্যৱহাৰ কৰা হৈছে।

২। প্ৰাথমিক আৰু গৌণ তথ্যৰ ওপৰত অধ্যয়ন কৰি সিদ্ধান্ত আগবঢ়োৱা হৈছিল, য'ত ক্ষেত্ৰ পৰ্যবেক্ষণ, সাক্ষাৎকাৰ

আৰু কিতাপৰ তথ্য অন্তৰ্ভুক্ত।

৩। অধ্যয়নৰ ক্ষেত্ৰৰ পৰা ভিডিঅ' আৰু আলোকচিত্ৰৰ মাধ্যমেৰে নমুনা সংগ্ৰহ কৰা হৈছিল।

**১.০৪ অধ্যয়নৰ পৰিসৰ ঃ**

১। প্ৰচাৰ বিমুখ ৰামখাপীঠ দেৱালয়ৰ ঐতিহাসিক গুৰুত্ব অন্বেষণ কৰা।

২। পীঠখনত উদ্ধাৰ হোৱা ঐতিহাসিক সম্পদৰাজিৰ বিষয়ে বিশ্লেষণ কৰা।

৩। শক্তিপীঠ খনিত অতীজৰে পৰা বৰ্তমানলৈকে চলি থকা বলি বিধান আৰু অন্যান্য পৰম্পৰা সন্দৰ্ভত আলোকপাত
কৰা।

১। ঐতিহাসিক ৰামখাপীঠ দেৱালৰ সম্পদৰাজিৰ ওপৰত ভিত্তি কৰি পৰ্যটনৰ উন্নয়নৰ সম্ভাৱনা মূল্যায়ন কৰা।

**১.০৫ অধ্যয়নৰ গুৰুত্ব ঃ**

অসমৰ ইতিহাসৰ পাতনি মেলি চালে আমি এনে কিছুমান সমল পাওঁ যিসমূহে আমাৰ সমৃদ্ধিশালী ইতিহাসক সোঁৱৰাই থাকে। দিখৌ মুখত অৱস্থিত ৰামখাপীঠ দেৱালয়ো তাৰ এক উৎকৃষ্ট উদাহৰণ। অতীজৰে পৰা সতীদেৱীৰ স্থিতিক সোঁৱৰাই থকা এই দেৱালয়খনি বৰ্তমানো প্ৰচাৰ বিমুখ অৱস্থাত আছে। এই দেৱালয়খনিৰ বিষয়ে কিছু তথ্য আহৰণ কৰি তাক প্ৰকল্প আকাৰত প্ৰস্তুত কৰাৰ আমি প্ৰয়োজনবোধ কৰোঁ। গতিকে আমাৰ অধ্যয়নৰ বিষয়বস্তু হিচাপে এই শক্তিপীঠখনক আমি নিৰ্বাচন কৰো।

প্ৰকৃততে কি অৰ্থত এই দেৱালয়খনিৰ জন্ম হ'ল, ইয়াত থকা ঐতিহাসিক সমল, বলি-বিধান প্ৰথা আদি সকলোবোৰ আমাৰ অধ্যয়নৰ গুৰুত্ব অন্তৰ্ভুক্ত কৰি লওঁ। আমি যদি অসমৰ চাৰিওফালে এতিয়াও চকু ফুৰাই চাওঁ তেতিয়া আমি এনে বহুতো সমল দেখিবলৈ পাম, যিসমূহে বৰ্তমানো বহুলোকৰ বাবে অজ্ঞাত। কিন্তু অসমীয়া হিচাপে এই সমলসমূহৰ বিষয়ে জনা আৰু ইয়াক সংৰক্ষণ কৰা আমাৰ সকলোৰে বাবে দায়িত্ব আৰু কৰ্তব্য। গতিকে আমি এই দেৱালয়খনিৰ বিষয়ে বিতংকৈ জানিবৰ বাবেই অধ্যয়নৰ বিষয় হিচাপে ইয়াক বাচি লওঁ।

**২.০০ বিষয়ৰ বৰ্ণনা ঃ**

অসমৰ শাক্ত পৰম্পৰাৰ এক স্বৰ্ণিল ইতিহাস হৈছে ৰামখাপীঠ দেৱালয়। ঐতিহাসিক সমীক্ষাৰ মতে ইয়াক দেৱালয় নুবুলি কোৱা হৈছিল 'ৰামখা'দেওশাল। শিৱসাগৰ জিলাৰ অতি ভিতৰুৱা অঞ্চল দিখৌমুখত প্ৰাক আহোম যুগৰ শক্তিপীঠ ৰামখাপীঠ দেৱালয় অৱস্থিত। শব্দগত উৎপত্তি অনুসৰি 'ৰমা' নামৰ পৰাও 'ৰামখা' নামৰ উৎপত্তি নুই কৰিব নোৱাৰি। অতি প্ৰাচীন কালৰে পৰাই শাক্ত উপাসনাৰ প্ৰাণকেন্দ্ৰ কামৰূপৰ দিখৌমুখত অৱস্থিত এই ৰামখাপীঠ দেৱালয় বহুলভাৱে অপ্ৰচাৰিত এক জাগ্ৰত শক্তিপীঠ। লোকপৰম্পৰা অনুসৰি এই পীঠত দেৱীৰ বক্ষভাগ অৱস্থিত। ভাৰতবৰ্ষৰ ৫১খন দেৱীপীঠৰ অন্তৰ্গত নহ'লেও ইয়াৰ ইতিহাস অতি প্ৰাচীন। বুৰঞ্জীৰ মতে দিখৌমুখত অৱস্থিত এই শ্ৰীশ্ৰী ৰামখাপীঠ দেৱালয়খন প্ৰাক্-আহোম যুগৰ অৰ্থাৎ আজিৰ পৰা প্ৰায় ৮০০ বছৰ পূৰ্বে চুতীয়া ৰজা সকলৰ দ্বাৰা প্ৰতিষ্ঠা কৰা হৈছিল। প্ৰবাদ আছে যে, আহোমৰ আদি ৰজা স্বৰ্গদেউ চুকাফাই দেশ জয় কৰি ঘূৰি আহি এই ৰামখাপীঠলৈ বলি বিধান আগবঢ়াই আৰু কিছু ধন-সোণ দিয়ে। এই জাগ্ৰত দেৱালয়ৰ দেৱীৰ বিগ্ৰহ দিখৌ নদীয়ে দুবাৰকৈ সামৰি লয়। আকৌ বুৰঞ্জীৰ মতে ১৯৬৯ খ্ৰীষ্টাব্দত স্বৰ্গদেউ লক্ষ্মী সিংহ ৰজা হোৱাৰ কিছু দিনৰ পিছতে বহু সংখ্যক অনুগামীৰে সৈতে দিখৌমুখৰ ৰূপহী নগৰৰ পৰা ৰাজধানীলৈ বুলি দুমাইলমান উজাই যাওঁতে হঠাৎ দিখৌৰ বুকুত স্বৰ্গদেউৰ চৰানাও অচল হৈ গৈছিল। অশেষ কষ্ট কৰিও নাওখন নাৱৰীয়া সকলে লৰাব নোৱৰাত স্বৰ্গদেউৰ নিৰ্দেশমতে দিখৌৰ দুয়োপাৰে কি আছে অমাত্যবৰ্গই দিনটো বিচাৰি অৱশেষত এডোখৰ শিল আৱিষ্কাৰ কৰিলে, কিন্তু শিলডোখৰ লৰাবকে নোৱাৰিলে। বাইলুঙে কুকুৰা ঠেঙেৰে মঙল চাই ক'লে যে, এইডোখৰ সাধাৰণ শিল নহয়, দেৱীৰ অংশহে। বুৰঞ্জীবিদ ভূৱন চন্দ্ৰ সন্দিকৈৰ মতে, স্বৰ্গদেৱে ৰাতিৰ স্বপ্নত দেৱীৰ জাগ্ৰত বিগ্ৰহ দেখি দেৱীৰ অংগ দিখৌৰ গৰ্ভৰ পৰাহে আৱিষ্কাৰ আৰু উদ্ধাৰ কৰিছিল। স্বৰ্গদেৱে প্ৰত্যয় মানি বলিবিধান আগবঢ়ায় ৰামখাপীঠ দেৱালয়ৰ মন্দিৰ নিৰ্মাণ কৰিবলৈ প্ৰতিশ্ৰুত হোৱাত স্বৰ্গদেউৰ নাও লৰিল। খুকুৰখনাৰ বৰ পুতেকক ন-গোসাঁইত দীক্ষা দিয়াই পূজাৰী পাতিলে আৰু দহপুৰা মাটি নিষ্কৰ কৰি দিলে। লগত থাকিল টঙনা নামৰ এটা লগুৱা। পূজা অৰ্চনাত সহায় কৰিবৰ বাবে বৰা, বৰুৱা, বাৰিকক দায়িত্ব দিয়া হ'ল।

উল্লেখ্য যে চুকাফাই ১২২৮ খ্ৰীষ্টাব্দত ৰাজ্য জয় কৰি আহি দেওঘৰীয়াৰ ৰামখা দেওশালত পূজা-অৰ্চনা, বলিবিধান কৰি দেওশাললৈ ধন-সোণ দান কৰিছিল। ১২৬৮ খ্ৰীষ্টাব্দত



Scanned with OKEN Scanner

স্বৰ্গদেউ চুতেউফাই ৰজা হৈয়ে ৰামখা দেওশালত পূজা চলিবলৈ খাজনা ৰেহাই, মাটি আৰু দেওঘৰীয়া মানুহৰ নিয়ম নিবন্ধ কৰোৱাই দিছিল। কিন্তু পৰৱৰ্তী কেইশমান বছৰ এই দেওশাল দিখৌৰ গৰ্ভত সোমাই আছিল। পুনৰ লক্ষ্মী সিংহৰ দিনত আৱিষ্কাৰ হোৱাৰ পিছত সম্পূৰ্ণ হিন্দু ৰীতি-নীতি নিয়মেৰে ৰামখা দেওশালৰ পৰিৱৰ্তে ৰামখাপীঠ দেৱালয়ৰ প্ৰতিষ্ঠা হৈছিল আৰু দেওঘৰীয়া গাঁওখনে ৰাজ পৃষ্ঠপোষকতাত এক নতুন ৰূপ পাইছিল। ব্ৰিটিছ ৰাজত্বকাললৈকে দিখৌমুখ অঞ্চল আৰু দেওঘৰীয়াৰ গুৰুত্ব আছিল সৰ্বাধিক। ১৯৬৯ খ্ৰীষ্টাব্দৰ পৰা এশ বছৰ নৌহওঁতেই এই দেৱালয় পুনৰ দিখৌৱে সামৰি লৈছিল। পূজাৰীৰ স্তুতিত সন্তুষ্ট হৈ দেৱীয়ে স্বপ্নত দেখুওৱা পৰামৰ্শৰ মতে, পিছদিনা দিখৌৰ জলত নিত্যপূজা দি দেৱীৰ বিগ্ৰহ জলৰ পৰা পুনৰুদ্ধাৰ কৰি আনিছিল। তাৰ পিছত এই দেৱালয় ৪/৫ বাৰকৈ স্থানান্তৰ কৰা হৈছে। শ্ৰীশ্ৰী ৰামখাপীঠ দেৱালয়ক কেন্দ্ৰ কৰি বুৰঞ্জীৰ পৰশত নতুনকৈ জিলিকি উঠিল ইটাজান, টাঙোনধোৱা পুখুৰী, মগলৌ পুখুৰী আদি। এই দেৱালয়ত অতীজৰে পৰা খাটি গাৰু বৰঠাকুৰ পৰিয়ালৰ দ্বাৰা বৰ্তমানলৈকে দৈনিক পূজা-অৰ্চনা আৰু প্ৰতিবছৰে বিভিন্ন পূজা যেনে- শিৱৰাত্ৰী, অশোকাষ্টমী আদি আৰু প্ৰতিবছৰে বিস্তৃত কাৰ্যসূচীৰে শ্ৰীশ্ৰী দুৰ্গা পূজা মহোৎসৱ উদ্‌যাপন কৰি আহিছে। যান্ত্ৰিকতা আৰু আধুনিকতাৰ আগমনতো ম্লান নপৰা এই পীঠৰ পৰম্পৰা এই পীঠত দুৰ্গা পূজাত মৃন্ময় মূৰ্তিৰ পৰিৱৰ্তে কিন্তু বৈদিক পৰম্পৰাৰে দেৱীৰ বক্ষস্থলতেই কিন্তু পূজা-অৰ্চনা কৰি আহিছে। এই পীঠত দুৰ্গা পূজা মহোৎসৱত পঞ্চবলি প্ৰথা চলি আহিছে। ইয়াত হাঁহ, ছাগলী, কোমোৱা, জৰা আৰু কুঁহিয়াৰ বলি দিয়া হয়। প্ৰতিবছৰে ইয়ালৈ উজনি-নামনিৰ ভক্তসকলে শ্ৰীশ্ৰী দুৰ্গাপূজা মহোৎসৱতেই হওঁক বা বিভিন্ন সময়তেই মাৰ আশিষ বিচাৰি আহে। ব্ৰহ্মপুত্ৰ আৰু দিখৌ নদীৰ প্ৰবল খহনীয়াত আক্ৰান্ত হৈ বহু স্থানলৈ স্থানান্তৰিত হ'ল এই পীঠখন। এই পীঠখন ৰজা-প্ৰজাক আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে পৰিচয় কৰাইছে।

অসমত যে এনে এখন পীঠ আছে সেয়া সমগ্ৰ অসমবাসীয়ে নাজানে। কিন্তু যিসকলে জানিছে বৰ্তমান কেৱল প্ৰচাৰ মাধ্যমৰ জৰিয়তে হে জানিছে। যি পৰিমাণে এই পীঠখনে ৰাজকীয় মৰ্যাদা আৰু প্ৰচাৰ-প্ৰসাৰ লাভ কৰিব লাগিছিল কিন্তু বৰ্তমানো নাই হোৱা বা নাই পোৱা। চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিছে, সেয়া সঁচাকৈয়ে অতুলনীয় আৰু কৃতজ্ঞতাৰ যোগ্য।

**২.০১ উপসংহাৰ ঃ**

অসমৰ স্বৰ্ণিল ইতিহাসৰ ধ্বজা উৰুৱাই থকা ৰামখাপীঠ দেৱালয়ৰ অধ্যয়নে আমাৰ সন্মুখত অজ্ঞাত এক বৃহৎ জ্ঞানৰ ভাণ্ডাৰ মুকলি কৰি দিয়ে। নীলাচল পাহাৰত স্থিত কামাখ্যা মন্দিৰৰ সন্দৰ্ভত অসমৰ বাহিৰেও দেশ-বিদেশৰ বহুতো লোক জ্ঞাত। যি আমাৰ বাবে অতি গৌৰৱৰ বিষয়। কিন্তু প্ৰাচীন অসমৰ শাক্ত পৰম্পৰাৰ উৎকৃষ্ট নিদৰ্শন এই ৰামখাপীঠ দেৱালয়ৰ বিষয়ে বৰ্তমানো বহু লোকে নাজানে। কিন্তু অসমীয়া হিচাপে এই পীঠখনিক বিশ্বদৰবাৰত পৰিচিত কৰাই দিয়াটো আমাৰ এক দায়িত্ব তথা কৰ্তব্য।

বহু কম পৰিমাণেহে বৰ্তমান এই পীঠখনিৰ প্ৰচাৰ, প্ৰসাৰ তথা আন্তগাঁথনি উন্নতি হৈছে যদিও কামাখ্যাৰ তুলনাত সেইয়া অতি নগণ্য। যিসকলে এই পীঠৰ মহত্বৰ কথা জানে তাৰ বাহিৰে অসমত যে এনে এখন দেৱীপীঠ আছে সমগ্ৰ অসমবাসীয়ে নাজানে। বৰ্তমানো ইয়াৰ যাতায়তৰ ব্যৱস্থা অতি সুচল নহয়। সমগ্ৰ দিখৌমুখ খনেই পৰ্যটনৰ সম্ভাৱনা থকা এক অঞ্চল। গতিকে এই স্থানত অৱস্থিত এনে দেৱীপীঠৰ আন্তঃগাঁথনি উন্নত কৰাটো চৰকাৰ খনৰো এক দায়িত্ব। শাক্ত পৰম্পৰাৰ ধ্বজা কঢ়িয়াই ফুৰা এই পীঠখনিৰ মাহাত্ম্য তথা সৌন্দৰ্য জীয়াই ৰখাটো প্ৰতিজন অসমবাসীৰ দায়িত্ব। ❑

**প্ৰস্তুতকৰ্তা ঃ**
ৰুবী দিহিঙ্গীয়া, ৰূপামণি ভৰালী
বিপাশা কোঁৱৰ, ৰিতুমণি বৰা।

সিপিঠিত ৰামখাপীঠ দেৱালয়ৰ কিছু দৃশ্য —

## ৰামখাপীঠ দেৱালয়ৰ কিছু দৃশ্য














# গৰখীয়া দৌল ঃ এক অধ্যয়ন

## অৱতৰণিকা ঃ

### ০.০১ বিষয়বস্তুৰ পৰিচয় ঃ

ভাৰতৰ উত্তৰ-পূব দিশত অৱস্থিত এখন অগ্ৰণী ৰাজ্য হ'ল - অসম, যিয়ে আজি পৰ্যন্ত হাজাৰটা ঐতিহাসিক ঘটনাৰ সাক্ষী বহন কৰি আহিছে। প্ৰাচীন কালত "কামৰূপ" আৰু "প্ৰাগজ্যোতিষপুৰ" নামেৰে জনা এই ৰাজ্য পাছলৈ "অসম" নামেৰে জনাজাত হ'ল। এই "অসম" নামটোৰ উৎপত্তিৰ ক্ষেত্ৰত বহুজনে বিভিন্ন মত প্ৰদান কৰে। ১২২৮ খ্ৰীষ্টাব্দত পাটকাই পৰ্বত অতিক্ৰম কৰি আহি আহোম সকলে পাছলৈ এই ৰাজ্যত আহোম সাম্ৰাজ্য স্থাপন কৰে। তেওঁলোকে ব্যৱহাৰ কৰা "অচম" শব্দৰ পৰাই "অসম" নামটো সৃষ্টি হোৱা বুলি বহুজনে কয়।

পূৰ্বতে অসমখনক "বৰ অসম" বুলিও কোৱা হৈছিল, কিন্তু সময়ৰ সোঁতত এই ৰাজ্যৰ ভূ-খণ্ড খণ্ড হৈ একোখন জিলালৈ পৰিৱৰ্তিত হ'ল। অন্য ৰাজ্যতকৈ সুকীয়া ঐতিহাসিক বৈশিষ্ট্যৰে সমৃদ্ধ অসম ৰাজ্যখন আছিল পৌৰাণিক বহু ৰজা-মহাৰজাৰ বসতিস্থল। যাৰ বুকুত শ শ বছৰ ধৰি সিঁচৰতি হৈ আছে নানান কীৰ্তি-চিহ্ন, সেইবোৰ দৌল-দেৱালয়ে হওক, পুখুৰীয়ে হওক, মৈদামে হওক বা অন্য কিবা যিসমূহে সোঁৱৰাই আহিছে সেই সময়ৰ বহুখিনি কথা। কোনোটো যদি স্মৃতিত নিৰ্মিত আনটো সুৰক্ষাৰ স্বাৰ্থত, কোনোটো যদি সুবিধাৰ হকে আন কোনোটো প্ৰজাৰ বাবে। মুঠতে, প্ৰতিটো কীৰ্তি-চিহ্নয়ে সেই সময়ৰ সাজ-সজ্জা, কাৰুকাৰ্য, নিৰ্মাণশৈলী আৰু যুদ্ধ-বিগ্ৰহৰ কথা সোঁৱৰাই তোলে। প্ৰতিটো কীৰ্তিৰে নিৰ্দিষ্ট বৈশিষ্ট্য থকা দেখা যায়। এইসমূহ এক নিৰ্দিষ্ট ঠাইতে যে নিৰ্মিত তেনে নহয়, অসমৰ ভিন্ন প্ৰান্তত এই কীৰ্তিসমূহ বৰ্তমানেও সিঁচৰতি হৈ আছে।

অসমৰ চুকে-কোণে আৰু আমাৰ নিজ স্থানীয় অঞ্চলসমূহত এনে কিছুমান পৌৰাণিক কীৰ্তি-চিহ্ন আছে সিসমূহৰ বিষয়ে স্থানীয় বা বিশেষ কিছুমান ব্যক্তিৰ বাদে প্ৰায় অধিকাংশ লোকেই অজ্ঞাত। তেনে এক উদাহৰণ হ'ল- শিৱসাগৰ জিলাৰ নাজিৰা মহকুমাৰ ন-মাটি অঞ্চলত অৱস্থিত 'গৰখীয়া দৌল'। নিৰ্দিষ্ট স্বকীয় বৈশিষ্ট্যৰে সমৃদ্ধ এই দৌলটি যেন হেৰাই গৈছে সময়ৰ সোঁতত। আমি আগুৱাই গৈছো আৰু পাছ পৰি ৰোৱা এই দৌলটিৰ বিষয়ে এক তথ্যভিত্তিক অধ্যয়ন দাঙি ধৰা হ'ল-

### ০.০২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ

এই তথ্যভিত্তিক অধ্যয়নটো কৰাৰ আমাৰ যি লক্ষ্য আৰু উদ্দেশ্য, সেইসমূহ তলত উল্লেখ কৰা হ'ল —

১। ঐতিহাসিক শিৱসাগৰ জিলাৰ আপুৰুগীয়া সম্পদ গৰখীয়া দৌলৰ ইতিহাস সম্পৰ্কে আলোচনা কৰা।
২। স্থানীয় ব্যক্তি বা চৰকাৰী কৰ্তৃপক্ষই এই সম্পদটিৰ লগতে প্ৰাকৃতিক সম্পদসমূহৰো কেনেদৰে সুৰক্ষিত কৰি ৰাখিছে তাক পৰ্যবেক্ষণ কৰা।
৩। সম্পদটিৰ বিষয়ে তথ্য আহৰণ কৰা।
৪। সম্পদটিক সকলোৰে আগত পৰিচয় কৰাই দিয়া।
৫। এই স্থানক পৰ্য্যটকৰ স্থলী হিচাপে চিনাকী কৰি দিয়া।
৬। সম্পদটি সংৰক্ষণৰ বাবে পৰামৰ্শ আগবঢ়োৱা।

### ০.০৩ অধ্যয়নৰ গুৰুত্ব ঃ

ঐতিহাসিক শিৱসাগৰ জিলাৰ ঐতিহাসিক সম্পদ গৰখীয়া দৌল, যি সময়ৰ সোঁতত সীমিত সংখ্যক ব্যক্তিৰ বাবে এক পৰিচিত সম্পদৰূপে অভিহিত কৰাৰ লগতে এই স্থানক পৰ্য্যটকৰ স্থলী হিচাপে চিনাকী কৰি দিয়া, এই সম্পদসমূহৰ সংৰক্ষণ কৰা আৰু নৱপ্ৰজন্মক এই আপুৰুগীয়া সম্পদৰ সুৰক্ষিত কৰাৰ প্ৰতি সচেতন কৰি তোলাৰ ওপৰতে এই অধ্যয়নৰ গুৰুত্ব প্ৰদান কৰা হৈছে।

### ০.০৪ অধ্যয়নৰ পদ্ধতি ঃ


আমি এই অধ্যয়নটো কৰিবলৈ যাওঁতে পৰ্যবেক্ষণ আৰু বৰ্ণনাত্মক পদ্ধতি ব্যৱহাৰ কৰিছোঁ। ইয়াৰ ফলত অধ্যয়নটি সম্পূৰ্ণ হৈছে বুলি আমাৰ বিশ্বাস।

### ১.০০ অধ্যয়নৰ পৰিসৰ ঃ

### ১.০১—গৰখীয়া দৌল

অসমৰ উজনি অংশত অৱস্থিত এখন ঐতিহাসিক জিলা হল শিৱসাগৰ জিলা। এই শিৱসাগৰ চহৰৰ মাজমজিয়াৰ পৰা প্ৰায় ১৩ কি. মি. দূৰত্বত নাজিৰা মহকুমাৰ অন্তৰ্গত নমাটি

অঞ্চলত এই গৰখীয়া দৌলটো অৱস্থিত। আহোমৰ ৰাজধানী চহৰ গৰগাঁওৰ পশ্চিম দিশত ৫-৬ কি.মি. দূৰত্বত দিখৌ নৈৰ বিপৰীতে অথবা দক্ষিণ পাৰে এই দৌলটো অৱস্থিত।




## ১.০২ ইতিহাস ঃ

দলটোৰ ইতিহাস বুলি কলে জনা যায় যে স্বৰ্গদেউ প্ৰতাপ সিংহ ৰাজপাটত বহাৰ পাছত তেওঁ পূৰ্বতে পূজা কৰা শিৱলিংগটি নিজৰ পৰা নিলগাই গৰগাঁও নগৰৰ বিপৰীতে অৰ্থাৎ ন-মাটিত অষ্টকোণীয়া ভেটিৰ বিন্যাসেৰে দৌল নিৰ্মাণ কৰি থাপনা থাপি নিয়মিত পূজা-সেৱা কৰিছিল। এই দৌলেই হ'ল 'গৰখীয়া দৌল বা মহেশ্বৰ দৌল বা মাই দৌল'। এই দৌলটি প্ৰতাপ সিংহৰ দিনত অৰ্থাৎ ১৬০৩- ১৬৪৮ খৃ: ৰ মাজভাগত নিৰ্মিত কৰা হৈছিল। ১৭ শতিকাৰ আগভাগত নিৰ্মিত এই স্থাপত্যটি আহোমসকলে দৌলসভা কলা-কৌশল উন্নয়নৰ প্ৰথম পৰ্যায়ৰ নিদৰ্শন।

## ১.০৩ নিৰ্মাণশৈলী ঃ

১৭ শতিকাৰ আগভাগত নিৰ্মিত এই স্থাপত্যটি সৰু, অষ্টভুজ আকৃতিৰ আৰু শিখৰটো মুজুৰা। এই স্থাপত্যটিত আহোম যুগৰ প্ৰথম পৰ্যায়ত বিকাশ লাভ কৰা ইটাৰ নিদৰ্শন পোৱা যায়। এই দৌলৰ ভিতৰৰ প্ৰতিখন বেৰৰ দৈৰ্ঘ্য ১.২৫ মিটাৰ আৰু বাহিৰত ৩.৭০ মিটাৰ দৌলৰ শিখৰটো ওলোটাকৈ থোৱা চুপি আকৃতিৰ। এই দৌলৰ বাস্তুপুৰুষমণ্ডল বাহিৰে-ভিতৰে আঠকোণীয়া। পূৰ্বে ইয়াৰ সন্মুখত এটা সৰু আকাৰৰ আয়তক্ষেত্ৰাকাৰ মণ্ডপো আছিল। মণ্ডপৰ দীঘ বাহিৰে বাহিৰে ৫.৬৪ মিটাৰ আৰু প্ৰস্থ ৩.৭০ মিটাৰ আছিল। কিন্তু এই মণ্ডপৰ বৰ্তমান কোনো চিন-মোকাম নাই।

দৌলটোত অলংকৰণ হিচাপে দুশাৰী সমান্তৰাল দেৱকোষ্ঠ কটা আছে। এই দেৱকোষ্ঠবোৰ দেখাত সাধাৰণ যদিও মধ্যযুগীয় মন্দিৰৰ গাত থকা দেৱকোষ্ঠতকৈ বেলেগ। দেৱকোষ্ঠৰ সামগ্ৰিক পৰিকল্পনা সমসাময়িক মোগল স্থাপত্যৰ অনুকৰণ বুলি কব পৰা যায়। এই দেৱকোষ্ঠবোৰত কোনো ভাস্কৰ্য্য থকা দেখা নাযায় আৰু নক্সাও অগভীৰ। দেৱকোষ্ঠবোৰ উকাকৈ ৰখাই এই দৌলৰ অলংকৰণ। এই দৌলৰ শিখৰৰ পৰিকল্পনাত পৰম্পৰাগত হিন্দু মন্দিৰ স্থাপত্যৰ প্ৰভাৱ একেবাৰে কমকৈ পৰা পৰিলক্ষিত হয়। কাৰণ হিন্দু মন্দিৰৰ অংগশিখৰ বহুত্বা থাকে, কিন্তু এই দৌলৰ নাই। ইয়াত ইছলামীয় স্থাপত্যৰ প্ৰভাৱ দেখা যায়। উত্তৰফালৰ পৰা ওপৰভাগলৈ দ্বিতীয়, তৃতীয়, চতুৰ্থ আৰু ষষ্ঠবেৰত ১ টাকৈ মুঠ ৩ টা কুম্ভাক্ষ আছে। আনহাতে, উত্তৰফালৰ পৰা দ্বিতীয় আৰু ষষ্ঠবেৰত ১ টাকৈ মুঠ ২ তা চাকি থোৱা খোলৰ ভগ্নাংশ ভাগি-চিগি শেষ হৈ যোৱা অৱস্থাত আছে।




শেষ মধ্যযুগৰ প্ৰথম অৱস্থাত নিৰ্মিত গুৰুত্বপূৰ্ণ স্থাপত্যকলা হিচাপে বিবেচিত মহেশ্বৰ দৌলৰ মণ্ডপ অংশ ইতিমধ্যে ভাগি পৰিছে। এই দৌলৰ কাষতে এটা পুখুৰীও খন্দা হৈছিল। সেই পুখুৰী বৰ্তমানে পোত গৈ সামান্য অৱশেষহে বাকী ৰৈছেগৈ। দৌলত বৰ্তমানেও পূজা-সেৱা কৰা হয়। চৰকাৰী নথিত ৫১ নম্বৰ দাগত এই দৌলৰ বাবে সংৰক্ষিত মাটিকালি ৪ কঠা ১০ লোচা। এই দৌলৰ প্ৰৱেশ পথ পশ্চিমলৈ আছে। দৌলৰ গাত দুয়োফালে জগমোহনৰ ভগ্নাংশ দেখা পোৱা যায়। বৰ্তমান জগমোহনৰ ঠাইত ৰাইজে টিণৰ চালি, লোহৰ খুঁটা-পাৰ্লিঙেৰে মণ্ডপ সাজি লৈছে। এই দৌলৰ অধিষ্ঠানৰ পিৰা আৰু পিৰাৰ ওপৰত লিনতেল দেখা পোৱা নাযায়।

জংঘাৰ উচ্চতা ১১ ফুট ৩ ইঞ্চি, মেৰে ৯৮ ফুট ৬ ইঞ্চি; দ্বিতীয় শাৰীৰ দেৰকোষ্ঠৰ পৰা ২ ফুট ২ ইঞ্চি উচ্চতাত ১ টা সৰু লিনতেলেৰে জংঘা শেষ হৈছে। জংঘাৰ বহিঃ বেৰত, প্ৰবেশ পথৰ বাওঁফালৰ পৰা ক্ৰমান্বয়ে ১ নং বেৰত ২ খন দেৰকোষ্ঠ আৰু জগমোহনৰ ভগ্ন অংশ, ২ নং বেৰত দু শাৰীত ৪ খনকৈ ৮ খন দেৰকোষ্ঠ আছে। ৩,৪,৫ আৰু ৬ নং বেৰ ২ নং বেৰৰ সৈতে সমান দেৰকোষ্ঠযুক্ত আৰু ৭ নং বেৰ ১ নং বেৰৰ বৰ্ণনাৰ সৈতে একেই। জংঘাৰ লিনতেলৰ ওপৰত কিছু সোমাই ২ টা লিনতেল সদৃশ খণ্ডৰ ওপৰত জিকাসিৰৰ গণ্ডী স্থাপিত। ইয়াত ৪৬ ডাল জিকাসিৰ আছে। এই সিৰাবোৰ জংঘাৰ ওপৰৰ ফালৰ গণ্ডীত আৰম্ভ হৈ গণ্ডীৰ প্ৰায় মাজভাগতে বিলীন হৈছে। এই গণ্ডী অংশ সাইলাখ মৌচাক গঢ়ৰ।

**১.৪ উপসংহাৰ ঃ**

কেৱল গৰখীয়া দৌলেই নহয়, শিৱসাগৰ জিলাৰ ঐতিহাসিক কীৰ্তিচিহ্নসমূহৰ গুৰুত্ব তথা সংৰক্ষণ কৰাটো খুবেই প্ৰয়োজন। কাৰণ এই ঐতিহ্যসমূহে জিলাখনক পৃথিৱীৰ ভিতৰতে এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। এই সম্পদসমূহে ইতিহাসৰ সুন্দৰ বৰ্ণনা দিয়ে। সেয়েহে আমি এই সম্পদসমূহক উদ্ধাৰ, সংৰক্ষণৰ ব্যৱস্থাৰ ওপৰত গুৰুত্ব দি ভৱিষ্যত প্ৰজন্মৰ বাবে ধৰি ৰাখিব লাগে। লগতে অসমৰ সংস্কৃতিয়ো অটুট ৰাখিব লাগে। এই সম্পদসমূহেই হ'ল আমাৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত বান্ধোন। গতিকে সিচঁৰিত হৈ থকা মূল্যবান সম্পদসমূহ সংৰক্ষণ কৰি ভৱিষ্যতৰ বাবে সোণালী চিন থৈ যাবৰ বাবে চৰকাৰকআমি সকলোৱে পুৰ্ণ সহযোগিতা আগবঢ়াব লাগে।

**প্ৰস্তুতকৰ্তা ঃ** ইবতিচাম হাজৰিকা, বেবী তামুলী, তনয়া ফাৰহান, মৌচুমী গগৈ।





# শ্ৰীশ্ৰী জৰাবাৰী সত্ৰ-এক বিশ্লেষণাত্মক অধ্যয়ন

**১.০০ অৱতৰণিকা ঃ-**

"তোমাৰ চৰণ চিন্তি যথাত ভকত থাকে
সেহি পূণ্য সেহি তীৰ্থস্থান।
তোমাৰ অমৃত কথা ধাৰায়ে বহয় যথা
তাক যিটোজনে কৰে পান"।।

—

(কীৰ্তনঘোষা, শংকৰদেৱ)

শ্ৰীমন্ত শংকৰদেৱ অসমৰ সংস্কৃতি আৰু সাংস্কৃতিক ইতিহাসৰ প্ৰধান ৰূপকাৰ। সৃষ্টিৰ বিশালতা, সমাজ সংস্কৃতিৰ চিন্তা, দৰ্শন আৰু সমাজৰ বাবে কৰা ত্যাগ আৰু কৰ্ম সাংস্কৃতিক আন্দোলনৰ যুগটোৰ উপৰিও পিছৰ কাললৈকে সুদীৰ্ঘ ইতিহাসৰ কালছোৱাত তেওঁ কেন্দ্ৰীয় পুৰুষৰূপে বন্দিত। ধৰ্ম, কলা, সমাজ সকলো দিশতে তেওঁ নিজে আগবঢ়োৱা অৱদানৰ উপৰিও মাধৱদেৱৰ সৈতে এক হৈ সেই যুগ, সমাজ আৰু সাংস্কৃতিক প্ৰভূতভাৱে সমৃদ্ধ কৰিলে। এই সকলো মিলি যথাৰ্থতে পঞ্চদশ-যোড়শ শতিকাত শংকৰদেৱৰ নেতৃত্বত হোৱা অসমৰ সাংস্কৃতিক আন্দোলন অসমৰ সাংস্কৃতিক ইতিহাসৰ এক স্বৰ্ণময় অধ্যায়।

এই সাংস্কৃতিক আন্দোলনৰ এক অভিনৱ সৃষ্টি হৈছে সত্ৰ। এই সত্ৰসমূহ অসমৰ জাতীয় জীৱনৰ এক অপৰিহাৰ্য অংগ হোৱাৰ উপৰিও অসমীয়া সংস্কৃতিৰো অন্যতম আধাৰ। সত্ৰসমূহ ধৰ্মকেন্দ্ৰিক অনুষ্ঠান হ'লেও ইয়াৰ নৱধা ভক্তিৰে ধৰ্ম প্ৰসংগ কৰা আৰু জীৱক তৰণৰ পথ দেখুওৱাৰ লগতে সাহিত্য, সংগীত, নৃত্য, নাটক, স্থাপত্য-ভাস্কৰ্যৰে কলা সমূহৰ চৰ্চা আৰু অনুশীলন কৰা হয়। এই সত্ৰসমূহৰ পৰা প্ৰৱাহিত হৈ থকা ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক চিন্তাৰ সুপৱিত্ৰ আৰু সুবিমল প্ৰৱাহে নানা ৰাজনৈতিক সামাজিক দুৰ্যোগৰ মাজেদি সুদূৰ ষোড়শ শতাব্দীৰ পৰা অসমীয়া জাতিক ধ্যান-ধাৰণা, সাংস্কৃতিক আৰু চাৰিত্ৰিক বৈশিষ্ট্যৰে মহিমামণ্ডিত কৰি জীয়াই ৰাখিছে।

**১.০১ বিষয়ৰ পৰিচয় ঃ-**

পোনপ্ৰথমে মহাপুৰুষ শংকৰদেৱে সত্ৰানুষ্ঠান প্ৰতিষ্ঠা কৰিলেও পৰৱৰ্তী মহাপুৰুষৰ আজ্ঞাপৰ ধৰ্মপ্ৰচাৰকসকলে চাৰিটা সংহতিত (ব্ৰহ্ম সংহতি, পুৰুষ সংহতি, কাল সংহতি আৰু নিকা সংহতি) বিভিন্ন সত্ৰ প্ৰতিষ্ঠা কৰে। সেই সমূহৰ ভিতৰত এখন লেখত ল'বলগীয়া সত্ৰ হ'ল "শ্ৰীশ্ৰী জৰাবাৰী সত্ৰ"। এই সত্ৰ নিকা সংহতিৰ অন্তৰ্গত। উজনি অসমৰ শিৱসাগৰ জিলাত অৱস্থিত। অসমৰ সমাজ জীৱনলৈ "শ্ৰীশ্ৰী জৰাবাৰী

সত্ৰই মহাপুৰুষীয় ধৰ্ম-সংস্কৃতি পৰম্পৰা, শংকৰী কলা-কৃষ্টিৰ সম্প্ৰসাৰণ প্ৰশিক্ষণ, সত্ৰীয়া নৃত্যৰ গভীৰ চৰ্চাৰে এক গৌৰৱৰ ধ্বজা বোৱাই আহিছে। সত্ৰৰ মণিকূট, কীৰ্ত্তনঘৰ, বাটচৰা, পদশিলা ঘৰ আদিয়ে সত্ৰখনিৰ ঐতিহ্যক পোহৰাই ৰাখিছে। শিৱসাগৰ জিলাৰ জাঁজী জৰাবাৰী অঞ্চলৰ ২০ খনৰো অধিক গাঁৱৰ মধ্যস্থলত অৱস্থিত এই ঐতিহাসিক "শ্ৰীশ্ৰী জৰাবাৰী সত্ৰ"।

**১.০২ বিষয়ৰ পদ্ধতি ঃ-**

বিষয়টো বৰ্ণনামূলক আৰু ক্ষেত্ৰভিত্তিক অধ্যয়ন পদ্ধতিৰ সহায়ত আলোচনা কৰা হৈছে।

**১.০৩ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ-**

অসমৰ পৰ্যটন ক্ষেত্ৰখনক অধিক বিকাশ আৰু প্ৰসাৰ কৰাত পৌৰাণিক সত্ৰসমূহে বিশেষভাৱে অৰিহণা যোগাব পাৰে। অসমৰ বিভিন্ন জিলাত এনে বহু ঐতিহাসিক সত্ৰ আছে, যিসমূহ সত্ৰ পৌৰাণিক সম্পদেৰে ভৰপূৰ হৈ আছে। উজনি অসমৰ পৌৰাণিক জিলাৰ "শ্ৰীশ্ৰী জৰাবাৰী সত্ৰ" প্ৰাচীন সত্ৰসমূহৰ ভিতৰত অন্যতম সত্ৰ। এই সত্ৰ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ হ'ল-

১। সঠিক আৰু শুদ্ধ তথ্য আহৰণ কৰা।

২। জৰাবাৰী সত্ৰৰ ইতিহাসৰ বিষয়ে আলোচনা কৰা।

৩। ঐতিহাসিক আপুৰুগীয়া সম্পদৰাজিৰ বিষয়ে জনা আৰু সমাজৰ আগত প্ৰদৰ্শন কৰা।

৪। ঐতিহাসিক সম্পদৰাজিৰ সংৰক্ষণ, সুৰক্ষিত আৰু পৰিস্কাৰ কৰি ৰখা।

৫। ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে নিজ চকুৰে দেখি তাৰ অসুবিধাসমূহ পৰ্যবেক্ষণ কৰা আৰু ল'ব লগা পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰা।

এনেধৰণৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ আগত ৰাখিয়ে বৰ্তমান আৰু ভৱিষ্যৎ প্ৰজন্মৰ সহায়ক হোৱাকৈ আধ্যয়ন কৰা হৈছে।

**১.০৪ বিষয়ৰ পৰিসৰ ঃ-**

বিষয়ৰ পৰিসৰত সত্ৰৰ পৰিচয় দি সত্ৰৰ উৎপত্তি, শ্ৰীশ্ৰী জৰাবাৰী সত্ৰৰ ইতিহাস, জৰাবাৰী সত্ৰৰ ঐতিহ্য সম্পৰ্কে আলোচনা কৰা হৈছে।

**২.০০ সত্ৰ নামৰ উৎপত্তি ঃ-**

"সত্ৰ" শব্দটো প্ৰথমে "শতপথ ব্ৰাহ্মণ"ত "আহুতি" বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। ভাগৱত গীতাটো এই শব্দটো ভিন্ন ভিন্ন ঠাইত ব্যৱহাৰ কৰা হৈছে। কিন্তু অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ আমোলত ই এক বেলেগ অৰ্থ বহন কৰে। শংকৰদেৱে ধৰ্ম প্ৰচাৰৰ বাবে কিছুকাল থকা স্থানটোৱেই "সত্ৰ" বুলি জনাজাত হয়। গুৰুজনাই বৰদোৱা বা বটদ্ৰৱাত স্থাপন কৰা সত্ৰখনেই প্ৰথম সত্ৰ। তাত তেওঁ এটা প্ৰাৰ্থনা ঘৰ সজায় য'ত নাম-কীৰ্তনৰ লগতে ধৰ্মীয় আলোচনাও হৈছিল। শংকৰদেৱৰ পিছৰ যুগত তেওঁ বা আন আন গুৰুসকলে কিছুকাল থকা সত্ৰসমূহে যেনে বৰদোৱা, বেলগুৰি, বৰপেটা আদিক সত্ৰৰ সলনি 'থান' বুলি কোৱা হ'ল। কোনো কোনো জীৱনীকাৰে অৱশ্যে "সত্ৰ" আৰু "থান"ৰ মাজত প্ৰভেদ নাৰাখে।

**২.০১ সত্ৰ ইতিহাস ঃ-**

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্ম প্ৰচাৰৰ আদিকালতে সত্ৰৰ উৎপত্তি হোৱা বুলি ধাৰণা কৰা হয়। শংকৰদেৱে তেওঁৰ জন্মস্থান বৰদোৱাত প্ৰথমখন সত্ৰ স্থাপন কৰিছিল। নতুনকৈ ধৰ্ম প্ৰচাৰ কৰা ঠাইত তেওঁ 'প্ৰাৰ্থনা ঘৰ' স্থাপন কৰিছিল যি পিছলৈ সাংস্কৃতিক কেন্দ্ৰৰ ৰূপ লয়। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ধৰ্ম প্ৰচাৰৰ বাবে যাত্ৰা কৰোঁতে তেওঁ ঠায়ে ঠায়ে থান স্থাপন কৰিছিল।

শংকৰদেৱৰ প্ৰধান শিষ্য মাদৱদেৱে বৰপেটাত স্থাপন কৰা থানখনেই আছিল সৰ্ববৃহৎ। মাধৱদেৱে এক শৰণ নাম ধৰ্ম প্ৰচাৰৰ দায়িত্ব ন্যস্ত কৰা বাৰজন মুখ্য শিষ্যইও অসমৰ ভিন্ন ভিন্ন ঠাইত থান স্থাপন কৰে। এই ঠাইবোৰেই কালক্ৰমত বৈষ্ণৱ ধৰ্মৰ প্ৰাণকেন্দ্ৰ 'সত্ৰ' নামেৰে জনাজাত হয়।

**৩.০০ জৰাবাৰী সত্ৰৰ ইতিহাস ঃ**



সত্ৰৰ মূল সিংহাসন

শিৱসাগৰ জিলাৰ জাঁজী অঞ্চলৰ ২০খনৰো অধিক গাঁৱৰ মধ্যস্থলত অৱস্থিত ঐতিহাসিক 'শ্ৰীশ্ৰী জৰাবাৰী সত্ৰ'ৰ

এক বৰ্ণিল ইতিহাস আছে। প্ৰবাদ অনুসৰি বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰি থকা সময়ত অবৈষ্ণৱসকলৰ প্ৰৰোচনাত পৰি আহোম ৰজাই শংকৰদেৱক প্ৰমুখ্য কৰি তেওঁৰ শিষ্য-প্ৰশিষ্যসকলক হাতী ধৰা কাৰ্যত নিয়োগ কৰায়। কিন্তু এই কাৰ্যত বিফল হোৱাত আহোম ৰজাই শংকৰদেৱৰ জোঁৱায়েক হৰি আৰু মাধৱদেৱক বন্দী কৰোৱাই। উক্ত বিষয়টো আহোম ৰজাই বিচাৰ কৰি হৰিক মৃত্যুদণ্ড দিয়ে আৰু মাধৱদেৱক মুক্তি দিয়ে আৰু মাধৱদেৱক মুক্তি দিয়ে। বন্দীশালৰ পৰা ওলাই আহি বৰ্তমানৰ জৰাবাৰী সত্ৰৰ থকা ঠাইত বলাই নামৰ এজন বৃদ্ধৰ ওচৰত দুখে-ভাগৰে কিছু সময় আশ্ৰয় ল'লে। বলাইয়ে জৰাটেঙা আৰু মালভোগ কলেৰে গুৰুজনাক আপ্যায়নৰ ব্যৱস্থা কৰে আৰু তাতেই মাধৱদেৱে বন্তি প্ৰজ্বলন কৰি বিয়লি প্ৰসংগ কৰে আৰু তেওঁ বৰ্তমানৰ ঢেঁকীয়াখোৱালৈ ৰাওনা হয়।

বুৰঞ্জীৰ তথ্য অনুসৰি কান্যকুঞ্জৰ সাঠৰিগ্ৰামৰ পৰা অহা বাসুদেৱ ভূঞাৰ পুত্ৰ গোপীনাথ আতৈয়ে দিহিঙৰ সমীপৰ টিপলিং নদীৰ পাৰৰ টিপামত ৰজা জয়ধ্বজ সিংহৰ দিনত এই সত্ৰখনি প্ৰতিষ্ঠা কৰে। অৱশ্যে টিপামত সত্ৰখনি স্থায়ী কৰাৰ সুবিধা নেদেখি স্বৰ্গদেউ শিৱসিংহৰ দিনত ১৬২১ শকত (১৬৯৮ চন) গোপীনাথ আতৈয়ে মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনাৰ পদৰঞ্জিত জৰাবাৰী অঞ্চললৈ (জৰাটেঙাৰ গছ কাটি) এই সত্ৰখন প্ৰতিষ্ঠা কৰে। মাধৱদেৱে জৰাটেঙা ভোজন কৰাৰ বাবে জৰাটেঙা গছ কাটি প্ৰতিষ্ঠা কৰা বাবে এই সত্ৰখন জৰাবাৰী সত্ৰ হিচাপে প্ৰখ্যাত হয়।

**৪.০০ জৰাবাৰী সত্ৰৰ ঐতিহ্য ঃ**



**সত্ৰৰ মূল প্ৰৱেশদ্বাৰ**

ঐতিহ্য বুলিলে মূলতঃ হাতেৰে স্পৰ্শ কৰিব পৰা আৰু স্পৰ্শ কৰিব নোৱাৰা উত্তৰাধিকাৰী সূত্ৰে পোৱা আমাৰ সাংস্কৃতিক পৰম্পৰা আৰু সম্পদকে বুজোৱা হয়। ঐতিহাসিক 'শ্ৰীশ্ৰী জৰাবাৰী সত্ৰ'লৈ স্বৰ্গদেউ শিৱসিংহ, গৌৰীনাথ সিংহ, জয়ধ্বজ সিংহ, লক্ষ্মী সিংহ, গদাধৰ সিংহ আৰু পুৰন্দৰ সিংহকে ধৰি আহোমৰ ১০ জনকৈ স্বৰ্গদেউৱে সত্ৰলৈ বহু সমল আগবঢ়াই গৈছে।

সত্ৰখনিত দহ কেজি ওজনৰ সাঁচিপাতত লিখা "মহাভৰত" পুঁথি আছে। যিখন পুঁথি 'শ্ৰীশ্ৰী জৰাবাৰী সত্ৰ'ৰ এক অনন্য সম্পদ। সত্ৰত আছে অসম নহয় ভাৰততে বিৰল বাৰহতীয়া "হিতোপদেশ" পুথি। যিখন পুথি অন্য কোনো সত্ৰত পাবলৈ নাই। সাঁচিপাতত সংস্কৃতত লিখিত এই বাৰহতীয়া "হিতোপদেশ" পুথি শ্ৰীশ্ৰী জৰাবাৰী সত্ৰই সংৰক্ষণ কৰি ৰাখিছে। সত্ৰত বৰ্তমান ১৮১ যোৰ তাল আছে। ভিন্ন সম্পদেৰে ভৰপূৰ ঐতিহাসিক শ্ৰীশ্ৰী জৰাবাৰী সত্ৰলৈ স্বৰ্গদেউ গদাধৰ সিংহই দান দিয়া সোণৰ পানীৰে খচিত সোণৰ পানীৰে চৰোৱা শৰাই আছে।

স্বৰ্গদেউ পুৰন্দৰ সিংহই মাহ-প্ৰসাদ তিয়াবৰ বাবে এটা ডাঙৰ তামৰ তৰু, এখন ডাঙৰ পিতলৰ শৰাই, বৰকাঁহৰ ঘন্টা এটা দিছিল। স্বৰ্গদেউ লক্ষ্মীসিংহই ৰৌপ্যখচিত ভোগজৰা দিছিল। এখন পিতলৰ শৰাই, তামৰ ভোগজৰা আৰু তামৰ থালি দান কৰিছিল। জয়ধ্বজ সিংহই এখন পিতলৰ সঁফুৰা দান দিছিল। ৰুদ্ৰসিংহই কাঁহৰ শৰাই, স্বৰ্ণ, ৰৌপ্য থোৱা পাত্ৰ আগবঢ়ায়। সত্ৰত এখনি স্বৰ্ণখচিত শৰাই, ৰৌপ্যখচিত গুৱাৰখা পাত্ৰ, এখন খোলা শৰাই, এখন বৰ শৰাই, এখন কাঁহ, এখন তামৰ থাল আছে। এই সত্ৰ যিজন আদিপুৰুষে প্ৰতিষ্ঠা কৰিছিল তেওঁৰ ভোজনৰ সম্ভাৰ আছে। এখন বৰ কাঁহী আছে, বেৰা কাঁহী আছে। আদিতে যাত্ৰা ভাওনা কৰোতে ব্যৱহৃত হোৱা বাদুলী চাকি আছে। ঐতিহাসিক সম্পদ হিচাপে মাধৱদেৱৰ পদচিহ্ন শিলত আছে। নিজে লিখা নামঘোষা আছে। গুৱা ভজন কৰা গুৱা চেপা আছে। কেশ আছে, অস্থি আছে, ধুলা মিটিকা আছে। শংকৰদেৱে নিজে লিখা মুঠাশাস্ত্ৰ আছে। শৰণ-ভোজনৰ কথা আছে, দশম স্কন্ধৰ পাত এটা আছে, চিতাভস্ম আছে।

উল্লেখিত সম্পদৰ উপৰিও সত্ৰত বহু সাঁচিপতীয়া পুথি আছে, যিসমূহ পুঁথিয়ে সত্ৰৰ ঐতিহাসিক সোণসেৰীয়া কৰি ৰাখিছে।

**উপসংহাৰ ঃ**

শ্ৰীশ্ৰী জৰাবাৰী সত্ৰৰ লগতে অসমৰ ঠায়ে ঠায়ে থকা সত্ৰসমূহে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ লগতে অন্য ধৰ্ম প্ৰচাৰক

গুৰুসকলে আগবঢ়াই যোৱা বৈষ্ণৱ ধৰ্মৰ সম্পদসমূহ চিৰযুগমীয়া কৰি ৰখাৰ যি প্ৰয়াস সেয়া আদৰণীয় আৰু উল্লেখনীয়। এই সত্ৰসমূহে ধৰ্ম প্ৰচাৰ, সাজপাৰৰ লগতে অন্য এক পূণ্য আৰু শান্তিৰ পথো সমাজক দেখোৱাই দিছে। সহজ অৰ্থত কবলৈ হ'লে যি ঠাইত বৈষ্ণৱ সন্তসকলে বাস কৰি জীৱৰ মুক্তিৰ সন্ধান দিয়ে সেয়ে সত্ৰ। মহিমামণ্ডিত এই সত্ৰসমূহত সংৰক্ষিত অথবা প্ৰচলন কৰি ৰখা বৈষ্ণৱ ধৰ্মৰ সম্পদ তথা সংস্কৃতি অতিকৈ আদৰণীয়। এই সকলোবোৰৰ বাবেই অসমৰ এই বৈষ্ণৱ ধৰ্ম তথা সংস্কৃতিয়ে বিশ্বদৰবাৰত আদৰেৰে থিয় হ'বলৈ সক্ষম হৈছে।

অসমীয়া সংস্কৃতিত সত্ৰসমূহৰ অৱদানসমূহ কম শব্দত আলোচনা কৰি শেষ কৰিব নোৱাৰি। বৃহৎ পৰিসৰ অন্তৰ্গত এই অৱদানসমূহে অসমীয়াৰ সাহিত্যৰ ভঁৰাল চহকী কৰি ৰাখিছে। শংকৰদেৱৰ সময়ৰে পৰা শংকৰোত্তৰ যুগলৈকে ৰজাঘৰীয়াৰ পৃষ্ঠপোষকতাৰ লগতে সত্ৰসমূহো বিভিন্ন ধৰণৰ গীত, নাট, পুথি আদি ৰচনাত আগভাগ লৈছিল।

সত্ৰসমূহ সমগ্ৰ অসমৰ মানুহখিনিৰ বাবে জাতীয় পৰিচয় হোৱাৰ দৰকাৰ। এই ক্ষেত্ৰত চৰকাৰখনৰো যথেষ্ট ভূমিকা আছে। সত্ৰৰ বাহ্যিক সৌন্দৰ্য্য আৰু মনোমোহা কৰি তুলিবলৈ আৰু সত্ৰত থকা আপুৰুগীয়া সম্পদৰাজি সংৰক্ষণ কৰিবলৈ চৰকাৰখনৰ আৰ্থিক সাহাৰ্য্য, সহায়-সহযোগ আদিৰ প্ৰয়োজন আছে, ই পৰ্যটনৰ দিশটোও সমৃদ্ধ কৰিব। ঐতিহাসিক শ্ৰীশ্ৰী জৰাবাৰী সত্ৰৰ সৌন্দৰ্যবৰ্দ্ধন আৰু গৃহ নিমাৰ্ণৰ কাৰণে চৰকাৰে বিভিন্ন সময়ত সাহাৰ্য্য আগবঢ়াই আহিছে যদিও সমস্যাৰ অন্ত নাই শ্ৰীশ্ৰী জৰাবাৰী সত্ৰৰ। সত্ৰত দৌল গৃহৰ বিভিন্ন অংশত ফাট মেলিবলৈ আৰম্ভ কৰিছে। সত্ৰৰ পৌৰাণিক সম্পদ সংৰক্ষণৰ কাৰণে বিজ্ঞানসন্মত ব্যৱস্থা নকৰাৰ কাৰণে বহু সম্পদ বিপৰ্যয়ৰ দিশে আগবাঢ়িছে। এক সুস্থিৰ পৰিকল্পনা আৰু সত্ৰৰ ঐতিহ্য ম্লান নপৰাকৈ সঠিক সৌন্দৰ্যবৰ্দ্ধন আৰু প্ৰচাৰ আৰু প্ৰসাৰ কৰিলে অসমৰ পৰ্যটন মানচিত্ৰত বহু সত্ৰই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। এই ক্ষেত্ৰত চৰকাৰৰ সদিচ্ছাৰ অতিকে প্ৰয়োজন। অন্যথা সত্ৰৰ বহু সম্পদ জনচক্ষুৰ অলক্ষিতে বৈ যোৱাৰ লগৰে বহু সম্পদ হেৰাই যাব।



**সিদ্ধান্ত ঃ**

শ্ৰীশ্ৰী জৰাবাৰী সত্ৰৰ ঐতিহ্য শীৰ্ষক প্ৰকল্প প্ৰতিবেদনখনত এই সম্পৰ্কে বিচাৰ কৰাৰ অন্তত কিছুমান সিদ্ধান্তত উপনীত হ'ব পাৰি। তলত সেইবোৰ উল্লেখ কৰা হ'ল-

(ক) সত্ৰসমূহ হৈছে অসমৰ জাতীয় জীৱনৰ অপৰিহাৰ্য অংগ।

(খ) অসমৰ বিভিন্ন প্ৰান্তত যদিও বহুতো সত্ৰ আছে তথাপিও আগৰ তুলনাত বৰ্তমান মানুহৰ এই সত্ৰসমূহত ধৰ্ম চৰ্চা বা অন্য ধাৰ্মিক জ্ঞান অৰ্জনৰ পৰিমাণ কমি অহা দেখা গৈছে।

(গ) মহিমামণ্ডিত এই সত্ৰসমূহ সংৰক্ষণ অথবা প্ৰচলন কৰি ৰখা বৈষ্ণৱ ধৰ্মৰ সম্পদ তথা সংস্কৃতি অতিকৈ আদৰণীয় আৰু এইবোৰৰ বাবেই অসমৰ বৈষ্ণৱ ধৰ্ম তথা সংস্কৃতিয়ে বিশ্বদৰবাৰত আদৰেৰে থিয় দিবলৈ সক্ষম হৈছে।

(ঘ) সত্ৰসমূহৰ সৌন্দৰ্য্য অটুত ৰখা আৰু তাত থকা সম্পদৰাজি সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰেও গুৰুত্ব দিয়া দৰকাৰ।❑

**প্ৰস্তুতকৰ্তা ঃ**

চিত্ৰালী মৌচুমী চেতিয়া, জিণ্টু কলিতা, মনোৰঞ্জন শইকীয়া, যোগমায়া ফুকন, সঞ্জয় মিলি



বাৰহতীয়া "হিতোপদেশ" পুথি



থুৰ শৰাই



খোলা শৰাই



ভোগজৰা



লোটা



বাৰহতীয়া "হিতোপদেশ" পুথি



শান বাতি



বেৰা কাঁহী



গুৱা চেপা



বন্দুলী চাকি





সত্ৰৰ বিভিন্ন সম্পদৰাজী



শ্ৰী শ্ৰী জৰাবাৰী সত্ৰৰ সত্ৰাধিকাৰৰ সৈতে




শ্ৰী শ্ৰী জৰাবাৰী সত্ৰৰ সত্ৰাধিকাৰৰ চৰণত সেৱা আগবঢ়াই

# বৰবৰুৱা মৈদাম ঃ এক অধ্যয়ন

## ১.০. অৱতৰণিকা ঃ

মৃত্যুৰ পূৰ্বেই নিজৰ সমাধি সাজি সোমাই চোৰা এজন ডাঙৰীয়াৰ কথাৰে 'বৰবৰুৱা মৈদাম'। য'ত বুৰঞ্জীৰ সমল হিচাপে গৌৰব কৰিব পৰা যায়। একোটা জাতিৰ অৰ্জিত পুনৰুদ্ধাৰৰ বাবে জাতিটোৰ ক্ৰমবিকাশ, আৰম্ভণি, ইতিহাস জনাটো অতিকৈ প্ৰয়োজন। যাৰ জৰিয়তে জানিব পাৰি এটা জাতিৰ সভ্যতা, সংস্কৃতি তথা অন্যান্য সমল। যাৰ বুকুত থাকে অনুপম কাহিনীৰ বিপুল সমাৱেশ।

যি কাহিনীয়ে আজিও লোকচক্ষুত ধৰা দিয়া নাই য'ত ঐতিহাসিক একোটা কাহিনী জড়িত হৈ আছে। য'ত আছে সভ্যতা, সংস্কৃতিক পোহৰলৈ বাট দেখুওৱা এক পথ। 'বৰবৰুৱা মৈদাম' সংৰক্ষণ আৰু সংবৰ্ধন কৰাৰ এক দায়িত্ব আৰু কৰ্তব্য আছে সকলোৰে।

## ১.১. অধ্যয়নৰ বিষয়বস্তু ঃ

মৈদাম হৈছে আহোম জনগোষ্ঠীৰ লোক পৰম্পৰাগত মৃতদেহ সংস্কাৰ প্ৰথা। মৈদাম প্ৰথাৰে সৎকাৰ কৰা মৃতকৰ সমাধিকো মৈদাম বোলে। আহোম ৰাজপৰিয়ালৰ লোক আৰু বিষয়ববীয়াসকলক মৈদাম প্ৰথাৰে সমাধিস্থ কৰা হৈছিল। মৈদাম প্ৰথাত মৃতদেহক স্নান কৰাই ৰুংডাং, অৰ্থাৎ কাঠেৰে সজা এটা বিশেষ ধৰণৰ পেৰাৰ ভিতৰত সুমুৱাই ৰখা হয়। ৰুংডাং পোতা ঠাইত এটা ঘৰ তৈয়াৰ কৰা হয় তাক 'ৰুংডাং কাৰেং' বোলে। আৰু ইয়াৰ ভিতৰত মৃতকে জীৱিত কালত ব্যৱহাৰ কৰা সামগ্ৰীসমূহ ৰখা হয় আৰু শেষত ইয়াক আগুৰি মাটিৰ এক অনুচ্চ দৌল সজা হয়। এই দৌলটোৰ ওপৰভাগক 'চাও চালি' বোলা হয়।

'বৌদ্ধ বিহাৰ' এটা বৌদ্ধ মঠ। বৌদ্ধ ধৰ্মৰ লগত জড়িত এক গুৰুত্বপূৰ্ণ শিক্ষানুষ্ঠান। ইয়াক সন্ন্যাসীৰ বাসস্থান, ধৰ্মীয় ৰীতি-নীতি আৰু ধ্যান-ধাৰণাৰ স্থান আৰু বৌদ্ধ শিক্ষাৰ কেন্দ্ৰ হিচাপে সংজ্ঞায়িত কৰিব পাৰি। প্ৰাচীন সংস্কৃত আৰু পালি গ্ৰন্থত বিহাৰ শব্দটোৱে আনন্দ ভ্ৰমণ বা বিচৰণৰ ব্যৱস্থাটোক বুজায়। পিছলৈ যেতিয়া এই ধাৰণাটো স্থাপত্য লৈ ৰূপান্তৰিত হ'ল, তেতিয়া ইয়াৰ অৰ্থ হ'ল 'চোতালতে সজাই তোলা মঠৰ বাসগৃহ'।

## ১.২ অধ্যয়নৰ উদ্দেশ্য আৰু প্ৰয়োজনীতা ঃ

ঐতিহাসিক সমল 'বৰবৰুৱা মৈদাম'ৰ অধ্যয়নৰ জৰিয়তে তেওঁৰ জীৱনবৃত্ত অৰ্থাৎ কাৰ নামত বৰবৰুৱা মৈদাম সাজি উলিয়াইছিল। মৈদামটোৰ ইতিহাস আদি দিশসমূহৰ প্ৰতিফলন কৰাই আলোচনাটিৰ উদ্দেশ্য। এই সম্পৰ্কে বৰ বেছি সমল নাই যদিও বুৰঞ্জীয়ে ইয়াৰ কিছু আভাষ দিয়ে। সেয়েহে ইয়াৰ নতুন দৃষ্টিভংগীৰে আলোচনা কৰাই মূল উদ্দেশ্য।

**'বৰবৰুৱা মৈদাম' শীৰ্ষক আলোচনাৰ উদ্দেশ্যসমূহ হৈছে ঃ**

১) বৰবৰুৱা মৈদামৰ পৰিচয় কৰাই দিয়া।
২) ইতিহাসৰ সমল হিচাপে আলোচনা যুগুত কৰা।
৩) পৰ্যটনৰ ক্ষেত্ৰত ইয়াৰ গুৰুত্ব দাঙি ধৰা ।
৪) সম্পদ হিচাপে ইয়াৰ সংৰক্ষণ আৰু সংবৰ্ধন কৰা।

## ১.৩ অধ্যয়নৰ পৰিসৰ ঃ

ঠাইখনৰ বিভিন্ন ধৰণৰ অজ্ঞাত কথাবোৰ সকলোৰে আগত উপস্থাপন কৰি দেখুৱাবলৈ যত্ন কৰা হৈছে। 'বৰবৰুৱা মৈদাম' শীৰ্ষক আলোচনা পত্ৰখন প্ৰস্তুত কৰিবলৈ যাওঁতে ইয়াৰ মূল্যায়নৰ পৰিসৰত আনুষংগিক বিভিন্ন দিশৰ বিচাৰ-বিশ্লেষণ কৰা হ'ব। আলোচনাৰ সুবিধাৰ্থে ৬ টা ভাগত ভাগ কৰি লোৱা হৈছে।

## ১.৪. অধ্যয়নৰ পদ্ধতি ঃ


'বৰবৰুৱা মৈদাম' শীৰ্ষক আলোচনা পত্ৰখনৰ বিষয় বিশ্লেষণত মূলত বিশ্লেষণাত্মক পদ্ধতি প্ৰয়োগ কৰা হৈছে যদিও ঠায়ে ঠায়ে বৰ্ণনাত্মক পদ্ধতিৰো প্ৰয়োগ কৰা হৈছে।



Scanned with OKEN Scanner


## ২.০. বিষয়বস্তু ঃ

### ২.০.১. 'বৰবৰুৱা মৈদাম'ৰ পৰিচয় ঃ



### চাৰিসীমাৰ বিৱৰণ ঃ

শিৱসাগৰ নগৰৰ পৰা প্ৰায় ৩৩ কিঃ মিঃ দূৰৈৰ শিলাকুটি মৌজাৰ টিপমীয়া গাঁও, ঘোঁৰাচোৱা গাঁৱৰ মাজত অৱস্থিত। এই মৈদামৰ পূৱে উত্তৰ পূৱ সীমান্ত ৰেলপথ আৰু GGS-IX, পশ্চিমে চিৰিংগাওঁ, উত্তৰে টিপমীয়া গাওঁ আৰু দিচাং নৈ দক্ষিণে বা পথালিগড়। এই মৈদামলৈ আমি হলগুৰি আলিৰ নঙলামৰা-পথালিগড় সংযোগী পথেদি, নাইবা ৰাজগড়ৰ পৰা পথালিগড়ে দি আহিব পাৰোঁ। এই মৈদাম শিৱসাগৰ জিলাৰ লাকুৱা অঞ্চলত আছে।




### বৰবৰুৱা মৈদামক লৈ প্ৰচলিত লোক-প্ৰবাদ ঃ

শিৱসাগৰ জিলাৰ লাকুৱা অঞ্চলত অৱস্থিত এই বৰবৰুৱা মৈদামক লৈ চুবুৰীয়া লোক সকলৰ মাজত কিছুমান প্ৰবাদ প্ৰচলন আছে। ৰাজেশ্বৰ সিংহৰ ৰাজত্ব কালৰ কীৰ্তিচন্দ্ৰ বৰবৰুৱা এজন বিষয়া আছিল। তেখেতৰ সমাধিস্থ কৰিবৰ বাবে তেখেতে অৰ্থাৎ কীৰ্তিচন্দ্ৰ বৰুৱাই এই মৈদামটো সাজি উলিয়াইছিল। অৰ্থাৎ তেখেতে এটা ঠাইত তেখেতক মৃত্যুৰ পাছত সমাধিস্থ কৰিব বুলি মৈদামটো স্থাপন কৰিছিল। মৃত্যুৰ পূৰ্বে যিহেতু মৈদামটো সাজি উলিওৱা হৈছিল সেয়েহে তেওঁ এই মৈদামটো স্ব-চক্ষুৰে চাবলৈ গৈছিল।

পৰৱৰ্তী সময়ত মৃত্যুৰ পাছত তেখেতক বৰুৱা চালিত সমাধিস্থ কৰা হৈছিল। অৰ্থাৎ নিজৰ সমাধি নিজে সাজিব আৰু নিজৰ সমাধি নিজে চাব নোৱাৰে এইটো আহোম ৰাজত্বকালত এটা অপৰাধ আছিল। কিন্তু কীৰ্তিচন্দ্ৰ বৰবৰুৱাই মৈদাম সজাৰ লগতে তেওঁক মৈদামত জুৰিব নাই সেইটোও চাইছিল সেয়েহে তেওঁক ৰাজ্যচ্যুত কৰা হৈছিল অৰ্থাৎ তেওঁক গড়গাঁৱৰ ৰাজধানীৰ পৰা খেদি পঠিওৱা হৈছিল। লোক-প্ৰবাদ মতে জানিব পাৰোঁ যে সোণাৰি চহৰৰ সমীপৰ বৰুৱা চালি নামেৰে ঠাইত তেওঁ চালি পাতি অৱস্থান গ্ৰহণ কৰিছিল আৰু সেই ঠাইৰ নাম বৰুৱা চালি হয়। ইয়াৰ সত্য-সত্যতা সম্পৰ্কে অৱগত হোৱা বৰ্তমানেও। তথাপিও 'কাকৰা মৈদাম' এটা ঐতিহাসিক সম্পদ।

### কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ পৰিচয় ঃ

কীৰ্তিচন্দ্ৰ বৰবৰুৱা ৰূপচন্দ্ৰ বৰবৰুৱাৰ পুত্ৰ আছিল। প্ৰথমে তেওঁৰ নাম আছিল গেন্ধেলা। তেওঁ বকতিয়াল বংশৰ আৰু ভৰালী চেতিয়া খেলৰ অন্তৰ্ভুক্ত। কীৰ্তিচন্দ্ৰ বৰবৰুৱা ওৰফে গেন্ধেলা আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ আৰু স্বৰ্গদেউ লক্ষ্মী সিংহৰ ৰাজত্ব কালত বৰবৰুৱা আছিল। কলিয়াবৰ নদীৰ পূব অঞ্চল আৰু যিবোৰ অঞ্চল বুঢ়াগোঁহাই, বৰগোঁহাই আৰু বৰপাত্ৰ-গোঁহাইয়ে নিয়ন্ত্ৰণ কৰা নাছিল, সেইবোৰ অঞ্চল বৰবৰুৱাই নিয়ন্ত্ৰণ কৰিছিল। ৰাজমন্ত্ৰী লাইথেপেনা বৰগোঁহাইৰ নুমলী বৰগোঁহায়ে চকৰীফেঁটী বুৰঞ্জীত ক্ষমতাশালী ৰাজবিষয়া কীৰ্তিচন্দ্ৰ বৰবৰুৱাক জলমবটা আখ্যা দিয়া হৈছিল। অৰ্থাৎ তেওঁক প্ৰকৃত আহোম নহয় বুলি কোৱা হৈছিল। কীৰ্তিচন্দ্ৰ বৰবৰুৱাক জলমবটা বুলি কোৱাত তেখেত ক্ষুণ্ণ হয় আৰু স্বৰ্গদেউৰ আদেশ লৈ আপত্তিজনক, বিভ্ৰান্তিকৰ মন্তব্য থকা সকলো বুৰঞ্জী পুথি পেলাবলৈ অভিযান চলাইছিল। ইয়াকে 'বুৰঞ্জীদাহ' বোলে।

শিৱসিংহৰ ৰাজত্বত বৰৰজা ফুলেশ্বৰী কুঁৱৰীয়ে

সত্ৰসমূহৰ ওপৰত অমানুসিক অত্যাচাৰ চলায়। তেখেতে মোৱামৰীয়া শিষ্যসকলক দুৰ্গা পূজাৰ বলি মাংস খুৱাইছিল। আৰু বলিৰ তেজেৰে শিষ্যৰ কপালত ফোঁট দি তেওঁলোকৰ ধৰ্ম ভ্ৰষ্ট কৰিবলৈ চেষ্টা চলাইছিল। নাহৰ খোৱা শইকীয়া আৰু ৰাঘৰ মৰাণক কৰা অপমানৰ বাবে তেওঁলোকে ক্ষুদ্ৰ হৈ বিদ্ৰোহৰ সূচনা কৰে। প্ৰথমে মোৱামৰীয়া বিদ্ৰোহৰ আৰম্ভণিতে বিদ্ৰোহী নাহৰে কীৰ্তিচন্দ্ৰ বৰবৰুৱাক হত্যা কৰিছিল।

**ঐতিহাসিক সমল হিচাপে বৰবৰুৱা মৈদাম ঃ**

'বৰবৰুৱা মৈদাম' এটা ঐতিহাসিক সমল। ই এটা ইতিহাস বিজড়িত সম্পদ। অসম বুৰঞ্জীৰ এটা সম্পদ। ৬০০ বছৰীয়া আহোম ৰাজত্ব কালৰ ইতিহাস জড়িত থকা এটা সম্পদ।

ঐতিহাসিক সম্পদ হিচাপে ইয়াৰ সংৰক্ষণৰ প্ৰয়োজন আছে। কিয়নো ২০১৩ চন মানতে বৰবৰুৱা মৈদামৰ প্ৰত্নতাত্বিক বিভাগৰ পৰা চাৰিবেৰা দিয়া হয় যদিও তাতো যথেষ্ট আসোঁৱাহ থাকি গ'ল। আমি একো একোজন সুনাগৰিক হিচাপে এইটোৱেই বিচাৰো কীৰ্তিচন্দ্ৰ বৰবৰুৱা কোন নালাগে কিন্তু অসম বুৰঞ্জীৰ এটা সম্পদ, টাই আহোম সংস্কৃতিৰ এটা সম্পদ, টাই আহোম যি মৈদাম প্ৰথা আছিল সেই প্ৰথা নাইকিয়া হ'ল। নতুন প্ৰজন্মই যদি মৈদাম প্ৰথা সম্পৰ্কে জানিব লগা হয় তেতিয়া এই মৈদামটোৰ পৰা তথ্য দাঙি ধৰিবলৈ ই আজি পৰিত্যক্ত অৱস্থা। গতিকে ইয়াৰ সৌন্দৰ্য্যবৰ্ধক আৰু সংৰক্ষণ কৰিবলৈ আমাৰ পৰা অনুৰোধ। য'ত আমাৰ আহোম ৰাজত্ব কালৰ ৬০০ বছৰীয়া গৌৰৱোজ্বল ইতিহাস লিপিবদ্ধ হৈ আছে।

**উপসংহাৰ ঃ**

যিহেতু এই বৰবৰুৱা মৈদামটি ঐতিহাসিক সম্পদ। ৬০০ বছৰীয়া আহোম ৰাজত্বৰ গৌৰৱোজ্বল ইতিহাস বিজড়িত মৈদাম, সেয়েহে ইয়াক পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু কৰি গঢ়ি তোলাতো সকলোৰে দায়িত্ব আছে। আমি ভৱিষ্যত প্ৰজন্মৰ কাৰণে ইয়াক ৰাখি যাব পাৰোঁ পৰ্যটনৰ স্থল হিচাপে। যিহেতু মৈদামসমূহ চাওচালি দি মৈদাম দিয়া হয়। সেই চাওচালিৰ তলত আমি মৈদামটো চাব নোৱাৰোঁ। কিন্তু ইয়াত সমাধিস্থ কৰা হোৱা নাই, স্থাপন কৰা অৱস্থাতে আছে, সেয়ে ইয়াৰ গাঁথনি ইয়াৰ ভিতৰচ'ৰা কেনেদৰে সাজি উলিওৱা হৈছে তাক চাবৰ বাবে আমি পৰ্যটন ক্ষেত্ৰ হিচাপে সংৰক্ষণ কৰাত গুৰুত্ব দিব লাগে।

**প্ৰস্তুতকৰ্তা ঃ**

মনোৰঞ্জন কলিতা, তুলুমনি বৰুৱা, চিত্ৰলেখা টায়ে, উপাসনা গগৈ, প্ৰাৰ্থনা গগৈ





**বৰবৰুৱা মৈদামৰ নান্দনিক দৃশ্য**

# ঘনশ্যাম দ'ল আৰু দেওৰজা মৈদাম ঃ এক অধ্যয়নমূলক অৱলোকন

## ১.১ বিষয়বস্তুৰ পৰিচয় ঃ-

অসমৰ এখন লেখত ল'বলগীয়া ঐতিহ্যমণ্ডিত জিলা শিৱসাগৰ। অসমৰ পূব দিশত অৱস্থিত ইতিহাসে গৰকা এই নগৰৰ নাম পূৰ্বতে "কলঞ্চুপাৰ" আছিল। ১২২৮ খ্ৰীষ্টাব্দত চাওলুং চুকাফাই পাটকাই পৰ্বত পাৰ হৈ আহি এই শিৱসাগৰ অঞ্চলতেই প্ৰৱেশ কৰিছিলহি আৰু ১২৫৩ খ্ৰীষ্টাব্দত শিসাগৰৰৰ চৰাইদেউত ৰাজধানী স্থাপন কৰিছিল। আহোম সকলে মূলতঃ শিৱসাগৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত নানানটা গৃহ, দেৱালয় স্থাপত্য নিৰ্মাণ কৰি গৌৰৱোজ্বল ৬০০ বছৰীয়া ৰাজত্বৰ চিনাকি ৰাখি থৈ গৈছে।

প্ৰাক্-আহোম যুগৰ শিৱসাগৰৰ স্বৰূপ কেনে আছিল সেয়া সঠিকভাৱে ঠাৱৰ কৰিব পৰা নাযায় যদিও পিছৰ ফালৰ সমলৰ গাত ভেজা দি এই অঞ্চল যে অৰণ্যৰে পৰিৱেষ্টিত আছিল সেই কথা জানিব পৰা যায়। আধুনিক শিৱসাগৰ আহোমসকলেহে সম্পূৰ্ণকৈ নিৰ্মাণ কৰি নতুন ৰূপ প্ৰদান কৰিছিল।

ছশ বছৰ ৰাজত্ব কৰা আহোমসকলৰ বাবে শিৱসাগৰ অসমৰ পৰিচালনস্থলী আছিল। আহোম সকলে নিজৰ ৰাজত্বৰ সময়ত অশেষ যত্নেৰে ভালেমান দৌল নিৰ্মাণ কৰিছিল আৰু ডাঙৰ ডাঙৰ পুখুৰী খান্দিছিল; যিবোৰ আজিও নিজৰ ঐতিহ্য সুঁৱৰি অক্ষতভাৱে থিয় দি আছে।

চ্যু-কা-ফা ব্ৰহ্মপুত্ৰ উপত্যকাৰ আহোম ৰাজত্বৰ প্ৰতিষ্ঠাতা আছিল। তেওঁৰ পূৰ্বেও অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকালৈ টাইলোক আহিছিল বুলি বিভিন্ন তথ্য-পাতিত পোৱা যায়। পৃথিৱীৰ ইতিহাসৰ বিৰল উদাৰতাবাদী টাই কোঁৱৰ চাওলুং চ্যু-কা-ফাই ইতিহাসৰ বুকুত চিৰদিনৰ বাবে শিৱসাগৰকো জিলিকাই থৈ গ'ল।

অতীতৰ শিৱসাগৰ জিলাৰ আয়তন বিশাল আছিল। সেই সময়ত শিৱসাগৰৰ সীমা আছিল উত্তৰে দৰং আৰু লক্ষীমপুৰ জিলা, পশ্চিমে সংযুক্ত মিকিৰ, উত্তৰ কাছাৰ আৰু নগাঁও জিলা।

আহোম যুগৰ সোণালী সময়ছোৱাতে শিৱসাগৰৰ বুকুত স্থাপিত হ'ল অনেক ইতিহাস, অনেক যুগমীয়া চানেকি। ইতিহাসে ৰিঙিওৱা এই শিৱসাগৰতে আহোমসকলে স্থাপন কৰিলে নানান দৌল-দেৱালয়, খান্দিলে অনেক যাউতী-যুগীয়া পুখুৰী আৰু বান্ধিলে সাতামপুৰুষীয়া ঐতিহ্য বহনকাৰী গড় আৰু আলি। কেৱল এয়াই নহয়, এই দেশলৈ আনিলে নিজস্ব কৃষ্টি-সভ্যতা আৰু সংস্কৃতি।

শিৱসাগৰ জিলাৰে দুটি অন্যতম ঐতিহ্য হ'ল 'ঘনশ্যাম দ'ল আৰু চাৰিঙৰ দেওৰজা মৈদাম'। জয়সাগৰ পুখুৰীৰ দক্ষিণ-পশ্চিম দিশৰ "ঘনশ্যাম দ'ল আৰু চাৰিঙৰ দেওৰজা অঞ্চলৰ "দেওৰজা মৈদাম"ৰ বিষয়ে এই গৱেষণামূলক ক্ষুদ্ৰ পত্ৰিকাত আলোচনা কৰা হ'ল ।

## ১.২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ-

তলত উক্ত অধ্যয়নটিৰ লক্ষ্য আৰু উদ্দেশ্য সমূহ দাঙি ধৰা হ'ল-

(১) শিৱসাগৰ জিলাৰ ঐতিহাসিক কীৰ্তি-চিহ্ন ঘনশ্যাম দ'ল আৰু দেওৰজা মৈদামৰ ইতিহাস সম্পৰ্কে আলোচনা কৰা।

(২) প্ৰাকৃতিক সম্পদৰ লগত ঐতিহাসিক কীৰ্তিচিহ্নবোৰ কেনেদৰে সুৰক্ষিত কৰি ৰাখিছে তাক পৰ্যৱেক্ষণ কৰা।

(৩) থলুৱা সংস্কৃতিসমূহ সংৰক্ষণ কৰা আৰু সমাজৰ আগত প্ৰদৰ্শন কৰা।

(৪) কীৰ্তি-চিহ্নসমূহ পৰ্যবেক্ষণ কৰি নতুন নতুন তথ্যসমূহৰ জ্ঞান আহৰণ কৰা।

(৫) ইয়াৰ জৰিয়তে সামাজিক পৰিৱেশ আৰু ইয়াৰ সৌন্দৰ্যক সুৰক্ষিত কৰি ৰাখিবলৈ আগ্ৰহী কৰি তোলা।

## ১.৩ অধ্যয়নৰ গুৰুত্ব ঃ-

শিৱসাগৰ জিলাৰ ঐতিহাসিক কীৰ্তি-চিহ্ন ঘনশ্যাম মন্দিৰ আৰু দেওৰজা মৈদামৰ বৰ্তমানৰ অৱস্থিতি তথা সংৰক্ষণৰ ব্যৱস্থা কৰা।

বৰ্তমান সময়ত এই সম্পদসমূহক চৰকাৰীভাৱে সংৰক্ষণ তথা পৰ্যৱেক্ষণৰ স্থলী হিচাপে চিনাকি কৰি দিয়া আৰু নৱপ্ৰজন্মৰ মাজত এই সম্পদসমূহৰ বিষয়ে সজাগতা সৃষ্টি কৰি এই আপুৰুগীয়া সম্পদসমূহৰ বিষয়ে জ্ঞান অৰ্জন কৰাত সহায় কৰা।

**১.৪ অধ্যয়নৰ পদ্ধতি ঃ-**


আমি এই আলোচনাটি প্ৰস্তুত কৰোঁতে বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি প্ৰয়োগ কৰিছোঁ। ইয়াত ক্ষেত্ৰভিত্তিক অধ্যয়নৰ জৰিয়তে সংগৃহীত প্ৰাথমিক আৰু গৌণ সমল ব্যৱহাৰ কৰা হৈছে । প্ৰাথমিক তথ্য হিচাপে প্ৰত্যক্ষভাৱে উপস্থিত হৈ পৰ্যৱেক্ষণ কৰা হৈছিল। লগতে দ্বিতীয়ক তথ্য হিচাপে আমি বিভিন্ন কিতাপ-পত্ৰ, ইন্টাৰনেট আদি ব্যৱহাৰ কৰিছোঁ।

**১.৫ অধ্যয়নৰ পৰিসৰ ঃ-**

উক্ত অধ্যয়নটিৰ পৰিসৰ অতি সীমিত। ইয়াত শিৱসাগৰ জিলাৰ ঐতিহাসিক কীৰ্তি-চিহ্ন ঘনশ্যাম মন্দিৰ আৰু দেওৰজা মৈদাম সম্পৰ্কে আলোচনা কৰা হৈছে।

**২.০ বিষয়বস্তুৰ আলোচনা ঃ-**


**২.১ ঘনশ্যাম দ'ল ঃ-**



প্ৰাচীন অসমৰ স্থাপত্যৰ বিকাশৰ ধাৰণা গঢ় লৈ উঠিছিল বিভিন্ন বংশৰ ৰজাসকলৰ ৰাজত্বকালত। আহোম ৰাজত্বকালত অসমত স্থাপত্যশিল্পই নতুন মাত্ৰা লাভ কৰিলে। আহোম যুগত নিৰ্মিত টেৰাকট্টাৰ নিৰ্দেশনাৰে ভৰপূৰ শিৱসাগৰৰ ঘনশ্যাম দ'লটো স্থাপত্য-ভাস্কৰ্যৰ এটা সুন্দৰ নিদৰ্শন।

ঘনশ্যাম দ'ল জয়সাগৰৰ বৰপুখুৰীৰ দ্বিতীয় ঢাপৰ দক্ষিণ-পশ্চিম কোণত দেৱীদ'লৰ দক্ষিণ ফালে অৱস্থিত। আহোম স্বৰ্গদেৱে বংগদেৱৰ পৰা অনোৱা ঘনশ্যামউদ্দিন নামৰ এজন খনিকৰ আৰু স্থপতিবিদে এই দ'লটো সাজিছিল। স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত সজোৱা এই দ'লটোৰ স্থাপত্য মোগলীয় আৰ্হিৰ। মন্দিৰ বা দ'লৰ পৰম্পৰাগত আকৃতি নাই যদিও ইয়াক ঘনশ্যাম দ'ল বুলি কোৱা হয়। এই দ'লটোৰ মাজত অৱস্থিত ঘাই ঘৰটোৰ উত্তৰে এটা তোৰণ পথ আৰু কাষতে আন এটা ঘৰ আছে, যিটোক ভোগঘৰ বুলিও কোৱা হয়। এই ঘৰকেইটা ইটাৰে সজা। আয়তাকৃতিৰ ঘাই ঘৰটোৰ বাহিৰৰ গাত সুশোভিত পোৰামাটিৰ বা টেৰাকট্টাৰ কলাসুলভ কাৰুকাৰ্য আহোম যুগত নিৰ্মিত আন সকলো দ'ল বা ঘৰ আদিতকৈ বেলেগ আৰু উচ্চমানৰ।

**ঘনশ্যাম দ'লৰ নিৰ্মাণ আৰু প্ৰস্তুতকৰ্তা ঃ-**



ঘনশ্যাম দ'লটো অতি বিতোপন। ঘনশ্যাম দ'লৰ নিৰ্মাণকাৰীজনৰ নাম হৈছে ঘনশ্যাম। আমি জানিছোঁ যে

ঘনশ্যাম আছিল আহোম স্বৰ্গদেৱে কোচবিহাৰৰ পৰা অনা ঘনশ্যামউদ্দিন নামৰ এজন খনিকৰ আৰু স্থপতি। অসমলৈ আহি তেওঁ হিন্দুধৰ্মত দীক্ষিত হয়হি। তেওঁ আহোম ৰজাৰ নিৰ্দেশত ৰংপুৰ নগৰ নিৰ্মাণ কৰিছিল। ৰংপুৰ নগৰ নিৰ্মাণ কৰি ঘনশ্যাম ঘৰলৈ উভতি যাবলৈ ওলাওঁতেই তেওঁ যিবোৰ বস্তু নিবলৈ ওলাইছিল তাৰে লোটা এটাৰ তলিত এখন কাকত ধৰা পৰে। এইখন আছিল মুছলমান ৰজাৰ হতুৱাই আহোম ৰাজ্য আক্ৰমণ কৰাবলৈ চিত্ৰ আৰু তথ্য সম্বলিত এখন গুপ্ত অভিসন্ধিৰ কাকত। এই অপৰাধ কৰি ধৰা পৰাত শাস্তিৰূপে স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই ঘনশ্যামক এই দ'লটোত বন্দী কৰি থয়।

**ঘনশ্যাম দ'লৰ উচ্চতা আৰু ক্ষেত্ৰফল ঃ-**

ঘনশ্যাম দ'লৰ পকী ঘৰটো উত্তৰ-দক্ষিণ দুয়োটা দিশতে মাজে মাজে ফাঁট মেলা। প্ৰাকৃতিক দুৰ্যোগৰ বাবে এই ফাঁট মেলাটো নিশ্চিত বুলি ধৰিব পাৰি। বৰ্তমানে ই পুৰাতাত্ত্বিক স্থান হিচাপে ১৯৫৮ চনৰ সংবিধানৰ ২৪ অধিনিয়ম অনুসৰি ৰাষ্ট্ৰীয় সম্পদৰূপে ভাৰতীয় পুৰাতাত্ত্বিক জৰীপৰ দ্বাৰা সংৰক্ষিত হয়। বৰ্তমান চৰকাৰী নথিত ৮১৪৫ নম্বৰ দাগ নম্বৰত ঘনশ্যামৰ ঘৰটোৰ নামত সংৰক্ষিত মাটিকালি ২ বিঘা ৩ কঠা ১৪ লেচা। কিন্তু বিভিন্ন ক্ষেত্ৰত এই দ'লটো ঘনশ্যামৰ সমাধিক্ষেত্ৰ বুলিহে প্ৰমাণিত।

ঘনশ্যাম ঘৰটোত এটা মূল ঘৰ আছে। ই পূবা-পশ্চিমাকৈ অৱস্থিত। মূল ঘৰটোত ব্যৱহৃত এচপৰা পূৰ্ণাঙ্গ ইটাৰ দীঘ ১০.৫ ইঞ্চি, প্ৰস্থ ৬ ইঞ্চি আৰু ডাঠ ১.৫ ইঞ্চি। আহোম ৰাজত্বকালত ই এটা পকী গড়েৰে সুৰক্ষিত আছিল। পুৰণি পকী গড়ৰ চিন এতিয়াও বিদ্যমান। এই দ'লটো এটা আয়তাকাৰ পকী ভেঁটিৰ ওপৰত প্ৰতিষ্ঠিত। ভেঁটিটোৰ দীঘ ৩১.৯ ফুট, প্ৰস্থ ৩০.১ ফুট। ভেঁটিটোৰ ওপৰত দীঘ ২৩.৫ ফুট আৰু প্ৰস্থ ১৯ ফুট ক্ষেত্ৰফলত ঘৰটো প্ৰতিষ্ঠিত। ঘৰটোৰ পিছফালটো কিছু বহি যোৱা।

মূলঘৰৰ ওপৰত মৌচাক গঢ়ৰ এটা চাৰিচুকীয়া গম্বুজৰ পূব আৰু পশ্চিমৰ বেৰত দুটাকৈ সৰ্বমুঠ চাৰিটা কুন্দ্ৰাক্ষ আছে।

**ঘনশ্যাম দ'লৰ বিশেষত্ব ঃ-**

আহোম যুগৰ স্থাপত্য-কলাসমূহৰ ভিতৰত ঘনশ্যামৰ ঘৰটো বিশেষভাৱে উল্লেখযোগ্য স্থাপত্য। ঘনশ্যামৰ ঘৰটোক কেইবাটাও নামেৰে জনা যায়- ১) ঘনশ্যামৰ ঘৰ, ২) ঘনশ্যাম দৌল, ৩) ঘনশ্যাম খনিকৰৰ ঘৰ, ৪) ঘনশ্যাম মন্দিৰ, ৫) নাতিগোঁসাই দৌল।

১৭০০ খ্ৰীষ্টাব্দৰ মাজভাগত নিৰ্মিত এই ঘৰটোৱে ইতিমধ্যে ২৫০বো অধিক বছৰ অতিক্ৰম কৰিছে। সেয়ে ইয়াৰ সন্মুখৰ ভাগটোক দক্ষিণফাল বাদ দি বাকী তিনিটা ভাগত কিবা-কিবি ফুল-জালী আছিল যদিও বৰ্তমান তাৰ কোনো চিন-মোকাম নাই। ঘৰটোত এখন বৃহৎ আকাৰৰ মূল দুৱাৰ আছে। এই দুৱাৰখনৰ চাৰিওকাষ আয়তাকাৰ আৰু তাৰে ভূমিৰেখা সংলগ্ন অংশটোক বাদ দি বাকী তিনিটা কাষত বিতোপনভাৱে ফুল-জালী কটা। ঘৰটোৰ পূৱে পশ্চিমে এখনকৈ মুঠ দুখন, ওপৰৰ ভাগত ডিম্বাকৃতিৎ গবাক্ষ আছে।

ঘৰটোৰ সন্মুখৰফালে অৰ্থাৎ দক্ষিণ দিশে ওপৰলৈ ধেনুভিৰীয়া প্ৰকোষ্ঠত সজ্জিত ১৬ টা ক্ষুদ্ৰ ক্ষুদ্ৰ ভাস্কৰ্য আছে। এই ভাস্কৰ্যবোৰ বিভিন্ন দেৱ-দেৱতাৰ। তদুপৰি এই ভাস্কৰ্যসমূহৰ মাজত পূৱ দিশৰ পৰা ১০নং আৰু পশ্চিম দিশৰ পৰা ৭নং ভাস্কৰ্যটো মোগল সম্ৰাট ছাহজাহানৰ ভাস্কৰ্য। এই ভাস্কৰ্যটোত মোগল সম্ৰাটে বাওঁ হাতত এপাহ ছপহীয়া ফুল লৈ বহি আছে আৰু এজন চৰাই অনা মানুহে আঁঠু লৈ সোঁ হাতত ভাটো চৰাই এটা ধৰি আছে। সম্ৰাটৰ সিংহাসনৰ ওপৰতো এটা চৰাই দেখা গৈছে। ধেনুভিৰীয়া প্ৰকোষ্ঠত থকা আন আন ভাস্কৰ্যসমূহ পশ্চিম দিশৰ পৰা দেখা গৈছে। সেইসমূহ ক্ৰমে —১) পদ্মাসনত গৰুড়, ২) চতুৰ্ভূজা কালী, ৩) বৃষভবাহনত সোঁহাতে সৰ্প লোৱা দেৱতা, ৪) ছত্ৰধাৰী নাৰীৰ সৈতে এজন বহি থকা ৰাজপুৰুষ, ৫) চতুৰ্ভূজ বিষ্ণু, ৬) সোঁহাতত ময়ূৰ চৰাই এটা লৈ থকা এজন ৰাজপুৰুষ, ৭) এগৰাকী উলংগপ্ৰায় নাৰী, ৮) এটা চলমান জন্তুৰ তলৰ অংশ, ৯)চতুৰ্ভূজ বিষ্ণু, ১০) মুৰলীমনোহৰ, ১১) চতুৰ্ভূজ কুৰ্ম অৱতাৰ আৰু ১২) কান্ধত বিষ্ণুক লৈ থকা চলমান গৰুড়। মূৰ্তিসমূহ থকা এই ধেনুভিৰীয়া প্ৰকোষ্ঠৰ পশ্চিমত ঠোঁটেৰে সৰ্প ভক্ষণকাৰী এজনী ময়ূৰ পক্ষী, পূৱে যথাক্ৰমে চালি ধৰি থকা এটা ময়ূৰ। এই প্ৰকোষ্ঠৰ ওপৰে এশাৰী আৰু তলৰফালে দুশাৰী ধেনুভিৰীয়া প্ৰকোষ্ঠ আছে। তলৰ দুইশাৰী ধেনুভিৰীয়া প্ৰকোষ্ঠৰ মাজত আন দুশাৰী সৰু সৰু ধেনুভিৰীয়া প্ৰকোষ্ঠৰ অলংকৰণেৰে শোভা বৰ্ধন কৰিছে। তদুপৰি তলৰ দ্বিতীয় শাৰীৰ তলত আন এশাৰী সৰু ধেনুভিৰীয়া প্ৰকোষ্ঠ অলংকৰণ কৰা হৈছে। সেই অলংকৰণৰ তললৈ এখন গুণ নথকা ধেনু অলংকৰণ কৰা হৈছে। অলংকৃত ধেনুখনৰ

তলত এটা ডাঙৰ অংশত ৯ পাহকৈ ফুলা পদুমে শোভা কৰিছে। মাজৰ তিনি পাহৰ ৰং গুৰ আৰু শামুকচূণ মিহলাই প্ৰস্তুত কৰা ডাঠ বগা ৰঙৰ আৰু বাকী কেইপাহ ইটাগুৰীয়া। এই ফুলকেইপাহৰ কিছু তললৈ পুনৰ এশাৰী ফুল জালী কটা সৰু ধেনুভিৰীয়া প্ৰকোষ্ঠই শোভা কৰিছে। তাৰ তলতেই বিচিত্ৰ বিস্ময়কৰ পোৰামাটিৰ বা টেৰাকোটাৰ ফুল-জালীসমূহ অলংকৃত কৰা হৈছে। এনেহুনিদৰ্শন সমগ্ৰ অসমতে বিৰল।

ঘৰটোৰ সন্মুখভাগত ধেনুভিৰীয়া প্ৰকোষ্ঠসমূহৰ দুইমূৰে, ওপৰৰ পৰা তললৈ বা তলৰ পৰা ওপৰলৈ সমান্তৰাল উচ্চতাত দুশাৰী থিয় প্ৰকোষ্ঠৰ মাজত পূৱে ১৩টা আৰু পশ্চিমে ১৪ টা ক্ষুদ্ৰ ক্ষুদ্ৰ ভাস্কৰ্যই ভূষিত কৰিছে। এই ভাস্কৰ্যসমূহ আহোম যুগৰ একোচপৰা চেপেটা ইটাত সংস্থাপিত। তলৰ পৰা পূৱে ৭টা আৰু পশ্চিমে ৮ টা ভাস্কৰ্য কালে ধুই নিলে। বৰ্তি থকা ভাস্কৰ্যসমূহ ওপৰৰ পৰা ক্ৰমে-

পূৱে-

১) চতুৰ্ভুজ বৰাহ অৱতাৰ
২) নাৰায়ণক সাৰটি ধৰা গৰুড় পক্ষী
৩) হাতী এটা দাঙি নিয়া উৰন্ত ড্ৰেগন
৪) চতুৰ্ভুজ নৰসিংহই হিৰণ্যকশিপুৰক উৰুত লৈ নাড়ী-ভুৰু চিঙি থকাৰ মূৰ্তি
৫) শ্ৰীকৃষ্ণৰ কালীয় দমন
৬) মাৰি এডাল লৈ থকা ধ্বংসপ্ৰাপ্ত এক নৰমূৰ্তি

পশ্চিমে-

১) হাতত কমণ্ডলু লৈ চলমান ভংগীমাত থকা এজন ঋষি
২) চতুৰ্ভুজাহু দেৱীমূৰ্তি
৩) হাতত বীণা লৈ ঢেঁকীবাহনত দেৱৰ্ষি নাৰদ
৪) মহিষমৰ্দিনী দশভূজা দুৰ্গা
৫) মুৰুলীমনোহৰ
৬) পক্ষীৰ ওপৰত এগৰাকী দেৱতা

সন্মুখভাগত থকা অন্যান্য ফুলজালী বোৰৰহুবৰ্ণনা দি অন্ত কৰিব নোৱাৰি। তথাপি সন্মুখভাগত থকা কেতবোৰ ফুল-জালীয়ে ক'ব খোজা ছবিবোৰ এনেধৰণৰ-সন্মুখ ভাগৰ গোটেই অংশতে লতা ফুলৰ আকৃতি, মঠ-মন্দিৰৰ আকৃতি, ৰামায়ণৰ কাহিনী বান্দৰে সেঁতু বন্ধা আকৃতি, ময়ূৰ চৰাইৰ কক্কা থকা আকৃতি আদি বিভিন্ন বিচিত্ৰ আকৃতি কাটি থোৱা আছে। দুৱাৰবোৰৰ ওপৰ অংশ দৌলমূৰীয়া আৰু ফুলজালী কটা। দুৱাৰ কেইখনৰ ওপৰাংশ আৰু আওলাৰ তলত চাৰিটা খলপা আছে। ইয়াৰ তলত ৮টা সৰু-সৰু আকৃতিৰ বৰ্গক্ষেত্ৰ আছে। বৰ্গক্ষেত্ৰৰ ভিতৰত ৰম্বাছ ক্ষেত্ৰৰ দৰে জালীকটা। দুৱাৰৰ ওপৰৰ খণ্ডত পুৰা চন্দ্ৰকলা সদৃশ ১১ টা আকৃতি আছে। দুৱাৰ কেইখনৰ ওপৰৰ অংশত চাৰিশাৰী দেৱকোষ্ঠ ভাস্কৰ্যৰে অলংকৃত কৰা আছে। চাৰিশাৰীৰ ওপৰৰ পৰা তললৈ থকা প্ৰথম শাৰীত পদুম ফুল, দ্বিতীয় শাৰীত লতা জাতীয় ফুল, তৃতীয় শাৰীত পদুম ফুল আৰু চতুৰ্থ শাৰীত ২৯ টাকৈ চাৰিচুকীয়া আঙুঠিৰে শোভিত।

ঘৰটোৰ পূৱফালে ওপৰৰ ধেনুভিৰীয়া অংশৰ তলত ৯ টা আৰু পশ্চিমে তদানুৰূপ ৯ টা দেৱ-দেৱতাৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ভাস্কৰ্য কটা আছে। পূৱৰ বেৰৰ ভাস্কৰ্যসমূহ উত্তৰৰ পৰা যতাক্ৰমে- ১) দুই হাতত এটাকৈ দীঘলীয়া ঘট লৈ চলমান নৰমূৰ্তি, ২) এগৰাকী উলংগ নাৰী, ৩) এজোপা গছৰ তলত চলমান হস্তী-হস্তিনী, ৪) এজন জনজাতীয় চিকাৰীয়ে পাতৰ মাজত বহি থকা এটা চৰাই লৈ শৰ এৰি দিয়া ভাস্কৰ্য, চিকাৰীজনৰ মূৰত চৰাইৰ পাখি শোভিত আৰু তূণত কাড় খচিত, ৫) টাআ আহোমৰ চুম-ফা-ৰূং-চেং-ম্যুং (আহোম ৰজাৰ ৰাজকীয় মোহৰ), ৬) বাওঁ কান্ধত হৰিণা ৰাখি সোঁ-হাতেৰে ঠেং এটা চোবাই খোৱা এক আদিম জনজাতীয়পুৰুষ, ৭) পদ্মাসনত বহি থকা এজন যোগী (ধ্যানৰত), ৮) হোৰাত খৰি লৈ এগৰাকী জনজাতীয় মহিলা, ৯) এগৰাকী নৃত্যৰতা নাৰী আৰু এজন বহি থকা পুৰুষ।

পশ্চিমৰ বেৰৰ ভাস্কৰ্যসমূহ উত্তৰৰ পৰা ক্ৰমে- ১) নৃত্যৰতা নাৰীমূৰ্তি, ২) শৰ-ধেনু লৈ এজন ৰাজপুৰুষ, ৩) এগৰাকী ৰাজকন্যা, ৪) এগৰাকী অৰ্ধ উলংগপ্ৰায় নাৰী, ৫) এক চতুৰ্ভুজ মুৰ্তি, ৬) ক্ষয়প্ৰাপ্ত এক মুৰ্তি, ৭) এজন ঋষি আৰু এগৰাকী অপ্সৰা, ৮) ক্ষয়প্ৰাপ্ত এক মুৰ্তি।

গৰ্ভগৃহলৈ সোমোৱা পথত থকা মাজৰ দুৱাৰখন ওখই ৬ ফুট ৩ ইঞ্চি আৰু বহলে ৩ ফুট ৩ ইঞ্চি। ইয়াৰ তিনিওখন দুৱাৰক মেৰাই সন্মুখৰ ফালে তিনিশাৰী লতাজাতীয় ফুলেৰে শোভিত কৰা হৈছে। তিনিশাৰী ফুলৰ তলত পূৱা-পশ্চিমাকৈ সীৰলু কটা আছে। সীৰলুবোৰৰ আকৃতি ইংৰাজী বৰ্ণমালাৰ ভি বৰ্ণৰ নিচিনা। দুশাৰী সীৰলুৰ মাজত সমান্তৰালভাৱে দুটা লিনতেল আছে।

ঘৰটোৰ গৰ্ভগৃহৰ উত্তৰফালে বেৰত এটা বৃহৎ আকাৰৰ



Scanned with OKEN Scanner

মেহৰাব আছে। মেহৰাবৰ ওপৰত সম্পূৰ্ণকৈ ফুলা পদুম ফুল শোভিত। মেহৰাবৰ ওপৰৰ অংশত ৰব টা পূষা চন্দ্ৰকলা সদৃশ খাপ দেখা যায়। মেহৰাবৰ সোঁ আৰু বাওঁকাষত দুটা জালীকটা খুঁটা আছে। খুঁটাৰ আগ আৰু গুৰিত এযোৰকৈ গোলাকৃতিৰ আঁঙুঠি আছে। আঁঙুঠিৰ তলত এপাহকৈ আধা ফুলা পদুম ফুল আছে। আঁঙুঠিৰ মাজৰ খালী ঠাইত ইংৰাজী বৰ্ণমালাৰ ভি আকৃতিৰ অসংখ্য জালীকটা আছে।

### ২.২ দেওৰজা মৈদাম ঃ-



মৈদাম হৈছে আহোম জনগোষ্ঠীৰ লোকৰ পৰম্পৰাগত মৃতদেহ সৎকাৰ প্ৰথা। মৈদাম প্ৰথাৰে সৎকাৰ কৰা মৃতকৰ সমাধিকো মৈদাম বোলে। আহোম ৰাজপৰিয়ালৰ লোক আৰু বিষয়ববীয়াসকলক মৈদাম প্ৰথাৰে সমাধিস্থ কৰা হৈছিল। আহোম সকলে হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ পিছত লাহে লাহে মৃতদেহ সৎকাৰৰ এই প্ৰথা লোপ পায়।

শিৱসাগৰ জিলাৰ চাৰিঙৰ পৰা ৩-৪ কিল'মিটাৰ দক্ষিণে নগা আলিৰ দাঁতিতেই দেওৰজা মৈদাম অৱস্থিত। দুটা পুখুৰীৰ মাজত এই আয়তাকাৰ মৈদামটো অৱস্থিত।

চাওফা চুহুংমুঙৰ চাৰিজন পুতেক আছিল চুক্লেং,চুখ্ৰেং,চুতেং আৰু চুৰেং। চুৰেং চাৰিঙীয়া ৰজা আছিল। ১৪৮৫ শকত চিৰাৰায়ে আহোম ৰাজ্য আক্ৰমণ কৰে। চাৰিঙীয়া ৰজা চুৰেঙক লোকে দেওৰজা বুলিছিল। এই দেওৰজায়ে চিলাৰায়ৰ লগত ৰণ কৰিলে। ৰণত কাৰো হৰা-জিকা নাই। দেওৰজাৰ গাত গোটাচেৰেক মন্ত্ৰৰ কৱচ আছিল। এদিন এইকেইটা থৈ গা ধুবলৈ যাওঁতে চিলনীয়ে থাপ মাৰি নিলে আৰু চিলাৰায়ৰ সৈন্যৰ মাজত পেলাই দিলেগৈ। দেওৰজাই দেখি ঈশ্বৰৰ মন বিসংগতি বুলি ৰণ এৰি চাৰিঙলৈ আহিল আৰু মৈদাম বান্ধি জীয়াই জীয়াই মৈদামত সোমালগৈ। ইয়াক দেওৰজা মৈদাম বোলে। যেতিয়া চিলাৰায়ৰ সৈতে যুদ্ধ হৈছিল তেতিয়া এই দেওৰজাই ঘোঁৰাত উঠি দিখৌ নৈ পাৰ হৈছিল। কিন্তু দিখৌ নৈত দেওৰজাৰ ঘোঁৰাটো ডুবি যোৱা নাছিল। তেতিয়াই চিলাৰায়ে তেওঁক ঐশ্বৰিক শক্তিৰ প্ৰতিপন্ন বুলি চিনাক্ত কৰিছিল। তাৰেই প্ৰমাণ কৰিবলৈ চিলাৰায়ে তেওঁক নাওখেল খেলিবলৈ দিছিল। নাওখেলত তেওঁ দিখৌৰ পানীত তীব্ৰবেগেৰে নাও চলাই প্ৰথম হৈছিল। তেতিয়াই চিলাৰায়ে তেওঁৰ নামটো 'দেওৰজা' দিছিল। উল্লেখযোগ্য যে যোৱা বছৰৰ পৰা এই 'দেওৰজা মৈদাম' অসমৰ প্ৰত্নতত্ত্ব বিভাগৰ দায়িত্বত আছে।

### উপসংহাৰ ঃ-

শিৱসাগৰ জিলাৰ ঐতিহ্য বহন কৰা এই কীৰ্তি চিহ্নসমূহৰ গুৰুত্বৰ কথা অনুধাৱন কৰি এইসমূহ সংৰক্ষণ কৰাটো অতি প্ৰয়োজনীয়। এই ঐতিহাসিক স্থানসমূহে জিলাখনক পৃথিৱীৰ ভিতৰতে এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে।

সাম্প্ৰতিক সময়ত এই কীৰ্তি চিহ্নসমূহ চাবলৈ অজস্ৰ পৰ্যটকৰ আগমন হয়। এই কীৰ্তিচিহ্নসমূহ তথা দ'ল, দেৱালয়, পুখুৰী আদিয়ে ইতিহাসৰ এক সুন্দৰ বৰ্ণনা দাঙি ধৰে। সেয়েহে আমি এই সম্পদসমূহক চৰকাৰীভাৱে সংৰক্ষণ তথা পৰ্যবেক্ষণৰ স্থলী হিচাপে চিনাকি কৰি ভৱিষ্যত প্ৰজন্মৰ বাবে সংৰক্ষণৰ সু-ব্যৱস্থা কৰাত গুৰুত্ব দিব লাগে। এই ক্ষেত্ৰত স্থানীয় প্ৰশাসন, চৰকাৰ তথা অন্যান্য ব্যক্তি আৰু বেচৰকাৰী সংস্থাৰো ভূমিকা আছে।

### ৫.০ প্ৰসংগ পুথি ঃ-


- নেওগ, মহেশ্বৰ (সম্পাদনা) ঃ 'পবিত্ৰ অসম' প্ৰকাশক ঃ কিৰণ প্ৰকাশ,২০০৮
- বুঢ়াগোহাঁই, নবীন ঃ 'শিৱসাগৰ', বনলতা, নতুন বজাৰ, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ-২০২২
- https://as.vikashpedia.in.education



**প্ৰস্তুতকৰ্তা ঃ**

পল্লৱী বৰুৱা, য়েছমিন বেগম, ডিম্পী গগৈ, সমীৰণ ভাগৱতী, বৰষা চুতীয়া, পাৰ্থ প্ৰতীম আৰন্ধৰা, মীনাক্ষি সন্দিকৈ, বৰষা গগৈ।




Scanned with OKEN Scanner

# আহোম যুগত খন্দোৱা শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ কেইটামান পুখুৰী

## ১.০ অৱতৰণিকা ঃ

টাই আহোমসকল হৈছে অসম আৰু অৰুণাচলত বসবাস কৰা উত্তৰ-পূবৰ আটাইতকৈ ডাঙৰ টাই জনগোষ্ঠী। অসমত স্বৰ্গদেউ চাওলুং চ্যু-কা-ফাই ১২২৮ খ্ৰীষ্টাব্দত আহোম ৰাজ্য স্থাপন কৰিছিল আৰু এই আহোমসকলে ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰায় ৬১০বছৰ শাসন কৰে। আহোম বংশৰ এই দীঘলীয়া শাসনকালত বিভিন্ন আহোম ৰজাই অসমৰ বিভিন্ন ঠাইত বিভিন্ন ধৰণৰ স্থাপত্য- ভাস্কৰ্য, দৌল-দেৱালয়, সাঁকো আদি নিৰ্মাণ কৰোৱায় আৰু লগতে বিভিন্ন ঠাইত বহুতো পুখুৰী খন্দোৱায়।

অসমীয়া সংস্কৃতিৰ স্থাপত্য কলালৈ আহোম যুগৰ পুখুৰী এক উল্লেখযোগ্য অৱদান। উন্নত পৰ্যায়ৰ বৈজ্ঞানিক কলা-কৌশলেৰে নিৰ্মিত এই পুখুৰীসমূহৰ পানী নিৰ্মল,পৰিস্কাৰ আৰু খোৱাৰ উপযোগী। ৰজাঘৰীয়া পুখুৰী খন্দোৱাৰ দায়িত্ব আছিল বৰবৰুৱাৰ ওপৰত। আহোম যুগত পুখুৰী খন্দাৰ অভিজ্ঞ বিশেষজ্ঞ ৰাজ-বিষয়াই মাটি পৰীক্ষা কৰি পুখুৰীৰ স্থান নিৰ্ণয় কৰিছিল। ইয়াৰ উপৰিও দেওধাই পণ্ডিতৰ হতুৱাই বানচেং মাৰিও পুখুৰীৰ স্থান নিৰ্ণয় কৰিছিল। এই পুখুৰী সমূহ বিশেষকৈ পানীৰ উহঁ থকা স্থানতহে খন্দোৱা হৈছিল। আহোম যুগত খন্দোৱা অসংখ্য পুখুৰীৰ ভিতৰত শিৱসাগৰ পুখুৰী, জয়সাগৰ পুখুৰী, ৰুদ্ৰসাগৰ পুখুৰী আদিৰ দৰে পুখুৰীসমূহ বিখ্যাত। ইয়াৰ উপৰিও ভিতৰুৱা অঞ্চলসমূহত আহোম স্বৰ্গদেউসকলে খন্দোৱা এনে কিছুমান পুখুৰী আছে যিসমূহ এতিয়াও মানুহে ভালদৰে চিনি নাপায় বা তাৰ বিষয়ে নাজানে। ঐতিহাসিক ঐতিহ্যপূৰ্ণ এই পুখুৰীসমূহে অসমৰ পৰ্যটনৰ ক্ষেত্ৰখনতো বিশেষ ভূমিকা পালন কৰে।

## ১.০১ বিষয়ৰ পৰিচয় ঃ

আমি আমাৰ অধ্যয়নৰ বাবে আহোম যুগত শিৱসাগৰ আৰু চৰাইদেউ জিলাত খন্দোৱা পুখুৰীসমূহৰ ভিতৰত ৫ টা পুখুৰী নিৰ্বাচন কৰিছোঁ। এই পুখুৰী কেইটা হ'ল ঃ-

১) নাহৰ পুখুৰী
২) শ-ধোৱা পুখুৰী
৩) আইদেউ পুখুৰী
৪) নেওগ গোহাঁই পুখুৰী
৫) পেহী পুখুৰী।

## ১.০২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ

আহোম যুগত শিৱসাগৰ আৰু চৰাইদেউ জিলা বিভিন্ন ঠাইত খন্দোৱা কেইটামান নিৰ্দিষ্ট পুখুৰী আইদেউ পুখুৰী, নাহৰ পুখুৰী, শ-ধোৱা পুখুৰী, নেওগ গোহাঁই পুখুৰী, পেহী পুখুৰী সম্পৰ্কে অধ্যয়ন আৰু তথ্য সংগ্ৰহ কৰাটোৱেই আলোচনা পত্ৰখনৰ লক্ষ্য আৰু উদ্দেশ্য।

## ১.০৩ অধ্যয়নৰ পদ্ধতি ঃ

অধ্যয়নৰ পদ্ধতি হিচাপে ক্ষেত্ৰভিত্তিক অধ্যয়ন পদ্ধতি ব্যৱহাৰ কৰা হৈছে।

## ১.০৪ অধ্যয়নৰ পৰিসৰ ঃ

অধ্যয়নৰ পৰিসৰত আহোম যুগত খন্দোৱা শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ পাঁচটা পুখুৰী- নাহৰ পুখুৰী, শ-ধোৱা পুখুৰী, আইদেউ পুখুৰী, নেওগ গোহাঁই পুখুৰী, পেহী পুখুৰীক সামৰি লোৱা হৈছে।

## ১.০৫ অধ্যয়নৰ গুৰুত্ব ঃ


অসমীয়া সংস্কৃতিৰ স্থাপত্য কলালৈ আহোম যুগৰ অৱদান উল্লেখযোগ্য। ছশ বছৰীয়া আহোম ৰাজত্বকালত স্বৰ্গদেউসকলে ৰাজ্যৰ বিভিন্ন স্থানত বিভিন্ন কাৰণত বহুতো পুখুৰী খন্দোৱাইছিল। ইয়াৰে শিৱসাগৰ আৰু চৰাইদেউ জিলাত আহোম যুগত খন্দোৱা বহুতো পুখুৰী দেখা পোৱা যায়। এই পুখুৰী সমূহৰ উপৰিও বহুতো ভিতৰুৱা অঞ্চলত সৰু সৰু ৰহস্যময় পুখুৰী খন্দোৱা হৈছিল যিসমূহ বিশেষ ভাৱে চৰ্চিত হোৱা দেখা নাযায়। গতিকে উক্ত অধ্যয়নত শিৱসাগৰ আৰু

চৰাইদেউ জিলাৰ ভিতৰুৱা অঞ্চলৰ নিৰ্দিষ্ট কেইটামান পুখুৰী সম্পৰ্কে তথ্য সংগ্ৰহ কৰিবলৈ চেষ্টা কৰা হৈছে।

### ২.০ বিষয়ৰ বৰ্ণনা ঃ

১২২৮ খৃষ্টাব্দৰ পৰা ১৮২৬ খৃষ্টাব্দলৈ অৰ্থাৎ ১৩ শতিকাৰ পৰা ১৯ শতিকাৰ আৰম্ভণিৰ লৈকে সুদীৰ্ঘ ছশ টা বছৰে অসমত আহোম সকলৰ বলিষ্ঠ নেতৃত্বত বৃহত্তৰ অসমীয়া সমাজ গঠনৰ সোণালী ইতিহাসৰ আৰম্ভণি হৈছিল। এই সময়ছোৱাত অসমীয়া সংস্কৃতিৰ স্থাপত্য কলালৈ তেওঁলোকে যথেষ্ট অৱদান আগবঢ়াই থৈ গৈছিল। ইয়াৰে ভিতৰত তেওঁলোকে খন্দোৱা বিভিন্ন সৰু বৰ পুখুৰী সমূহ উল্লেখযোগ্য। আহোম স্বৰ্গদেউ সকলে শিৱসাগৰ আৰু চৰাইদেউ জিলাত বহুতো পুখুৰী খন্দোৱাইছিল। ইয়াৰে ভিতৰত কিছুমান ভিতৰুৱা অঞ্চলত ৰহস্যময় বহুতো সৰু সৰু পুখুৰী দেখা পোৱা যায়। যেনে :- নাহৰ পুখুৰী,শ-ধোৱা পুখুৰী , আইদেউ পুখুৰী, নেওগ গোহাঁই পুখুৰী। এই পুখুৰী সমূহৰ বিষয়ে তলত উল্লেখ কৰা হ'ল —

### ২.০১ পেহী পুখুৰী ঃ



চৰাইদেউ জিলাৰ লংপতিয়াত ৰজা গদাধৰ সিংহই খন্দোৱা এক ঐতিহ্যপূৰ্ণ পুখুৰী হৈছে পেহী পুখুৰী। এই পুখুৰীটোৰ 'দ' হৈছে ৩০ ফুট তথা ইয়াৰ মুঠ মাটিকালি ১০ বিঘা ৪ কঠা ১২লোচা ।এই পুখুৰীটোৰ এক ৰহস্যময় কাহিনী আছে। **কাহিনীটো এনেধৰণৰ ঃ-**

আহোমসকলৰ ৬০০ বছৰীয়া ৰাজত্বকালত চুলিকফা ৰজাৰ নিৰ্দেশমৰ্মে চাউদাং সকলে যেতিয়া গদাপাণিক বিচাৰি ফুৰিছিল তেতিয়া গদাপাণিয়ে নিজকে বচাই অ'ত-ত'ত পলাই ফুৰিছিল। গদাপাণিয়ে পলাই ফুৰোতে এদিন সৰু পুখুৰী এটাত কেইগৰাকীমান তিৰোতাই কাপোৰ ধুই থকা অৱস্থাত লগ পালে আৰু তেওঁক ল'ৰা ৰজাৰ চাউদাংসকলৰ পৰা ৰক্ষা কৰিবলৈ অনুৰোধ জনালে। এই কথা শুনি মহিলাকেইগৰাকীয়ে তেওঁলোকে ধুই থকা কাপোৰেৰে গদাপাণিক ঢাকি লুকুৱাই থৈছিল তথা চাউদাং সকলে তেওঁলোকক মানুহ এজনক দেখিছে নি বুলি শুধাত মহিলাকেইগৰাকীয়ে অন্য এটা দিশ দেখুৱাই দিলে। ইয়াৰ পিছত গদাপাণিক তেওঁলোকে চাউদাং সকলে যোৱা বিপৰীত দিশে পলাই যাবলৈ কৈছিল। গদাপাণিয়ে মহিলাসকলক পেহী বুলি সম্বোধন কৰিছিল আৰু তেওঁলোকক ধন্যবাদ জনাইছিল। তেওঁ যদি ৰজা হয় তেতিয়া ইয়াত এটা পুখুৰী খন্দোৱাই 'পেহী পুখুৰী' বুলি নামকৰণ কৰিম বুলি প্ৰতিশ্ৰুতি দিলে। পৰবৰ্তী সময়ত গদাপাণি যেতিয়া ৰজা হ'ল তেতিয়া তেওঁ সেই দিনটোৰ স্মৃতি অনুসৰণ কৰি এটা পুখুৰী খন্দোৱাই 'পেহী পুখুৰী' নাম দি নিজৰ প্ৰতিশ্ৰতি পালন কৰে।

এনেদৰেই এই ৰজাঘৰীয়া ঐতিহ্যময় 'পেহী পুখুৰী'ৰ সৃষ্টি হয়।


### ২.০২ নাহৰ পুখুৰী ঃ



নাহৰ পুখুৰী বৰ্তমান বৰুৱাচালি মৌজাৰ নাহৰ পুখুৰী কোৱঁৰ বাজহ গাঁৱৰ অন্তৰ্গত। এই পুখুৰীৰ মুঠ মাটিকালি ৫ বিঘা ২ কঠা ১৫ লোচা।নাহৰ পুখুৰী নাহৰ কোঁৱৰে খন্দাইছিল।

নাহৰ কোৱঁৰ আছিল স্বৰ্গদেউ চুখামফাৰ তোলনীয়া পুত্ৰ। স্বৰ্গদেউ চুখামফাৰ বৰ মেলচৌ আৰু সৰু মেলচৌ নামৰ দুগৰাকী পত্নী আছিল। দুয়োগৰাকী পত্নী অপুত্ৰক হোৱাত স্বৰ্গদেউৰ আজ্ঞা অনুসৰি নিজৰ খেলৰ নাহৰ নামৰ এটি পুত্ৰ তুলি লয়।ৰজাৰ পুত্ৰ হৈ নাহৰ অহংকাৰী হৈ ৰাজবিষয়াৰ কাৰ্যত হস্তক্ষেপ কৰিবলৈ ধৰে। সেয়েহে ডা-ডাঙৰীয়া সকল অসন্তুষ্ট হৈ নাহৰ কোৱঁৰক বধ কৰে।


### ২.০৩ শ-ধোৱা পুখুৰী ঃ



শ-ধোৱা পুখুৰী চৰাইদেউ জিলাৰ অন্তৰ্গত নিমনাগড়ত অৱস্থিত। এই পুখুৰীটোৰ মাটিকালি ৬ পোৱা ১ বিঘা ১০ লোচা।

গড়গাঁও নগৰৰ উত্তৰ পূৰ্ব কোণৰ পৰা চৰাইদেউ পৰ্বতৰ মৈদামলৈকে শ' নিয়া আলি নামে এটা আলি আছিল। আহোম স্বৰ্গদেউসকলৰ মৃত্যু হোৱাৰ পাছত গায়নে বায়নে ৰজাক শ' নিয়া আলিয়েদি নি প্ৰথমতে এই পুখুৰীটোৰ পাৰত শ-ধোৱাই ৰীতিমতে প্ৰাৰ্থনা কৰি পিছত মৈদাম দিছিল। শ-ধোৱাৰ কাৰণে এই পুখুৰীটোৰ নাম শ'-ধোৱা পুখুৰী হ'ল।


### ২.০৪ আইদেউ পুখুৰী ঃ



স্বৰ্গদেউ গৌৰীনাথ সিংহই মাহীমাক আইদেউৰ স্মৃতিত খন্দোৱা এক ঐতিহ্যপূৰ্ণ পুখুৰী হৈছে আইদেউ পুখুৰী। অভয়পুৰ মৌজাৰ আইদেউ পুখুৰী বাগান তিনিআলিত অৱস্থিত এই পুখুৰীটোৰ মুঠ মাটিকালি ১১বিঘা ৩; কঠা ১৪ লোচা।

ৰজা গৌৰীনাথ সিংহৰ মাহীমাকৰ নাম আছিল নাফুকি আইদেউ। নাফুকি আইদেউৰ বাসস্থান আছিল আইদেউ পুখুৰীৰ বাগানৰ মাজত। তেওঁৰ যেতিয়া মৃত্যু হৈছিল, তেওঁক এই ঠাইতে সমাধি দিয়া হৈছিল আৰু তেওঁৰ স্মৃতিতে তেওঁৰ নাম অনুসৰি স্বৰ্গদেউ গৌৰীনাথ সিংহই 'আইদেউ পুখুৰী' খন্দোৱাইছিল।

### ২.০৫ নেওগ গোহাঁই পুখুৰী ঃ



স্বৰ্গদেউ জয়ধ্বজ সিংহৰ ৰাজত্ব কালত বুঢ়া ৰজাৰ দিনত ১৬৩১ চনত নেওগ গোহাঁই পুখুৰী খন্দোৱা হৈছিল। খন্ধাই বৰফুকন হালধি ঠেঙা নেওগ গোঁহাইৰ নামত এই পুখুৰীৰ নাম নেওগ গোহাঁই পুখুৰী হৈছিল। বুৰঞ্জী প্ৰসিদ্ধ এই পুখুৰীটো শিৱসাগৰ জিলাৰ চাৰিং অঞ্চলৰ বান্ধৰতী গাঁৱত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে অৱস্থিত। এই পুখুৰীটোৰ মাটিকালি ৩ বিঘা ১ কঠা ৩ লোচা। উল্লেখযোগ্য যে ১৯৩৪ চনত মহাত্মা গান্ধীয়ে এই পুখুৰীটোৰ পাৰত পদাৰ্পণ কৰিছিল আৰু স্বাধীনতা সংগ্ৰামৰ বাবে জনজাগৰণৰ সৃষ্টি কৰিছিল ।

### উপসংহাৰ ঃ-

আহোম যুগত খন্দোৱা পুখুৰী বুলিলে উল্লেখযোগ্য বহুতো পুখুৰীৰ কথা আমি সকলোৱে জানো কিন্তু কিছুমান ভিতৰুৱা অঞ্চলতো যে আহোম যুগৰ বহুতো পুখুৰী খন্দোৱা হৈছিল সেই কথা সকলোৱে অৱগত নহয়। এই আলোচনা পত্ৰখনৰ পৰা আমি শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ভিতৰুৱা অঞ্চলৰ আহোম যুগত খন্দোৱা কেইটামান পুখুৰীৰ বিষয়ে অৱগত হোৱাৰ লগতে ইয়াৰ বিষয়ে তথা ইয়াৰ লগত জড়িত বিভিন্ন তথ্য লাভ কৰিলোঁ। ❑

**প্ৰস্তুতকৰ্তা ঃ**

পূজা শৰ্মা, ৰশ্মি কুণ্ডু, নিশিতা তালুকদাৰ,

সান্ত্বনা হাজৰিকা, ৰুণালী গগৈ, অনামিকা পল।

# শিৰসাগৰ জিলাৰ জয়সাগৰত অৱস্থিত- 'ফাকুৱা দ'ল আৰু ৰংগনাথ শিৱ দ'ল- এক অধ্যয়ন

**১.০. অৱতৰণিকা ঃ**

ভাৰত দেশৰ অসম ৰাজ্যৰ এখন প্ৰশাসনিক তথা ঐতিহাসিকভাৱে এখন অতি গুৰুত্বপূৰ্ণ জিলা হ'ল- শিৱসাগৰ জিলা। ছশ বছৰীয়া আহোম ৰাজবংশৰ বহু উত্থান-পতনৰ সাক্ষী এই শিৱসাগৰ জিলা। সমগ্ৰ জিলাখনতে আহোম শাসনকালৰ অলেখ স্থাপত্য, ভাস্কৰ্য, মৈদাম, পুখুৰী, গড়, আলিবাট আদি সিঁচঁৰতি হৈ আছে।

**১.১. বিষয়ৰ পৰিচয় ঃ**

আহোম যুগৰ বিভিন্ন ঐতিহাসিক স্থানসমূহৰ ভিতৰত আমি অধ্যয়নৰ বাবে নিৰ্বাচন কৰি লোৱা দুটি স্থান হ'ল - শিৱসাগৰ জিলাৰ জয়সাগৰত অৱস্থিত -

(১) ফাকুৱা দ'ল আৰু (২) ৰঙ্গনাথ শিৱ দ'ল বা মন্দিৰ।

স্বৰ্গদেউ ৰুদ্ৰসিংহৰ (খৃঃ১৬৯৬-১৭১৪) ৰাজত্ব কালত নিৰ্মাণ কৰা হৈছিল এই ফাকুৱা দ'ল আৰু ৰঙ্গনাথ শিৱ দ'ল। ১৭০৩-০৪ খৃ:ত নিৰ্মাণ কৰা এই দুটি ঐতিহাসিক নিদৰ্শনৰ বিষয়ে বৰ্তমান সময়লৈকে অসমৰ জনসাধাৰণ জ্ঞাত নহয়। ৰংঘৰ, কাৰেংঘৰৰ দৰে এই ঐতিহাসিক নিদৰ্শন দুটিৰ বিষয়ে জনমানসত চৰ্চা হোৱা দেখা পোৱা নাযায়। থলুৱা লোকৰ বাহিৰে অসমৰ আন ঠাইৰ মানুহে খুব কমেইহে এই নিদৰ্শন দুটাৰ নাম জানে বুলি ক'ব পাৰি। সেয়েহে আমি জিলাখনৰ প্ৰখ্যাত স্থান সমূহ বাদ দি এই অখ্যাত ঐতিহাসিক স্থান দুটিক নিৰ্বাচিত কৰিলোঁ।

**১.২. অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ-**

আমাৰ এই অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য সমূহ তলত দাঙি ধৰা হ'ল ঃ-

১)শিৱসাগৰ জিলাৰ ঐতিহাসিক কীৰ্তি -চিহ্ন ফাকুৱা দ'ল আৰু ৰংগনাথ শিৱদল'ৰ ইতিহাসৰ সম্পৰ্কে আলোচনা কৰা।

২) প্ৰাকৃতিক সম্পদৰ লগত ঐতিহাসিক কীৰ্তি-চিহ্নবোৰ কেনেদৰে সুৰক্ষিত কৰি ৰাখিছে তাক পৰ্যবেক্ষণ কৰা। ইয়াৰ জৰিয়তে সামাজিক পৰিবেশ আৰু ইয়াৰ সৌন্দৰ্যক সুৰক্ষিত কৰি ৰাখিবলৈ আগ্ৰহী কৰি তোলা। কীৰ্তি-চিহ্নসমূহ পৰ্যবেক্ষণ কৰি নতুন নতুন তথ্য সমূহৰ জ্ঞান আহৰণ কৰা।

৪) ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে নিজৰ চকুৰে দেখি তাৰ অসুবিধাবোৰ পৰ্যবেক্ষণ কৰা আৰু ল'ব লগা পদক্ষেপ সমূহৰ বিষয়ে অধ্যয়ন কৰা।

**১.৩. অধ্যয়নৰ পদ্ধতি ঃ-**

আমি অধ্যয়নৰ বাবে ক্ষেত্ৰ ভিত্তিক অধ্যয়ন পদ্ধতি কৰিছিলোঁ। অধ্যয়নৰ বাবে প্ৰয়োজনীয় প্ৰাথমিক তথ্যৰ বাবে প্ৰত্যক্ষভাৱে স্থানৰ পৰ্যবেক্ষণ কৰা হৈছিল। দ্বিতীয়ক তথ্যৰ বাবে ইন্টাৰনেটক সমল হিচাপে ব্যৱহাৰ কৰা হৈছিল।

**১.৪. অধ্যয়নৰ পৰিসৰ ঃ**

আমাৰ এই অধ্যয়নৰ পৰিসৰ শিৱসাগৰ জিলাৰ ভিতৰতে সীমিত। ইয়াত শিৱসাগৰ জিলাৰ জয়সাগৰ অঞ্চলত অৱস্থিত ঐতিহাসিক ফাকুৱা দ'ল আৰু ৰংগনাথ শিৱ দ'লৰ বিষয়ে গৱেষণামূলক অধ্যয়নৰ প্ৰস্তুত কৰা হৈছে।

**১.৫ অধ্যয়নৰ গুৰুত্ব ঃ**


আমাৰ এই অধ্যয়নৰ গুৰুত্ব তথা প্ৰয়োজনীয়তাৰ বিষয়ে তলত উল্লেখ কৰা হ'ল -

শিৱসাগৰ জিলাৰ ঐতিহাসিক কীৰ্তি-চিহ্ন ফাকুৱা দ'ল আৰু ৰংগনাথ শিৱ দ'লৰ বৰ্তমান অৱস্থিতি তথা সংৰক্ষণৰ ব্যৱস্থা কৰা। বৰ্তমান সময়ত এই সম্পদসমূহক চৰকাৰীভাৱে সংৰক্ষণ তথা পৰ্যবেক্ষণৰ স্থল হিচাপে বহল পৰ্যায়ত চিনাকি কৰি দিয়া। নৱপ্ৰজন্মক এই আপুৰুগীয়া সম্পদসমূহৰ বিষয়ে জ্ঞান অৰ্জন কৰাত সহায় কৰা।


**২.০ বিষয়ৰ বৰ্ণনা ঃ**

**২.১. ফাকুৱা দ'ল ঃ**

সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতে একক আৰু অসামান্য স্থাপত্য কলাৰ নিদৰ্শন হিচাপে পৰিচিত, শিৱসাগৰ জিলাৰ জয়সাগৰত অৱস্থিত এই ঐতিহাসিক ফাকুৱা দ'ল। আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহই তেওঁৰ ৰাজত্ব কালত ১৭০৩-০৪ খৃঃ ত এই ফাকুৱা দ'ল নিৰ্মাণ কৰাইছিল বুলি জনা যায়। চাক্ষুষ দৃষ্টিৰে দ'লৰ আকৃতিৰ এই নিদৰ্শনৰ অন্তৰ্ভাগ প্ৰকৃততে মৈদামহে।



এই ঐতিহাসিক ফাকুৱা দ'ল স্বৰ্গদেউ ৰুদ্ৰসিংহই তেঁওৰ মাতৃ সতী জয়মতীৰ স্মৃতিত নিৰ্মাণ কৰাইছিল বুলি জনা যায়। লোকবিশ্বাস অনুসৰি, চাউদাঙৰ আসুৰিক নিৰ্যাতনত মৃত্যু হোৱা জয়মতীৰ মৃতদেহটো লালুক সোলাৰ নিৰ্দেশত জেৰেঙাৰ কোনো এক স্থানত গোপনে সৎকাৰ কৰা হৈছিল। কিন্তু পিছলৈ যেতিয়া জয়মতীৰ পুত্ৰ ৰুদ্ৰসিংহই ৰাজপাটত বহিল, তেতিয়া ৰুদ্ৰসিংহই মাতৃ জয়মতী কুঁৱৰীৰ এটি সোণৰ প্ৰতিমা নিৰ্মাণ কৰাই য'ত নিয়মেৰে উক্ত স্থানত মৈদাম দিয়ে। পাছত মৈদামৰ ওপৰতে ফাকুৱা দ'ল নিৰ্মাণ কৰায়। এই বিষয়ে তেজপুৰৰ জামুগুৰিৰ নন্দিকেশ্বৰ দেৱালয়ৰ তামৰ ফলিত উল্লেখ আছে। স্বৰ্গদউ ৰুদ্ৰসিংহৰ ৰাজত্ব কালত নিৰ্মিত এই মৈদাম তথা দ'ল ইটাৰে সজ্জিত। আহোমসকলৰ ধৰ্মীয় মন্দিৰ সমূহ যিদৰে আঠকোণীয়া, ঠিক সেইদৰে এই ফাকুৱা দ'লটোৰ মাটিৰ সমান্তৰালভাৱে আঠটা বৃহৎ পকী খুঁটা আছে। এই আঠোটা খুঁটাক অঙ্গশেষৰ বুলি কোৱা হয়। ইয়াৰ কেন্দ্ৰীয় উচ্চতালৈ প্ৰায় ৩৮টা খটখটি বনোৱা আছে। খটখটি বিলাক ক্ৰমাৎ ওপৰলৈ জোঙা হৈ গৈছে আৰু একেবাৰে ওপৰত এখন চেপেটা মজিয়াত সংলগ্ন হৈ আছে। দ'লটোৰ পৰিধি প্ৰায় ৯০ ফুট আৰু ইয়াৰ উচ্চতা প্ৰায় ৩০ ফুট।




মেক্সিকোৰ য়ুকাটান উপ-দ্বীপত ৬০০ খৃ:ত থকা মায়া সভ্যতাৰ 'চিছেন ইটজা'ৰ খলপা-খলপে থকা গাঁথনি শৈলীৰ দৰে এই ফাকুৱা দ'ল পিৰামিডৰ আৰ্হিৰে তেনেকৈ সজা হৈছে। এই চকুত লগা দ'লৰ গাঁথনিৰ লগত দক্ষিণ-পূব এছিয়াৰ পূব জাভাৰ বৰবুডুৰ মন্দিৰৰ গাঁথনিৰ সাদৃশ্যতা পৰিলক্ষিত হয়।

**বৰ্তমানৰ স্থিতি ঃ**



সমগ্ৰ ভাৰতবৰ্ষত নথকা আৰ্হিৰ স্থাপত্যৰে নিৰ্মিত এই ফাকুৱা দ'লৰ চৌপাশে সম্প্ৰতি গঢ়ি উঠা একাধিক আৱাস গৃহই দ'লটো আৱৰি ধৰি ইয়াৰ সৌন্দৰ্য্য নষ্ট হোৱা পৰিলক্ষিত হৈছে। দ'লটোৰ এলেকাৰ পৰা নিৰ্গত হোৱা পানী ওলাই যোৱাৰ পথ সমূহ পোত যোৱা দেখা গৈছে। দ'লটোৰ অংশ বিশেষে জহি-খহি যোৱাৰ লগতে শীৰ্ষ পৰ্যন্ত ঘাঁহ-বন গজি তাৰ সৌন্দৰ্য্য নষ্ট হৈ গৈছে। গৰু-ছাগলীৰ অবাধ বিচৰণে দ'লৰ চাৰিওপাশৰ পৰিৱেশ বিনষ্ট কৰি তুলিছে।


মৈদাম তথা দ'লৰ সংমিশ্ৰণ এই ঐতিহাসিক কীৰ্তিচিহ্নটিৰ বিষয়ে মাত্ৰ দুই-তিনিটা তথ্যৰে সমৃদ্ধ ফলক এখন লগাই প্ৰত্নতত্ত্ব সঞ্চালকালয় তথা অসম চৰকাৰে দায়িত্ব সামৰিছে বুলি আমি একেষাৰে ক'ব পাৰোঁ। যদিহে এই স্থানত জয়মতী কুঁৱৰীৰ মৈদাম আছে, তেন্তে ওপৰ অংশ মন্দিৰ সদৃশ নিৰ্মাণ কৰাই ইয়াৰ নাম ফাকুৱা দ'ল কিয় ৰখা হল এই বিষয়ে কোনোধৰণৰ তথ্য এই ফলকত দেখা নগ'ল। ফাকুৱা উৎসৱৰ সময়ত ইয়াত কোনো পুজা অৰ্চনা কৰা হৈছিল বুলি প্ৰবাদ আছে যদিও উক্তস্থানত কোনো ধৰণৰ প্ৰমাণ বৰ্তমান দেখা পোৱা নাযায়। এক কথাত ক'বলৈ গ'লে এই ঐতিহাসিক স্থান বৰ্তমান

অতি জৰাজীৰ্ণ এলেকাত পৰিণত হৈ পৰিছে।


**২.২ ৰঙ্গনাথ শিৱ দ'ল বা মন্দিৰ ঃ**



ফাকুৱা দলৰ কিছু নিলগত অৱস্থিত ৰঙ্গনাথ শিৱ দ'ল। স্বৰ্গদেউ ৰুদ্ৰসিংহই তেখেতৰ ৰাজত্ব কালত ১৭০৩খৃ:ত এই দ'ল নিৰ্মাণ কৰাইছিল। হিন্দুধৰ্ম গ্ৰহণ কৰা হেতুকে স্বৰ্গদেৱে এই দ'লত শিৱ পূজা কৰিছিল। ৰঙ্গনাথ শিৱ দ'ল ইটাৰে নিৰ্মিত এক মনোৰম মন্দিৰ। মন্দিৰৰ গৰ্ভগৃহৰ ওপৰভাগত শিখৰ অৱস্থিত। গৰ্ভগৃহত এটি শিৱলিঙ্গ স্থাপন কৰা আছে। গৰ্ভগৃহৰ সন্মুখ ভাগটো দুইচলা মন্দপেৰে সংলগ্ন কৰা হৈছে। প্ৰবাদ অনুসৰি স্বৰ্গদেউ ৰুদ্ৰসিংহই জয়সাগৰ পুখুৰী খনন কৰোৱাৰ পাছত ইয়াৰ পাৰত ভগৱান শিৱক পূজা অৰ্চনা কৰিবলৈ মনস্থ কৰাৰ অৰ্থে এই ৰঙ্গনাথ শিৱ দ'ল নিৰ্মাণ কৰাইছিল।



**বৰ্তমানৰ স্থিতি ঃ**



আহোম যুগৰ এই দ'ল বা মন্দিৰটোৰ বৰ্তমানৰ অৱস্থা কিছু উন্নত যদিও মন্দিৰৰ চৌপাশৰ গাতে লগাই আৱাস গৃহ গঢ় লৈ উঠা পৰিলক্ষিত হয় ।

স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনৰে পৰা বৰ্তমানলৈ দ'লটিত শিৱদেৱতাৰ পূজা-অৰ্চনা চলি আহিছে। সেই দিশৰ পৰা চাবলৈ গ'লে শিৱসাগৰৰ মাজমজিয়াত অৱস্থিত শিৱদৌলৰ তুলনাত ৰংগনাথ শিৱদ'লটি প্ৰচাৰ বিমুখ হৈ থকা পৰিলক্ষিত হৈছে।

**৩.০ উপসংহাৰ ঃ**

শিৱসাগৰ জিলাৰ ঐতিহ্য বহনকাৰী আহোমযুগৰ এই কীৰ্তিচিহ্ন সমূহ সংৰক্ষণ কৰাটো বৰ্তমান অতি প্ৰয়োজনীয়। সাম্প্ৰতিক সময়ত জিলাখনৰ আন-আন প্ৰসিদ্ধ কীৰ্তিচিহ্ন সমূহ চাবলৈ প্ৰতি বছৰে বিভিন্ন দেশৰ পৰ্যটকৰ আগমন ঘটে তেনে স্থলত শিৱসাগৰ নগৰৰ পৰা মাত্ৰ ৪ কি:মি: নিলগত অৱস্থিত এই প্ৰাচীন স্থান দুটিৰ সংৰক্ষণ তথা প্ৰচাৰ আৰু প্ৰসাৰ কৰাটো উচিত। এই ক্ষেত্ৰত চৰকাৰৰ লগতে স্থানীয় ৰাইজৰ সহযোগিতা নিতান্তই প্ৰয়োজনীয়। ❑

**প্ৰস্তুতকৰ্তা ঃ**

ৰূপম ডেকা, চানু হাজৰিকা, অনিন্দিতা দুৱৰী, শিল্পীশিখা গগৈ, জাহ্নৱী টায়ে।



# চৰাইদেউ জিলাৰ লাংকুৰী দেওশাল আৰু শ-ধোৱা পুখুৰী সম্পৰ্কে এক অধ্যয়ন

**১.০ অৱতৰণিকা ঃ**

**১.১ বিষয়ৰ পৰিচয়**

দেওশাল হৈছে আহোমসকলৰ এক পবিত্ৰ উপাসনাস্থলী। চৰাইদেউ পৰ্বতৰ শিখৰত সমূহীয়া উপাসনা স্থলীৰূপে প্ৰতিস্থিত দেওশাল এক- ঐতিহ্যমণ্ডিত কীৰ্তিচিহ্ন। চৰাইদেউ জিলাৰ দ'লবাগান অঞ্চলত এই কীৰ্তিচিহ্ন অৱস্থিত। আহোমৰ প্ৰথম স্থায়ী ৰাজধানী চৰাইদেউত স্বৰ্গদেউ চাওলুং চ্যুকাফাই ১২৫৩ খ্ৰীষ্টাব্দত দেওশালৰ প্ৰতিষ্ঠা কৰে। অন্যহাতে গড়গাঁও নগৰৰ উত্তৰ-পূৱ কোণৰ পৰা চৰাইদেউ পৰ্বতৰ মৈদামলৈকে শ-নিয়া এটা আলি আছিল। স্বৰ্গগামী হোৱা স্বৰ্গদেউসকলক শ-ধোৱা পুখুৰীত শ-ধোৱাই মৈদাম দিয়ে। শ-ধোৱাৰ বাবে সেই পুখুৰীটোৰ নাম 'শ-ধোৱা পুখুৰী' নামেৰে খ্যাত হৈ পৰে।

**১.২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য**

ক) প্ৰাচীন কীৰ্তিচিহ্ন, শিল্পকৰ্ম আৰু তাৎপৰ্যপূৰ্ণ স্থানসমূহক চৰাইদেউৰ সাংস্কৃতিক আৰু ঐতিহাসিক সম্পদৰ তালিকাত অন্তৰ্ভুক্ত আৰু সংৰক্ষণ কৰা ।

খ) স্থানীয় অৰ্থনীতি লৈ সমলসমূহৰ অৱদান বহনক্ষম উন্নয়নৰ সম্ভাৱনা, পৰ্যটন আৰু জীৱিকাৰ সুযোগসমূহ অধ্যয়ন কৰি চৰাইদেউৰ সম্পদসমূহৰ অৰ্থনৈতিক সম্ভাৱনাৰ মূল্যায়ন কৰা।

গ) চৰাইদেউৰ সম্পদৰ বহনক্ষম ব্যৱস্থাপনা আৰু

সংৰক্ষণৰ বাবে কৌশল আৰু পৰামৰ্শ প্ৰস্তুত কৰা ।

ঘ) চৰাইদেউৰ সম্পদৰ মূল্য সম্পৰ্কে স্থানীয় বাসিন্দা আৰু দৰ্শনাৰ্থী সকলৰ মাজত সজাগতা বৃদ্ধি, দায়িত্বশীল আচৰণৰ প্ৰসাৰ আৰু অঞ্চলটোৰ প্ৰাকৃতিক আৰু সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি গৌৰৱবোধ গঢ়ি তোলা।

ঙ) চৰাইদেউৰ সম্পদসমূহৰ বিষয়ে এক সম্যক তথ্য দাঙি ধৰা যিয়ে ভৱিষ্যতৰ অধ্যয়ন, পৰিকল্পনা আৰু নীতি বিকাশৰ বাবে সহায়ক সমল হিচাপে কাম কৰে।

**১.৩ অধ্যয়নৰ গুৰুত্ব ঃ**

ক) ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম শক্তিশালী আৰু প্ৰভাৱশালী আহোম ৰাজ্যৰ ইতিহাস আৰু সংস্কৃতিৰ বিষয়ে অন্তৰ্দৃষ্টি প্ৰদান কৰা হৈছে।

খ) এই অধ্যয়নে আমাক অসমৰ মধ্যযুগীয় স্থাপত্য আৰু শিল্প পৰম্পৰাৰ বিষয়ে বুজিবলৈ সহায় কৰে।

গ) এই অধ্যয়নে আহোম জনগোষ্ঠীৰ আধ্যাত্মিক বিশ্বাস সম্পৰ্কে ধাৰণা দিয়ে।

ঘ) এই অধ্যয়নে আমাক অসমৰ লগতে চৰাইদেউৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণত সহায় কৰিব পাৰে।

ঙ) ই অসমৰ পৰ্যটনক প্ৰসাৰিত কৰাত সহায় কৰিব পাৰে। এই স্থানৰ অধ্যয়নে চৰাইদেউ জিলাৰ প্ৰতি অধিক দৰ্শনাৰ্থীক আকৰ্ষণ কৰাত সহায় কৰিব পাৰে।

**১.৪ অধ্যয়নৰ পৰিসৰ ঃ**

ক) আহোম ৰাজ্যৰ প্ৰথম ৰাজধানী হিচাপে চৰাইদেউৰ ঐতিহাসিক গুৰুত্ব অন্বেষণ কৰা।

খ) অঞ্চলটোত সংৰক্ষিত হৈ থকা সাংস্কৃতিক পদ্ধতি আৰু পৰম্পৰাৰ অনুসন্ধান কৰা।

গ) চৰাইদেউৰ ঐতিহাসিক আৰু সাংস্কৃতিক সম্পদৰ ওপৰত ভিত্তি কৰি পৰ্যটনৰ উন্নয়নৰ সম্ভাৱনা মূল্যায়ন কৰা।

ঘ) চৰাইদেউৰ ঐতিহ্য সংৰক্ষণ আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে সুৰক্ষাৰ কৌশল প্ৰস্তাৱ কৰা।

**১.৫ অধ্যয়নৰ পদ্ধতি ঃ**

ক) গৱেষণাৰ উদ্দেশ্যৰ ওপৰত ভিত্তি কৰি অধ্যয়নৰ পদ্ধতিটো উপযুক্তভাৱে সজাই লোৱা হৈছে।


খ) প্ৰাথমিক আৰু গৌণ তথ্যৰ ওপৰত অধ্যয়ন কৰি সিদ্ধান্ত আগবঢ়োৱা হৈছিল য'ত ক্ষেত্ৰ পৰ্যবেক্ষণ, জৰীপ, সাক্ষাৎকাৰ আৰু কিতাপৰ তথ্য অন্তৰ্ভুক্ত।

গ) অধ্যয়নৰ ক্ষেত্ৰৰ পৰা ভিডিঅ' আৰু আলোকচিত্ৰৰ মাধ্যমেৰে নমুনা সংগ্ৰহ কৰা হৈছিল।

ঘ) সংগ্ৰহ কৰা তথ্যসমূহ ফলপ্ৰসূভাৱে প্ৰক্ৰিয়াকৰণ আৰু ব্যাখ্যা কৰিবলৈ উপযুক্ত বিশ্লেষণাত্মক পদ্ধতি ব্যৱহাৰ কৰা হৈছে।

**২.০ মূল বিষয়বস্তু ঃ**

**২.১ লাংকুৰী দেওশাল**



লাংকুৰী দেওশাল আহোমসকলৰ উপাসনা স্থলীৰূপে প্ৰতিষ্ঠিত এক ঐতিহ্যমণ্ডিত কীৰ্তিচিহ্ন। চ্যুকাফাই ১২২৮ খ্ৰীষ্টাব্দত অসমত প্ৰৱেশ কৰি বিভিন্ন অঞ্চল জয় কৰাৰ লগতে বৰাহী ৰজা 'থাকুমথা'ক আৰু মৰাণ/মটক ৰজা 'বদৌচা'ক মিত্ৰভাৱে বশ কৰি বৰাহী-মৰাণৰ কুঁৱৰী চাৰি গৰাকীৰ লগত চকলং প্ৰথাৰে বিয়া কৰি মিত্ৰতা স্থাপন কৰি ১২৫৩ খ্ৰীষ্টাব্দত চৰাইদেউত স্থায়ী ৰাজধানী পাতে। নতুন ৰজাক উপহাৰ স্বৰূপে বৰাহী ৰজাই এই চৰাইদেউ পাহাৰত থকা তেওঁলোকৰ উপাসনাস্থলী "দেওঘৰত" অৰ্পণ কৰে। চ্যুকাফাই দেওঘৰ থকা স্থানতে আহোম পুৰোহিতৰ হতুৱাই মাংগলিক অনুষ্ঠান সম্পন্ন কৰি "দেওশাল" স্থাপন কৰে। দেওশালৰ পূজা নিয়মিতভাৱে পৰিচালিত কৰিবৰ বাবে চ্যুকাফাই কিছুমান বিষয়া পদৰো সৃষ্টি কৰিছিল। যেনে- দেওধাই বৰুৱা, দেওধাই ফুকন, বাইলুং ফুকন ইত্যাদি। সময় সলনি হোৱাৰ লগে লগে চৰাইদেউৰ ওচৰত জনবসতি বৃদ্ধি হৈ অহাৰ লগতে অন্যান্য ৰাজকীয় কাৰণত স্বৰ্গদেউসকলৰ আদেশ অনুসাৰে মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে দেওশালত স্থান পৰিবৰ্তনৰ বাবে আলোচনা কৰি ৰজা-প্ৰজা সকলোৰে সন্মতি ক্ৰমে লাকুৱালৈ স্থানান্তৰিত কৰে। অৱশ্যে 'চৰাইদেউ দেওশাল' ৰজাসকলৰ বাবে সংৰক্ষিত অৱস্থাতে আছিল।

**পূজা-পাতল ঃ**

আহোমসকলৰ দেওশালত আহোমসকলৰ ধৰ্মীয় সভা বা শক্তিসমূহৰ উপৰিও থলুৱা সকলো জনগোষ্ঠী আৰু হিন্দুৰ দেৱ-দেৱীৰ পূজা কৰা হৈছিল। দেওশালত সম্পাদন হোৱা বিভিন্ন অনুষ্ঠান বা পূজা যেনে- ৰিকখন, ওমফা, মে-ডাম-মে-ফী আদি পূজাত গৰু, মহ, হাঁহ, পাৰ, কুকুৰা আদি জীৱ-জন্তু বলি দিয়া হয়। আহোম পৰম্পৰাত বলি দিবৰ বাবে 'বলিমৰা' খেল আছিল। টাই আহোম পৰম্পৰাত দেও পূজাৰ বাবে উছৰ্গা কৰা হাঁহ, কুকুৰা মন্ত্ৰ কৰি মুচৰি অথবা টঙনিয়াই মৰাৰ প্ৰথা আজিও প্ৰচলন হৈ আছে।

শেহতীয়াকৈ চৰাইদেউৰ- 'ঐতিহাসিক চৰাইদেউ মৈদামক্ষেত্ৰ' হিচাপে ইউনেস্কৰ দ্বাৰা বিশ্ব ঐতিহ্য স্থানৰ বাবে অসম পুৰাতত্ব বিভাগে পূৰ্ণ প্ৰস্তুতি অব্যাহত ৰাখিছে। বিশ্ব ঐতিহ্য স্থানৰ চূড়ান্ত তালিকাত সুকলমে যাতে স্থান লাভ কৰে তাৰ বাবে পূৰ্বাঞ্চল টাই সাহিত্য সভা আৰু স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পণ সমিতিৰ উদ্যোগত আহোমসকলৰ পৰম্পৰাগত ৰীতি-নীতিৰে চৰাইদেউ দেওশাল প্ৰাংগনত ছাই-ফা পূজা অনুষ্ঠিত কৰে।

এই উপলক্ষে দেওশালৰ প্ৰাংগনত পাটসাঁকো অঞ্চলৰ পৰা অহা পুৰোহিতসকলে টাই পৰম্পৰাগত নিয়ম অনুসৰি পূজা সম্পন্ন কৰি চৰাইদেউ বিশ্ব ঐতিহ্যস্থলীৰ স্থান পোৱা ক্ষেত্ৰত বাধা দূৰৰ বাবে নৈবেদ্য আগবঢ়ায়।

**২.২ শ - ধোৱা পুখুৰী ঃ**

প্ৰায় ৬০০ বছৰীয়া শাসন কালেৰে অসমৰ লগতে ভাৰতৰ ইতিহাসত নিজৰ স্থান সুদৃঢ় কৰি থৈ যোৱা আহোম ৰাজবংশ বিভিন্ন ঐতিহাসিক সমলৰ বাবে বৰ্তমান সময়তো আকৰ্ষণৰ বিষয় হিচাপে গুৰুত্বতা লাভ কৰি আহিছে। বিভিন্ন সমলসমূহৰ ভিতৰত পুখুৰীসমূহৰ গুৰুত্ব অসীম, যাৰ নিৰ্মাণৰ উদেশ্য আছিল ভিন্ন। প্ৰধানত পানী সংৰক্ষণ, জলসিঞ্চন, সাংস্কৃতিক আৰু আচাৰ-ব্যৱহাৰ বা পৰম্পৰাক কেন্দ্ৰ কৰি পুখুৰীসমূহ খন্দুৱাইছিল। য'ত, আহোমৰ অভিযান্ত্ৰিক নীতিও প্ৰকাশ পায়। কিয়নো পুখুৰীসমূহত পানীৰ প্ৰবাহ নিয়ন্ত্ৰণ, পানীৰ স্তৰ পৰিচালনাৰ বাবে সঠিক ব্যৱস্থা আছিল।

আহোম শাসন কালৰ বিভিন্ন ঐতিহাসিক পুখুৰীসমূহৰ ভিতৰত 'শ-ধোৱা পুখুৰী' আছিল অন্যতম। বিশালময় এই পুখুৰীটোৱে শিৱসাগৰ আৰু সোণাৰি পথৰ কাষত অৰ্থাৎ ধোদৰ আলিৰ কাষত নিজৰ ইতিহাস বহন কৰি আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে থিয় দি আহিছে। চৰাইদেউ মৈদাম ক্ষেত্ৰৰ নিচেই ওচৰতে এই পুখুৰী অৱস্থিত। এই পুখুৰীটো গড়গঞা ৰজা অৰ্থাৎ চুক্লেংমুঙে খন্দোৱাইছিল বুলি জনশ্ৰুতি আছে। এই পুখুৰীটোৱে 'শ-ধোৱা পুখুৰী' নাম পোৱা এটাই কাৰণ যে আহোম স্বৰ্গদেউৰ লগতে ডা-ডাঙৰীয়া সকলৰ মৃতদেহসমূহ ইয়াত ধুই শ-নিয়া আলিয়েদি নি মৈডাম ক্ষেত্ৰত সৎকাৰ কৰা হৈছিল। এই পুখুৰী প্ৰায় ১৫৩৯-১৫৫২ ভিতৰত নিৰ্মাণ কৰা হৈছিল।



**শ-ধোৱা পুখুৰীৰ সম্ভাৱনা ঃ**

১।শ-ধোৱা পুখুৰীৰ সংৰক্ষণে আহোমসকলৰ মৈদাম ব্যৱস্থাৰ পৰম্পৰাৰ এক সাক্ষী হৈ থিয় দি থাকিব।

২। পৰ্যটনৰ কেন্দ্ৰবিন্দু হিচাপে ইয়াক গঢ় দি তুলিব পাৰি।

৩। পৰ্যটনৰ উন্নতি হলে ইয়াৰ অৰ্থনৈতিক অৰ্থাৎ পৰ্যটন অৰ্থনীতিৰ প্ৰসাৰ ঘটিব।

৪। আহোমসকলৰ পুখুৰী খন্দোৱাৰ সময়ত অৰ্থাৎ এই ক্ষেত্ৰত থকা অভিযান্ত্ৰিক কৌশলসমূহ মানুহৰ আগত দাঙি ধৰিব পাৰি।

চৰাইদেউৰ মৈদামসমূহৰ প্ৰতি মানুহৰ আকৰ্ষণ আছে যদিও কাষতে থকা শ-ধোৱা পুখুৰী প্ৰতি মানুহৰ আকৰ্ষণ দেখা পোৱা নাযায়। ইয়াৰ প্ৰধান কাৰণ হ'ল মানুহৰ ইতিহাসৰ প্ৰতি সচেতনতাৰ অভাৱ, চৰকাৰী অৱহেলা বা পদক্ষেপৰ অভাৱ। গতিকে এই অধ্যয়নৰ যোগেদি শ-ধোৱা পুখুৰী সকলোৰে আগত দাঙি ধৰাটো আমাৰ এক ক্ষুদ্ৰ প্ৰয়াস।

**উপসংহাৰ ঃ**

অধ্যয়নৰ পৰা আমি দেখো যে চৰাইদেউ জিলাৰ দ'লবাগান অঞ্চলত অৱস্থিত ঐতিহাসিক 'লাংকুৰী দেওশাল' আৰু চৰাইদেউ মৈদামৰ ওচৰতে থকা 'শ-ধোৱা পুখুৰীটো'ৱে অঞ্চলটোৰ লগতে জিলাখনলৈও গৌৰৱ কঢ়িয়াই আনিছে। ইতিহাসৰ এক সমল হিচাপে গুৰুত্ব থকা এই 'লাংকুৰী দেওশাল' আৰু 'শ-ধোৱা' পুখুৰীটো এক পৰ্যটনৰ কেন্দ্ৰবিন্দুৰূপে পৰিগণিত হৈছে। অৱশ্যে চৰকাৰে এই ঐতিহাসিক সমলসমূহৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে।

বৰ্তমান 'লাংকুৰী দেওশাল'খন এটা ধ্বংসস্তূপত পৰিণত হ'বলৈ ধৰিছে। গতিকে চৰকাৰে এই ঐতিহাসিক দেওশালখনৰ সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে। লগতে, বহু সময়ত দেখা যায় ইয়ালৈ অহা কিছুমান পৰ্যটকে বিভিন্ন প্লাষ্টিক বটল, চিপ্‌চৰ পেকেট আদি পেলাই পৰিৱেশতো অপৰিষ্কাৰ কৰি তুলিছে। ইয়াৰ প্ৰভাৱ জানুৱাৰী-ডিচেম্বৰ মাহত বেছি হোৱা দেখা যায়। সেয়েহে আমাৰ এই প্ৰতিবেদনৰ জৰিয়তে আমি আহ্বান জনাওঁ যে, তেওঁলোকে যেন ঠাইখন নিজৰ বুলি ভাবি অপৰিষ্কাৰ আৰু দুষ্কৰ্ম কৰাৰ পৰা বিৰত থাকে। ❑

**প্ৰস্তুতকৰ্তা ঃ**

সুৰজ নেৱাৰ, নিকুমণি চেতিয়া, পূৰ্ণিমা বৰা, ৰিংকুমণি বাইলুং, ঋতুঞ্জয় নেওগ, অৰ্নিলিপ্ত বৈশ্য।




# বাখৰ বেঙেনা ঃ এক অধ্যয়ন

**১.০. অৱতৰণিকা ঃ**

কোনো এটা জাতিৰ ক্রমবিকাশ আৰম্ভণি তথা অতীতৰ গৌৰৱ পুনৰুদ্ধাৰৰ বাবে ইতিহাস জনাটো অতি প্রয়োজনীয়। ইয়াৰ বুকুতে কোনো এক জাতিৰ সভ্যতা, সংস্কৃতিৰ অনুপম কাহিনীৰ বিপুল সমাবেশ ঘটে। ই জাতিৰ দাপোন স্বৰূপ। ইয়ে আমাক জাতি, সভ্যতা, সংস্কৃতিৰ মানৱ জীৱনৰ ক্রমবিৱৰ্তনৰ এক জীৱন্ত কাহিনী দাঙি ধৰে । ইয়াৰ ফলতে আমি আমাৰ অতীতক দেখিবলৈ পাওঁ, বৰ্তমানক চিনিব পাৰো আৰু ভৱিষ্যতৰ পথৰ সন্ধান পাওঁ। উল্লেখনীয় যে আমি লাভ কৰা ইতিহাসৰ তথ্যবোৰ সদায় সমলৰ ওপৰত নিৰ্ভৰশীল। সমলৰ অবিহনে ইতিহাস ৰচনা হ'ব নোৱাৰে। যি কি নহওঁক মধ্যযুগৰ অসমৰ ৰাজনৈতিক, ভৌগোলিক তথ্যও কিছু ধাৰণা পাবৰ বাবে বুৰঞ্জী তথা ইতিহাসৰ এক গুৰুত্ব পূৰ্ণ সমল হৈছে 'বাখৰ বেঙেনা বৃক্ষ'। প্ৰায় ছশ-সাতশ বছৰীয়া পুৰণি বুলি ধাৰণা কৰি অহা এই বৃক্ষজোপা বৰ্তমানো বুৰঞ্জী এক সমল হিচাপে পৰিগণিত হৈ অহাৰ উপৰিও পৰ্যটন ক্ষেত্ৰখনলৈ এক সুকীয়া পৰিচয় কঢ়িয়াই আনিছে।

"বাখৰ বেঙেনা বৃক্ষ," যাৰ নামেই এক সুকীয়া পৰিচয়। য'ত ইয়াৰ নামানুসৰিয়েই অঞ্চলটোৰ নামো বাখৰ বেঙেনা হৈছে। বকতা অঞ্চলত অৱস্থিত এই ঐতিহাসিক বৃক্ষজোপাৰ এক চমু আভাস দাঙিধৰাই আমাৰ উদ্দেশ্য আৰু লক্ষ্য যদিও বৰ্তমান সময়ত ইলেক্টনিক বৈদ্যুতিক মাধ্যমৰ ব্যৱহাৰে ইয়াক

তথা বুৰঞ্জীৰ এক সমল হিচাপে অধ্যয়নৰ যথেষ্ট গুৰুত্ব আছে।

সামাজিক মাধ্যমৰ বহুল প্ৰভাৱে ইতিমধ্যে ইয়াক অধিক জনাজাত কৰি তুলিছে। সেয়েহে এই পত্ৰখন প্ৰস্তুত কৰোঁতে আমি লক্ষ্য আৰু উদ্দেশ্যৰ ক্ষেত্ৰত কিছু অন্য দিশৰ ওপৰতো গুৰুত্ব দিব বিচাৰিছোঁ।

**১.০১ পত্ৰখনৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

১) বাখৰ বেঙেনা বৃক্ষ জোপাক লৈ প্ৰচলিত যি বিশ্বাস, তাৰ সত্যতাক গৱেষণা কৰা।

২) ইতিহাসৰ সমল হিচাপে ইয়াক ব্যৱহাৰ কৰা।

৩) পৰ্যটনৰ ক্ষেত্ৰত ইয়াৰ গুৰুত্ব দাঙি ধৰা।

৪) সম্পদ হিচাপে ইয়াৰ সংৰক্ষণৰ ওপৰত এক সজাগতা সৃষ্টি কৰা।

**১.০২ অধ্যয়নৰ পদ্ধতি ঃ**

অধ্যয়ন পদ্ধতি হিচাপে প্ৰধানকৈ ক্ষেত্ৰভিত্তিক অধ্যয়ন পদ্ধতি ব্যৱহাৰ কৰা হৈছে ।

এই পত্ৰখন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত আমি প্ৰত্যক্ষ নিৰীক্ষণ, আলোচনা, বাখৰ বেঙেনা বৃক্ষৰ ওপৰত লিখা কিতাপৰ অধ্যয়ন, ভিডিঅ, ইন্টাৰনেট ইত্যাদিৰ সহায় লোৱা হৈছে।

**১.০৩ অধ্যয়নৰ পৰিসৰ ঃ**

ইতিহাস প্ৰসিদ্ধ অথা আহোম ৰাজ্যৰ এক উল্লেখ যোগ্য ৰাজধানী বকতাত অৱস্থিত এই বাখৰ বেঙেনাবৃক্ষজোপা বৰ্তমান সময়ত বহু শিক্ষাৰ্থীৰ লগতে গৱেষক সকলৰ গৱেষণাৰ এক কেন্দ্ৰবিন্দু হৈ পৰিছে। আমিও এই বৃক্ষজোপাৰ বিষয়ে অধ্যয়ন কৰিব যাওঁতে বকতা বাখৰ বেঙেনা অঞ্চলত গৈ বৃক্ষজোপা প্ৰত্যক্ষ নিৰীক্ষণ কৰি ইয়াৰ প্ৰকৃতি, পৰিৱেশৰ ওপৰত এক তথ্য আহৰণ কৰো। ইয়াৰ উপৰিও এইবৃক্ষ জোপাক লৈ নিৰ্মাণ কৰি উলিওৱা কিতাপ, ভিডিঅ', ইণ্টাৰনেটৰ তথ্য ইত্যাদিৰো সহায় লওঁ। আমি এই বৃক্ষজোপা পৰ্য্যবেক্ষণ কৰা সময়ত চুবুৰীয়া গাঁও বেটবৰীয়া চুকৰ কেইজনমান ব্যক্তিৰ লগতো এই বৃক্ষজোপাৰ সন্দৰ্ভত আলোচনা কৰো।

**১.০৪ অধ্যয়নৰ গুৰুত্ব ঃ**

শিৱসাগৰ জিলা বকতা অঞ্চলত অৱস্থিত এই ঐতিহাসিক বাখৰ বেঙেনা বৃক্ষৰ বিষয়ে অধ্যয়ন কৰা ক্ষেত্ৰত আমি কিছুমান দিশত গুৰুত্বতা অনুভৱ কৰো। এই ক্ষেত্ৰত আমি ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ জৰিয়তে বৰ্ণনাত্মক ভাবে লিখা হৈছে।

**১। ইতিহাস এক সমল হিচাপে ঃ**

সমাজত প্ৰচলিত ধাৰণাবোৰৰ সত্যতা কিমান, ইতিহাসৰ এক সমল হিচাপে বৃক্ষজোপাক কেনেদৰে ব্যৱহাৰ কৰিব পাৰি সেই সন্দৰ্ভত গুৰুত্ব প্ৰদান কৰা আমাৰ প্ৰয়োজন আছে।

**২। পৰ্যটনৰ এক ক্ষেত্ৰ হিচাপে ঃ**

পৰ্যটনৰ ক্ষেত্ৰ হিচাপে বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকৰ আগত ইয়াৰ গৌৰৱোজ্বল ইতিহাস তথা পৰিচয় দাঙি ধৰি এক সুকীয়া গুৰুত্ব লাভ কৰাটো ইয়াৰ অঞ্চলবাসীৰ লগতে জিলাখন আৰু ৰাজ্যখনৰ বাবে গৌৰৱৰ বিষয় হৈ পৰিছে।

**৩। দেশৰ এক সম্পদ হিচাপে ইয়াৰ সংৰক্ষনত গুৰুত্ব ঃ**

দেশৰ এক সম্পদ হিচাপে ইয়াক দাঙি ধৰি ইয়াৰ ৰক্ষণাবেক্ষণ আৰু সংৰক্ষণৰ বাবে চৰকাৰ, সমাজৰ প্ৰতিজন ব্যক্তিৰ মাজত সজাগতা সৃষ্টি কৰা বৰ্তমান সময়ত প্ৰয়োজন আহি পৰিছে। নহ'লে ইয়াত অমনোযোগিতাৰ বাবে এক ঐতিহাসিক সম্পদ হেৰুৱাব লাগিব।

**১.০৫ বাখৰ বেঙেনা বৃক্ষাজোপাক লৈ প্ৰচলিত লোকবিশ্বাস ঃ**

ঐতিহাসিক বিস্ময়কৰ বৃক্ষ বাখৰ বেঙেনাক লৈ ইয়াৰ চুবুৰীয়া লোকসকলৰ মাজত কিছুমান বিশ্বাস প্ৰচলিত হৈ অহা দেখা যায়। তেওঁলোকৰ মতে এই গছজোপাৰ বয়স আনুমানিক ৬০০ৰ পৰা ৮০০ বছৰৰ ভিতৰত। তেওঁলোকে বিশ্বাস কৰে যে বাখৰ বেঙেনা কাষেৰে যি ধনখেনা জান বৈ গৈছে তাৰো এক ৰহস্য আছে। এই জানটোৰে এখন সোণৰ নাওঁ গৈ দিৰৈ নৈত পৰিছিল আৰু তেতিয়াৰ পৰাই এই ধানেখেনা জান উৎপত্তি হয়। নাঁওখনত সোণৰ মুদ্ৰা গৈছিল বাবে এই জানটোৰ নাম ধানেখনা হয়। অৰ্থাৎ ধনে-খনা। তেওঁলোকৰ মতে এই গছজোপা পৃথিৱীৰ অন্য কোনো ঠাইত পোৱা নাযায়। এতিয়াও ইয়াত ডাওৰীয়া ভকতৰ অৱস্থান বুলি কোনোৰে বিশ্বাস কৰে।

**চাৰিসীমা বিৱৰণ ঃ**

শিৱসাগৰৰ নগৰৰ পৰা প্ৰায় ৩০ কি:মি দূৰৈৰ বকতা মৌজাৰ জৰলাটিং আৰু দিহিঙীয়া গাঁৱৰ মাজত অৱস্থিত এই বৃক্ষজোপাৰ পূব ফালে নেমুগুৰি, জৰলাটিং অৱস্থিত। পশ্চিমফালে বেতবাৰীচুক, মাখোৰাবাৰী আৰু চুহুংমুং দিহিঙীয়া গাওঁ অৱস্থিত। উত্তৰে খামুন গাওঁ, বকতিয়াল চুক অৱস্থিত। দক্ষিণে চাংমাইবাৰী, গড়কোষ চেতিয়া গাওঁ অৱস্থিত। এই বৃক্ষ জোপা পৰ্যবেক্ষণৰ বাবে আমি শিৱসাগৰ বেতবাৰী-দিচাং দলং হৈ নেমুগুৰি পথত, চেপন-চূণপোৰা পথ নতুবা ডিমৌ-দিৰৈ পথেদি আহিব পাৰো।

## বাখৰ বেঙেনা বৃক্ষজোপাৰ উৎপত্তিৰ ইতিহাস

ঐতিহাসিক বাখৰবেঙেনা বৃক্ষজোপা কেনেদৰে ইয়াত উৎপত্তি হ'ল অর্থাৎ কোনে ইয়াক কেনেদৰে ৰোপন কৰিছিল সেই সম্পৰ্কত বিভিন্ন জনৰ মাজত মতভেদ দেখিবলৈ পোৱা যায়। একাংশৰ মতে এই বৃক্ষজোপা ৰোপন কৰিছিল বৰাহী ৰজা মহামাণিক্যই। তেওঁ ৰাজ্যৰ সীমা নিৰ্ধাৰণ কৰাৰ বাবে এই বৃক্ষাজোপা ৰোপন কৰিছিল। অন্য একাংশৰ মতে চুতীয়া ৰজাই ৰাজ্য সীমা দি এই বৃক্ষজোপা ৰোপন কৰিছিল আৰু প্ৰতিজ্ঞা কৰিছিল চুতীয়া ৰাজ্য থাকে মানে এই বৃক্ষজোপা থাকিব। আন এক তথ্যৰ মতে এই বৃক্ষজোপা আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনত বানফেৰা বা বানফ্ৰাই বংশৰ চিকন সৰিয়হৰ দেউতাক নাওবৈচা ফুকনৰ বসতি বাহৰ বা মাটিৰ সীমা আছিল।

উল্লেখযোগ্য যে এনেদৰে আমি বৃক্ষজোপাৰ উৎপত্তিৰ সম্পৰ্কত বিভিন্ন তথ্য পাওঁ যদিও ইয়াৰে নাওবৈচা ফুকনৰ মাটিৰ সীমাটোহে বিশ্বাস কৰিব পাৰি। কিয়নো গৱেষক সকলৰ মতে বৰাহী ৰজা মহামাণিক্যৰ কথাটো ইতিহাসে নকয়। ইয়াৰ উপৰিও চুতীয়া ৰাজ্যৰ সীমা ক্ষেত্ৰতো বিশ্বাস কৰিব নোৱাৰি। কিয়নো চুতীয়া ৰাজ্যৰ সীমা এই বৃক্ষজোপাতকৈ বহুত আগলৈ আছিল। এই বৃক্ষজোপাৰ বিষয়ে পোনপ্ৰথমে বাবে মানুহৰ মাজলৈ আনিছিল প্ৰয়াত বুৰঞ্জীবিদ হেম বুঢ়াগোহাঁইয়ে। তেওঁ "লেছেৰি বোটলা" বুৰঞ্জীত এই বৃক্ষজোপাৰ কথা উল্লেখ কৰিছিল। ইয়াৰ প্ৰায় ২৪ বছৰৰ পিছত বাখৰ বেঙেনা হাইস্কুলত প্ৰাক্তন অধ্যক্ষ ড° ক্ষীৰোদ গগৈদেৱে ইয়াৰ ওপৰত সৰু এখনি পুস্তিকা ওলিয়াইছিল। তেওঁৰ অধ্যয়নৰ প্ৰায় ১৪-১৫ বছৰৰ পিছত উদ্ভিদ বিজ্ঞানী দীপক নাথে ইয়াত থাকি উদ্ভিদৰ বয়স যেনেদৰে খনন কৰি নিৰ্ধাৰণ কৰিব পাৰি তাৰ ওপৰত অধ্যয়ন কৰি উদ্ভিদৰ বয়স নিৰ্ধাৰণ কৰিছিল। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত নবীন বৰগোহাঁইয়ে ইয়াৰ ওপৰত অধ্যয়ন কৰি 'শিৱসাগৰ' নামৰ এখন গ্ৰন্থত ইয়াৰ বিষয়ে উল্লেখ কৰিছে।

**অন্যান্য তথ্য ঃ**

আমি এই অধ্যয়নটিৰ জৰিয়তে আহৰণ কৰা তথ্য অনুসৰি বাখৰবেঙেনা বৃক্ষজোপা শিৱসাগৰ জিলাৰ থাওৱা সমষ্টি বৰ্তমানৰ (ডিমৌ) অন্তৰ্গত বকতা অঞ্চলত অৱস্থিত। চেপন-নেমুগুৰি, চূণপোৱা-নঙলামৰা, বেতবাৰি-খামুন, ডিমৌ-আঠাবাৰী - খামুন, পাটসাকোঁ-নেমুগুৰী, লাকুৱা-ধিতাইপুখুৰী-নঙলামৰা আদিৰ পথেৰে এই বাখৰ বেঙেনালৈ আহিব পাৰি। এই বৃক্ষজোপাক কেন্দ্ৰ কৰিয়েই বাখৰ বেঙেনা হাইস্কুল, বাখৰ বেঙেনা মধ্য ইংৰাজী বিদ্যালয়, বাখৰ বেঙেনা পঞ্চায়ত, বাখৰ বেঙেনা কেন্দ্ৰীয় নামঘৰ ইত্যাদি গঢ় লৈ উঠিছে। দিচাং নৈ আৰু দিখৌ উপনৈৰ পৰা কিছু দূৰত অৱস্থিত এই বৃক্ষজোপা চাৰিওফালে ধনখেনা জান বৈ গৈছে। উল্লেখনীয় যে প্ৰথম অৱস্থাত এই জানটো বাখৰ বেঙেনা বৃক্ষ আৰু দিহিঙ্গীয়া গাঁৱৰ মাজত ভাগ কৰি বৈ গৈছিল কিন্তু পৰৱৰ্তী পৰ্য্যায়ত সেইসময়ৰ স্থানীয় বিধায়ক মাননীয় কুশল দুৱৰীদেৱে নিজৰ আৰ্থিক ব্যয়েৰে ইয়াৰ আনটো কাষেৰেও জানটো খান্দি উলিয়াই। ই বাখৰ বেঙেনা বৃক্ষ আৰু নেমুগুৰি অঞ্চলৰ মাজত ভাগ বতৰা কৰিছে। ইয়াৰ অন্তৰালত এটি কাৰণ নথকা নহয়। কিয়নো বাখৰ বেঙেনা বৃক্ষ জোপাক লৈ দুয়োটা অঞ্চলে কৰি অহা দাবীবোৰৰ বাবেই তেওঁ এই কাৰ্য্য কৰে বাখৰ বেঙেনা বৃক্ষজোপাৰ সীমাৰ ভিতৰত আমি এটি মুকলি জিৰণিচ'ৰা, দুটা জিৰণি ঘৰ দেখিবলৈ পাওঁ ইয়াত বৃক্ষজোপাৰ দুটা মূল শাখা পোৱা যায়। সময়ে সময়ে ইয়াৰ পৰিৱেশ চাফ চিকুন স্থানীয় লোকে কৰি আহে। তথ্য অনুসৰি প্ৰথম অৱস্থাত ইয়াত বহু জংঘল আছিল যদিও পৰৱৰ্তী পৰ্যায়ত স্থানীয় কেইজনমান লোকৰ প্ৰচেষ্টাত ইয়াৰ গুৰুত্ব বুজি সংৰক্ষণৰ ব্যৱস্থা কৰা হয়। এই ক্ষেত্ৰত লক্ষীকোঁৱৰ, সুৰেণ ফুকন, স্থানীয় বিধায়ক (প্ৰাক্তন) কুশল দুৱৰীদেৱ, ৰবীন দিহিঙ্গীয়া আদি বিভিন্ন লোকে ইয়াৰ সংৰক্ষণৰ স্বাৰ্থত কাম কৰি আহিছে। বাখৰ বেঙেনা বৃক্ষলৈ যাবৰ বাবে ধানখেনা জানৰ ওপৰত থকা দলংখন স্থানীয় লোকৰ প্ৰচেষ্টাত নিৰ্মাণ কৰা হয়।

"মে-ডাম-মে-ফি" আৰু ডিচেম্বৰ, জানুৱাৰী মাহত এই অঞ্চলত বিভিন্ন লোকৰ সমাগম হয়। প্ৰতিবছৰে ইয়াত ৩১ জানুৱাৰীত "মে-ডাম-মে-ফি" উদযাপন কৰি অহা হয়। ইয়াৰ উপৰিও বহু দূৰ-দূৰণিৰ লোক ইয়াত বনভোজ খাবৰ বাবে আগমন হয়।

বাখৰ বেঙেনা বৃক্ষজোপাৰ শিপাবোৰ পৰীক্ষা কৰি B. S. I. P. Lucknowৰ গৱেষক সকলে ২০১৪ চনত ইয়াৰ বয়স ৫৮০ বছৰ বুলি উল্লেখ কৰিছিল।

ইয়াত কোনো বেঙেনা নালাগে যদিও এবিধ ফল লাগে। যিটো প্ৰকৃতি জগতৰ একোৱেই নাখায়। ইয়াৰ উপৰিও কিছুমান বগা ফুল ফুলি ৰয়। যিবোৰ জোনাকৰ পোহৰত বাখৰৰ দৰে ফুলি ৰয় বাবে ইয়াৰ নাম 'বাখৰ বেঙেনা' ৰখা হয়।

**বাখৰ বেঙেনা বৃক্ষজোপাৰ বৈশিষ্ট্য ঃ**

অধ্যয়নৰ পৰা অনুমান কৰিব পাৰো যে এই বৃক্ষজোপা অন্যান্য অঞ্চলত পোৱা নাযায় যদিও ইয়াৰ প্ৰজাতি কিছু কিছু অঞ্চলত পোৱা যায়। এই বৃক্ষজোপাৰ আমি কিছুমান বৈশিষ্ট্য

পাওঁ।

১।ই এজোপা কাঁইটীয়া বৃক্ষ।ইয়াত থকা কাঁইটবোৰক পঞ্চমুখী কাঁইট বোলা হয়।ই বিষাক্ত নহয়।

২। বাখৰ বেঙেনা বৃক্ষজোপা এজোপা গুল্মজাতীয় জোপুহা বৃক্ষ।

৩।এই বৃক্ষজোপাৰ দুডাল মূল শাখা পোৱা যায়।উল্লেখযোগ্য যে এই বৃক্ষজোপাৰ পুলি আনি আন ঠাইত ৰোপন কৰিলে ডাঙৰ হোৱা দেখা নাযায়।

৪।এই বৃক্ষজোপাত বগা ফুল আৰু সেউজীয়া বৰণৰ ফল দেখা যায়।

**বিভিন্ন ভাষাত এই বৃক্ষজোপাৰ নাম ঃ**

এই বৃক্ষজোপাৰ বৈজ্ঞানিক নাম হ'ল ঃ ৰেনডিয়া ইউলিজিনচা

ইয়াক ইংৰাজীত কোৱা হয় Divine Jasmine

অসমীয়াত ইয়াক 'বাখৰ বেঙেনা' বুলি কোৱা হয়।

হিন্দীত ইয়াক 'Katul' বুলি কোৱা হয়।

সংস্কৃতত এই বৃক্ষক 'Pindala' বুলি কোৱা হয়।

গাৰো ভাষাত ইয়াক Suskeng বুলি কোৱা হয়।

আমি অনুমান কৰিব পাৰো যে বিভিন্ন ভাষাত থকা এই নামবোৰ হয়তো এই প্ৰজাতি অন্য ক'ৰবাত আছে তাকে ক'ব বিচাৰে।


উদ্ভিদ বিজ্ঞানী সকলৰ মতে, এনে প্ৰজাতি পূৰ- মধ্য আৰু দক্ষিণ ভাৰতত, বাংলাদেশ, ম্যানমাৰ আৰু শ্ৰীলংকাত আছে।

**১.০৬ উপসংহাৰ ঃ**

অধ্যয়নৰ পৰা আমি দেখো যে শিৱসাগৰ জিলাৰ বকতা অঞ্চলত অৱস্থিত এই বিস্ময়কৰ বৃক্ষ জোপাই অঞ্চলটো লৈ গৌৰৱ কঢ়িয়াই আনিছে, ইতিহাসৰ এক সমল হিচাপে গুৰুত্ব থকা এই বৃক্ষ জোপাই বিভিন্ন পৰ্য্যটকৰ মাজত এক পৰ্যটনৰ কেন্দ্ৰবিন্দু হৈ আহিছে শ্ৰ অৱশ্যে চৰকাৰে এই বৃক্ষজোপাৰ সুৰক্ষা আৰু প্ৰতিপালনৰ ক্ষেত্ৰত আৰু অলপ গুৰুত্ব দিব লাগে শ্ৰ বহুসময়ত দেখা যায় যে ইয়ালৈ অহা কিছুমান পৰ্যটকে বিভিন্ন মাদক দ্ৰব্য সেৱন কৰি ইয়াৰ পেলনীয়া সামগ্ৰী বোৰ যতে ততে পেলাই পৰিৱেশটো অপৰিষ্কাৰ কৰি তোলে ইয়াৰ প্ৰভাৱ জানুৱাৰী ডিচেম্বৰ মাহত বেছি হোৱা দেখা যায়। ইয়াৰ উপৰিও এই অঞ্চল টোত জন বসতি কিছু সেৰেঙা হোৱা হেতুকে বিভিন্ন যুৱক যুৱতীৰ বাবে যেন কাৰ্য কৰা এক ক্ষেত্ৰ লৈ পৰিণত কৰি তুলিছে। সেয়েহে আমাৰ এই পত্ৰখনৰ জৰিয়তে আমি তেওঁ লোকক আহ্বান জনাব বিচাৰিছোঁ। তেওঁলোকে যেন পৰিৱেশটো নিজৰ বুলি ভাবি অপৰিষ্কাৰ কৰাৰ পৰা বিৰত হয়। ❑

**প্ৰস্তুতকৰ্তা ঃ**

অমৰজ্যোতি গগৈ, প্ৰাঞ্জল দিহিঙ্গীয়া,
মণিগোপাল হাতীমুৰীয়া, জ্যোতিষা য়েন,
গায়ত্ৰী পাতিৰি, শিৰোমণি খনিকৰ,
জেফৰিণ নাহৰ বেগম।



# শিৱসাগৰ জিলাৰ কেইটামান দ'ল আৰু পুখুৰী

## ১.০.অৱতৰণিকা ঃ

### ১.০১. বিষয়বস্তুৰ পৰিচয় ঃ

অসমৰ প্ৰাচীন ঠাইসমূহৰ ভিতৰত শিৱসাগৰ জিলা অন্যতম। কিয়নো এসময়ত শিৱসাগৰ অসমৰ প্ৰাণকেন্দ্ৰ আছিল। আহোম স্বৰ্গদেও সকলে ইয়াৰ পৰাই সমগ্ৰ অসম শাসন কৰিছিল।

অসমৰ পূবদিশত এই শিৱসাগৰ জিলা অৱস্থিত। পূৰ্বতে ইয়াৰ নাম "কলঞ্চুপাৰ" আছিল। ১২২৮ খ্ৰীঃত আহোম সকলৰ প্ৰথম স্বৰ্গদেউ চাওলুং চুকাফাই পাটকাই পৰ্বত পাৰ হৈ আহি এই শিৱসাগৰত প্ৰৱেশ কৰিছিল। ১২৫৩ খ্ৰী:ত শিৱসাগৰৰ চৰাইদেউত ৰাজধানী স্থাপনেৰে আৰম্ভ কৰি ৬০০ বছৰীয়া ৰাজত্বৰে ইতিহাসৰ সোণালী পাতত শিৱসাগৰৰ নাম উজ্বলাই থৈ গৈছে। ৬০০ বছৰীয়া আহোম ৰাজত্বকালৰ বহু উত্থান-পতনৰ সাক্ষী এই শিৱসাগৰ জিলা। সমগ্ৰ জিলাখনতে আহোম শাসনকালৰ অলেখ স্থাপত্য, ভাস্কৰ্য, মৈদাম,পুখুৰী, গড়, আলিবাট আদি সিচঁৰিত হৈ আছে। যিবোৰ আহোমৰ ৰাজত্ব কালত বিশেষ উদ্দেশ্যেৰে নিৰ্মাণ কৰা হৈছিল।

এই দল-দেৱালয়সমূহ নিৰ্মাণ কৰোতে পোৰা ইটাৰ ব্যৱহাৰ কৰা হৈছিল। য'ত ইটা জোৰা লগাবলৈ মাটিমাহ, হাঁহকণী, বৰা চাউল আদি সামগ্ৰীৰে কৰাল তৈয়াৰ কৰা হৈছিল। এই সম্পদসমূহে জিলাখনৰ লগতে অসমৰ সভ্যতা-সংস্কৃতিৰ ঐতিহ্য বহন কৰি আহিছে।

এই শিৱসাগৰ জিলাৰ অন্তৰ্গত আহোম সকলৰ দ্বাৰা নিৰ্মিত কেইটামান ঐতিহ্যমণ্ডিত কীৰ্তিচিহ্ন হ'ল ঃ- নামতি দ'ল আৰু পুখুৰী, বৰপাত্ৰ দ'ল আৰু পুখুৰী, নামদাং শিলৰ সাঁকো, গৌৰীসাগৰ দ'ল আৰু পুখুৰী। এই কীৰ্তিচিহ্ন সমূহৰ বিষয়ে ইয়াত সবিশেষ আলোচনা কৰা হ'ল।

### ১.০২. অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ

উক্ত অধ্যয়নটিৰ লক্ষ্য আৰু উদ্দেশ্যবোৰ হ'ল ঃ-

১। শিৱসাগৰ জিলাৰ ঐতিহাসিক কীৰ্তিচিহ্ন নামতি দ'ল আৰু পুখুৰী, বৰপাত্ৰ দ'ল আৰু পুখুৰী, নামদাং শিলৰ সাঁকো, গৌৰীসাগৰ দ'ল আৰু পুখুৰীৰ ইতিহাস সম্পৰ্কে আলোচনা কৰা।

২। কীৰ্তিচিহ্নসমূহ পৰ্যবেক্ষণ কৰি নতুন নতুন তথ্যসমূহৰ জ্ঞান আহৰণ কৰা।

৩। প্ৰাকৃতিক সম্পদৰ লগত ঐতিহাসিক কীৰ্তি-চিহ্ন সমূহ কেনেদৰে সুৰক্ষিত কৰি ৰাখিছে তাক পৰ্যবেক্ষণ কৰা।

৪। ইয়াৰ জৰিয়তে জনসাধাৰণৰ মাজত সম্পদ সমূহৰ সংৰক্ষণৰ প্ৰতি সচেতনতাৰ সৃষ্টি কৰা।

### ১.০৩. অধ্যয়নৰ গুৰুত্ব ঃ

আমাৰ বহুতো এনে ঐতিহাসিক সম্পদ আছে, যি সমূহে কালৰ বুকুত কেৱল সংৰক্ষণৰ অভাৱত হেৰাই যোৱাৰ উপক্ৰম হয়। শিৱসাগৰ জিলাৰ নামতি দ'ল আৰু পুখুৰী, বৰপাত্ৰ দ'ল আৰু পুখুৰী, নামদাং শিলৰ সাঁকো, গৌৰীসাগৰ দ'ল আৰু পুখুৰী এই সম্পদসমূহে ইতিহাসৰ এটা জাতিক এক বিশেষ ধ্বজা বহন কৰি আছে। গতিকে চৰকাৰে এই ঠাইসমূহ মূল পৰ্যটনস্থলী হিচাপে স্বীকৃতি দিলে নৱপ্ৰজন্মক এই ঠাইসমূহৰ বিষয়ে জনাত সহায়ক হ'ব লগতে জাতিটোৰ ইতিহাস সম্পৰ্কে জ্ঞাত হ'ব।

### ১.০৪. অধ্যয়ন পদ্ধতি ঃ

আমি এই অধ্যয়নটি কৰোঁতে বৰ্ণনাত্মক পদ্ধতি প্ৰয়োগ কৰিছোঁ। ইয়াত ক্ষেত্ৰভিত্তিক অধ্যয়নৰ জৰিয়তে গৌণ সমল যেনে ঃ- কিতাপ, পত্ৰ, ইন্টাৰনেট আদিৰ ব্যৱহাৰ কৰিছো।

### ১.০৫. অধ্যয়নৰ পৰিসৰ ঃ

উক্ত অধ্যয়নটিৰ পৰিসৰ হৈছে ঃ-

১। নামতি দ'ল আৰু পুখুৰী ঐতিহাসিক পটভূমি আৰু ইয়াৰ বৰ্তমানৰ অৱস্থিতি।

২। বৰপাত্ৰ দ'ল আৰু পুখুৰীৰ ঐতিহাসিক পটভূমি আৰু ইয়াৰ বৰ্তমানৰ অৱস্থিতি।




Scanned with OKEN Scanner

৩। নামদাং শিলৰ সাঁকোৰ ঐতিহাসিক পটভূমি আৰু ইয়াৰ বৰ্তমানৰ অৱস্থিতি।
৪। গৌৰীসাগৰ দ'ল আৰু পুখুৰীৰ ঐতিহাসিক পটভূমি আৰু ইয়াৰ বৰ্তমানৰ অৱস্থিতি।


## ২.০০. আলোচনা


### ২.০১. নামতি দ'ল আৰু পুখুৰী ঃ



শিৱসাগৰ জিলাৰ পৰা আঠমাইল দক্ষিণে "নামতি" নামৰ ঠাইখন অৱস্থিত। সেই নামতি অঞ্চলৰ বাইলুং গাঁৱত আহোমৰ শাসন কালত নিৰ্মিত ঐতিহাসিক কীৰ্তিচিহ্ন "নামতি দ'ল আৰু পুখুৰী" অৱস্থিত। ১৭৭৫ খ্ৰী:ত গৌৰীনাথ সিংহৰ ৰাজত্ব কালত নামতিয়াল ভাগৱতী বৰবৰুৱাই নামতি অঞ্চলত এটা পুখুৰী খন্দাই পাৰত দুটা দ'ল নিৰ্মাণ কৰাইছিল। দ'ল দুটাৰ এটা অলপ ডাঙৰ আৰু এটা দ'ল সৰু। ডাঙৰ দলটোক "বিষ্ণু দ'ল" আৰু সৰু দলটোক "দেৱী দ'ল" বুলি জনা যায়। আহোম ৰাজত্ব কালত বিভিন্ন মঠ-মন্দিৰ বনাবলৈ যিবোৰ ইটা ব্যৱহাৰ কৰা হৈছিল, সেই একেধৰণৰ ইটাৰে এই দ'ল দুটা নিৰ্মিত। এই পুখুৰী আৰু দ'ল দুটাক একেলগে "নামতি দল-পুখুৰী" বুলি জনা যায়। আহোম যুগৰ পৰাই এই নামতি দ'ল আৰু পুখুৰীয়ে নামতি অঞ্চলটোত এক বিশেষ ঐতিহ্য বহন কৰি আহিছে।

### ২.০২. বৰপাত্ৰ দ'ল আৰু পুখুৰী ঃ





নামতিৰ ওচৰত থকা কালুগাঁও অঞ্চলটো আহোম শাসনকালত নিৰ্মিত কীৰ্তিচিহ্ন দেখিবলৈ পোৱা যায়। কালুগাঁওত থকা ঐতিহাসিক কীৰ্তিচিহ্নটোৰ নাম হল "বৰপাত্ৰ দ'ল আৰু পুখুৰী"। বৰৰজা ফুলেশ্বৰী কুঁৱৰীয়ে ভায়েক বৰপাত্ৰ গোহাঁইৰ স্মৃতি ৰক্ষাৰ্থে কালুগাঁৱত এই পুখুৰী খন্দোৱায়। সেই পুখুৰীটোৰ নাম থয় "লক্ষীসাগৰ পুখুৰী"। পুখুৰীটোৰ মাটিকালি ২৮ পুৰা। লগতে পুখুৰীটোৰ উত্তৰ পূব কোণত দুটা দল নিৰ্মাণ কৰাইছিল। দল দুটাৰ নাম ক্ৰমে "বিষ্ণু দ'ল" আৰু "জগধাত্ৰি দ'ল"। বৰপাত্ৰ পুখুৰীৰ অন্য নামটো হ'ল "লখিমী সাগৰ"।

### ২.০৩. নামদাং শিলৰ সাঁকো ঃ



আহোমৰ ৬০০ বছৰীয়া ৰাজত্বকালত অসমৰ এখন বুৰঞ্জী প্ৰসিদ্ধ সাঁকো হ'ল - নামদাং শিলৰ সাঁকো। আহোম



Scanned with OKEN Scanner

ৰজা স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্বকালত চনত বঙ্গদেশৰ কাৰিকৰৰ হতুৱাই নিৰ্মাণ কৰাইছিল এই সাঁকো। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথক সংযোগ কৰা নামদাং শিলৰ সাঁকো আহোম যুগত নিৰ্মিত শিলৰ সাঁকোসমূহৰ ভিতৰত নামদাং শিলৰ সাঁকোয়েই দীঘল আৰু বহল। দলং খন ৬০ মিটাৰ দীঘল আৰু ১.৭ মিটাৰ ওখ আৰু ৫.৫ ফুট ডাঠ। এই সাঁকোত আছে ৫ টা সুৰঙ্গ। আকৃতিৰ ফালৰ পৰা সাঁকোখন ধেনুভিৰীয়া আৰু প্ৰাচীন কালৰ বহুতো ভাস্কৰ্য্য আছে। ইয়াৰ প্ৰধান বিশেষত্ব হ'ল সাঁকোখন এটা মাথোঁ শিলকেই কাটি কাটি তৈয়াৰ কৰা হৈছিল। সাঁকোখন নিৰ্মাণত বৰা চাউল, হাঁহৰ কণী আদি ব্যৱহাৰ কৰা হৈছিল। এই সাকোঁখন যোৱা ৩২০ বছৰ ধৰি অসমক দেশৰ আন প্ৰান্তৰ হৈতে সংযোগ কৰাত এক বিশেষ ভূমিকা লৈ আহিছে। এই সাকোঁখনৰ ওপৰেদি শিৱসাগৰৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত নামদাং অঞ্চলত উজনি নামনিৰ মাজত এক গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। কিন্তু বিগত কেইবছৰ ধৰি সাকোঁখনৰ অৱস্থা কিছু বেয়ালৈ গতি কৰিছে। সাকোঁখন গধুৰ যান-বাহনৰ প্ৰচণ্ড খুন্দাত ফাট মেলাৰ লগতে গাত থকা মূৰ্তিবোৰ ভাঙি-চিঙি উৰলি গৈছে। কিন্তু অতি দুখৰ বিষয় যে আজিও এই সাঁকোৰ প্ৰকৃত সংৰক্ষণ নহ'ল আধুনিক যুগৰ প্ৰযুক্তিবিদ্যা, আধুনিক যুগৰ চৰকাৰ, প্ৰশাসনৰ বিভাগীয় কৰ্তৃপক্ষ থকাৰ পিছতো এই আপুৰুগীয়া সম্পদটোৱে বাৰে বাৰে নিজৰ অস্তিত্বৰ বাবে যুঁজ দিব লগা হৈছে।

## ২.০৪. গৌৰীসাগৰ পুখুৰী আৰু দ'ল ঃ



স্বৰ্গদেউ শিৱসিংহৰ প্ৰথমা পত্নী বৰৰজা ফুলেশ্বৰী কুঁৱৰীয়ে ১৬৪৫ শক ফাগুনৰ ৫ দিন যাওঁতে গৌৰীসাগৰ পুখুৰী খন্দাৰ কাম আৰম্ভ কৰোৱাই আৰু ১৬৪৫ শকৰ আহাৰ মাহৰ ১৬ দিন যাওঁতে গৌৰীসাগৰ পুখুৰী খন্দাৰ কাম শেষ হয়। পাছত উত্তৰ পূব পাৰত বিষ্ণুদ'ল; শিৱদ'ল, দেৱী দ'ল নিৰ্মাণ কৰাইছিল। পুখুৰীতো গৌৰীদেৱীৰ স্মৃতিত উচৰ্গা কৰি নাম থয় "গৌৰীসাগৰ পুখুৰী"। এই গৌৰীসাগৰ পুখুৰীৰ অতীতত ৩ খন খাৰৈ বা যমুনা আছিল। পুখুৰীৰ পানীৰ পুঙত নাগ মাৰি প্ৰতিষ্ঠা কৰা হৈছিল। পুখুৰীটোৰে প্ৰায় ১৫০ একৰ ভূমি সামৰি আছে।



**শিৱদ'ল ঃ**

শিৱদ'লৰ জোখ হল:- বেৰে ১২০ হাত, পাটিয়েদি ১৫ হাত , বাজু ১৬ হাত, বাৰ ডাঠ ১১ হাত, গহ্বৰ বলে ১৫ হাত, ওখকৈ খুৰা পাটৰ পৰা ওপৰ মুধলৈ ২০ হাত, তাৰে পৰা চুলাৰ ওপৰলৈ ৪৩ হাত।

**বিষ্ণুদ'ল ঃ**

বিষ্ণুদ'লক "গোসাঁই দৌল; বুলিও জনা যায়। বিষ্ণুদ'লৰ জোখ হল ঃ- মেৰে ৮০ হাত, গহ্বৰ বলে ১৪ হাত, বাৰ ডাঠ ৬ হাত, ওখকৈ খুৰাপাটৰ পৰা মোধলৈ ১২ হাত , তাৰে পৰা চুলাৰ ওপৰলৈ ২৮ হাত, পাটিয়েদি বলে ১২ হাত , বাজো বলে ৮ হাত।

**দেৱীদ'ল ঃ**



দেৰীদ'লৰ জোখ হল মেৰে ৮০ হাত, পাটিয়েদি এৰে বলে ১২ হাত , বাজু বলে ৮ হাত, বাৰ ডাঠ ৬ হাত, ওখকৈ খুৰাপাটৰ পৰা মুধলৈ ১২ হাত, তাৰে পৰা চুলাৰ ওপৰলৈ ২৮ হাত।

ওপৰোক্ত দ'ল তিনিটা নিৰ্মাণৰ সময়তে বৰৰজা ফুলেশ্বৰী কুঁৱৰীয়ে অস্থায়ীভাৱে পূজা-পাতল কৰিবৰ বাবে গৰখীয়া দ'লৰ নিৰ্মাণ কৰিছিল। এই গৰখীয়া দ'লটো ১৯৫০ চনৰ বৰভুঁইকপত ভাগি পৰিছিল। দলটো ভাণ্ডি পৰাৰ পিছত হাবি-জংঘলেৰে আগুৰি ধৰাত অনাদিত হৈ পৰে। পুৰাতত্ত্ব বিভাগৰ গুৱাহাটী স্থিত এটা দ'ল গৌৰীসাগৰত বাহৰ পাতি অতি সূক্ষ্মভাৱে দ'লটোৰ চতিয়া ইটাবিলাক যাতে নষ্ট নহয় ইয়াৰ বাবে হাবি- জংঘল চাফা কৰি মাটি আঁতৰাই দ'লটোৰ অধ্যয়নৰ ব্যৱস্থা কৰিছে।

**৩.০০. উপসংহাৰ ঃ**

যি জাতিৰ ইতিহাস নাই, সেই জাতিৰ কোনো অস্তিত্বই নাই। আহোমসকলৰ শাসন কালত এই কীৰ্তিচিহ্নসমূহে সেই সময়ৰ শাসন ব্যৱস্থা,কলা-কৃষ্টি, সংস্কৃতিৰ আদিৰ ঐতিহ্য বহন কৰিছিল। কিন্তু সময়ৰ গৰাহত পৰি এই কীৰ্তিচিহ্ন সমূহে নিজৰ ঐতিহ্য সুঁৱৰি আজি অক্ষতভাৱে থিয় দি আছে। গতিকে চৰকাৰে এই ঐতিহাসিক কীৰ্তিচিহ্নসমূহৰ সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে। অঞ্চলটোৰ সচেতন ব্যক্তিসকলেও এইবোৰৰ সংৰক্ষণৰ বাবে নিজৰ লগতে জনসাধাৰণৰ মাজত সজাগতাৰ সৃষ্টি কৰিব লাগে। স্থানীয় লোক তথা জিলাখনৰ সকলো লোকেই কাগজ-পত্ৰ, আলোচনী আদিত পোৱা তথ্যসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰৰ চেষ্টা কৰা উচিত।

**প্ৰস্তুতকৰ্তা ঃ**

অনিতা গায়ন, গীতাৰ্থী গগৈ,
সোণমণি গগৈ, কাশ্মীৰী গগৈ

# শিৰসাগৰ অঞ্চলত সংৰক্ষিত অৱস্থাত নথকা পুৰণিকালৰ কিছুসাঁচিপাতৰ পুথি

## ১.০ অৱতৰণিকা ঃ

### ১.১ বিষয় আৰু পৰিচয়

**"সাঁচিপাতৰ পুথি"**

সাঁচিপাত হৈছে "সাঁচিগছ"(Aquilaria agallocha)ৰ ছালৰ পৰা তৈয়াৰ কৰা মধ্যযুগীয় অসমত ব্যৱহৃত এক লেখন সামগ্ৰী। মূলতঃ এইবোৰ আছিল হাতে লিখা পুথি(manuscript). ঐতিহাসিক দৃষ্টিকোণৰে অসমত সাঁচিপাতৰ ব্যৱহাৰ প্ৰায় সপ্তম অষ্টম খ্ৰীষ্টীয়শতিকাৰ পৰাই আৰম্ভ হৈছিল বুলি অনুমান কৰা হৈছে। অসমৰ সাহিত্যৰ প্ৰথম চানেকীস্বৰূপ চৰ্যাপদসমূহ এনে সাঁচিপাততেই লিখিত বুলি ইতিহাসভাৱে স্বীকৃত। এই সাঁচিপাতৰ বাবে১৫-১৬ বছৰ বয়সৰ বাকলি কাটি নিমজ কৰি লৈ হেঙুল আৰু হাইতালেৰে (দুবিধ বিহ) ৰঙেৰে বুলাই ৰ'দত শুকুৱাই লৈ এই সাঁচিপাতত প্ৰস্তুত কৰা হয়। বনঢেকীয়াৰে কাপ (কলম) প্ৰস্তুত কৰি কেচা শিলিখা, চৰু ছাই, বৰা চাউলৰ ছাই, আমলখি ছাল, পাণ, কেঁহাৰাজ সিজাই ৰস উলিয়াই সহি প্ৰস্তুত কৰি এই পুথিসমূহ লিখা হৈছিল।

অসমৰ সাঁচিপতীয়া পুথিসমূহৰ বিষয়ে ড° সূৰ্য্য কুমাৰ ভূঞাই লিখিছে- "এই পুথি লিখোতা সকলৰ পুথিত অঙ্গসজ্জাৰ বাবে সাধাৰণতে চিত্ৰশিল্পী নিয়োগ কৰা হৈছিল। কেতিয়াবা লিখোতা নিজেই চিত্ৰশিল্পী আছিল, নহ'লে লিখোতাই পুথিত চিত্ৰৰ বাবে এৰি যোৱা খালী ঠাই কোনো চিত্ৰশিল্পীয়ে যথাযথ চিত্ৰৰে পূৰ্ণ কৰি দিছিল...."।

### ১.২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ-

শিৰসাগৰৰ অঞ্চলত সংগৃহীত নোহোৱা পুৰণি কালত লিখনৰ পদ্ধতি হিচাপে ব্যৱহৃত সাঁচিপাতৰ পুথিসমূহৰ ওপৰত আলোকপাত কৰা। লগতে পুথিসমূহৰ সংৰক্ষণৰ ওপৰত সজাগতা বৃদ্ধি কৰা আৰু ইতিহাসৰ এক সমল হিচাপে এই পুথিসমূহক ব্যৱহাৰ কৰা।

### ১.৩ অধ্যয়নৰ গুৰুত্ব ঃ-

সাঁচিপাতৰ পুথিসমূহৰ ওপৰত অধ্যয়ন কৰোতে ইয়াত কিছুক্ষেত্ৰত আমি গুৰুত্ব অনুভৱ কৰোঁ। ইয়াৰ কিছু গুৰুত্ব তলত উল্লেখ কৰা হ'ল-

ক) সংগৃহীত নোহোৱা সাঁচিপাতৰ পুথিসমূহ সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা।

খ) সাঁচিপাতৰ পুথিসমূহত উল্লেখ থকা তথ্যসমূহ আহৰণ কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা।

গ) ইতিহাসৰ এক সমল হিচাপে এই সাঁচিপাতত পুথিসমূহ ক্ষতি বা অনিষ্ট নোহোৱাকৈ সংৰক্ষণ কৰিবলৈ ব্যৱস্থা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা।

### ১.৪ অধ্যয়নৰ পদ্ধতি ঃ

আমাৰ আলোচনাত শিৰসাগৰ অঞ্চলত সংগৃহীত নোহোৱা সাঁচিপাতৰ পুথিৰ বিষয়ে এক আলোচনাত্মক অধ্যয়ন কৰা হৈছে। এই আলোচনা পত্ৰখন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত আমি প্ৰত্যক্ষ নিৰীক্ষণ পদ্ধতি, আলোচনাত্মক পদ্ধতি আৰু সাক্ষাৎকাৰ পদ্ধতিৰ সমল লৈছিলো। লগতে এই ক্ষেত্ৰত আমি সাঁচিপাতৰ পুথিৰ বিষয়ে উল্লেখ থকা তথা ভিডিঅ', ইন্টাৰনেট আদিৰ সমল লৈছিলো।


### ১.৫ অধ্যয়নৰ পৰিসৰ ঃ

এই অসংগৃহীত অৱস্থাত থকা সাঁচিপাতৰ পুথিসমূহত শিৰসাগৰ বেতবাৰীৰ কেন্দুগুৰিস্থিত নিৰাসী নামৰূপ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত প্ৰৱক্তা শ্ৰীযুত জিতেন বৰপাত্ৰ গোহাঁইৰ ঘৰত পোৱা হৈছিল।

## ২.০০ শিৰসাগৰ অঞ্চলত সিঁচৰিত হৈ থকা সাঁচিপাতৰ পুথি ঃ

শিৰসাগৰ অঞ্চলত থকা যিসমূহ পৌৰাণিক সম্পদ বৰ্তমান অসংৰক্ষিত অৱস্থাত আছে সেইসমূহৰ তথ্য আহৰণৰ উদ্দেশ্য আমাৰ দ'লটিয়ে এই অঞ্চলত সিঁচৰিত হৈ থকা

সাঁচিপাতৰ পুথি বিষয়টোলৈ বাছনি কৰি লৈছিলো। এই কাৰ্যটিৰ বাবে আমি বেতবাৰী অঞ্চলৰ কেন্দুগুৰিৰ নিৰাসী শ্ৰীযুত জীতেন বৰপাত্ৰগোহাঁই দেৱৰ গৃহত উপস্থিত হওঁ। তেখেতে কনচেং বৰপাত্ৰগোহাঁইৰ উত্তৰপুৰুষ। তেখেতৰ গৃহত আমি পুৰণি কালৰ কিছুমান সাঁচিপাতৰ পুথি লাভ কৰিছিলোঁ, যিসমূহ ৰচনা কাল বা কাৰ দিনত, কাৰ দ্বাৰা প্ৰস্তুত কৰা হৈছিল, তাৰ বিষয়ে কোনো বিতৎ তথ্য বৰ্তমানেও উপলব্ধ হোৱা নাই।



আদিম যুগৰ পৰাই মানুহে মনৰ অভিপ্ৰায় প্ৰকাশ কৰিছিল কিছুমান চিন বা বৰ্ণৰ সহায়ত। মানুহৰ কথিত ভাষা আৰু চিন্তা-চৰ্চা তথা ধাৰণাবোৰক চিহ্ন বা বৰ্ণৰ দ্বাৰা প্ৰকাশ আৰু সংৰক্ষণ কৰিবলৈ ব্যৱহাৰ কৰা মাধ্যমটোৱেই হৈছে লিপি। এই লিপিবোৰৰ ভিন্ন কালত প্ৰচলিত আৰু পৰিৱৰ্তিত মানৱ সভ্যতা আৰু সংস্কৃতিৰ বিষয়ে ধাৰণা দিয়ে। পৃথিৱীত বৰ্তমানলৈকে হাজাৰ হাজাৰ লিপি আৱিষ্কাৰ হৈছে। পুৰাতত্ত্ব বিভাগ আৰু ভাষা তত্ত্ববিদসকলে এই প্ৰচেষ্টা অব্যাহত ৰাখিছে। এতিয়ালৈকে আৱিষ্কাৰ হোৱা লিপিসমূহত যেনেকৈ ভাষাৰ ক্ষেত্ৰত ভিন্নতা দেখা যায়, ঠিক তেনেকৈ যিবোৰ ভাষাৰ পৃষ্ঠাত এই লিপিসমূহ অংকন কৰা হৈছে সেই মাধ্যমবোৰৰ প্ৰস্তুত প্ৰণালীৰ ক্ষেত্ৰতো ভিন্নতা পৰিলক্ষিত হয়। কালক্ৰমত হোৱা মানৱ সমাজৰ চিন্তাধাৰাৰ বিকাশেই হয়তো ইয়াৰ মূল কাৰণ। উদাহৰণস্বৰূপে-ছপাশাল নোহোৱা পৰ্যন্ত লিপিসমূহত ব্যৱহাৰ কৰা বিভিন্ন মাধ্যমবোৰ আছিল- মাটিৰ ফলক, শিলালিপি, তাম্ৰলিপি, বিশেষ গছৰ ছাল আৰু পাত, তুলাপাত ইত্যাদি। সি যি হওঁক, এই লিপিসমূহ আছিল অতি সুন্দৰ আৰু কলা-কৌশলযুক্ত। The art of fine scripts is called calligraphy. আদিম অৱস্থাত চিত্ৰলিপিৰ দ্বাৰাহে লিখা এই লিপিসমূহকে পাণ্ডুলিপি (Manuscripts) বোলে। ইতিহাস অধ্যয়ন কৰিলে জানিব পাৰি, আজিৰ পৰা প্ৰায় ৫০০০ বছৰ আগতে সৰ্বপ্ৰথমে লিখাৰ কৌশল আৱিষ্কাৰ কৰে চুমেৰিয়ান এডাল কাঠিৰ (Stylus) সহায়ত কিছুমান তিনিকোণীয়া চিহ্ন অংকন কৰিছিল। ইয়েই হৈছে পৃথিৱীৰ প্ৰথম লিপি সেইদৰে ইজিপ্তত লিখাৰ এটা জটিল পদ্ধতি উদ্ভাৱন হৈছিল যাক কোৱা হয় Hieroglyphics.

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ আৰু উল্লেখযোগ্য পাণ্ডুলিপি হৈছে সাঁচিপাতৰ পুথি। প্ৰাক্ শংকৰি যুগৰ পৰাই সাঁচিপাতৰ পুথি ব্যৱহাৰ হৈ আহিছে। এই সাঁচিপাতৰ পুথিসমূহ এক বিশেষ পদ্ধতিৰে প্ৰস্তুত কৰা হয়।

**সাঁচিপাতৰ পুথিৰ প্ৰস্তুত প্ৰণালী ঃ-**



সাঁচিগছৰ বাকলি এৰুৱাই এক বিশেষ পদ্ধতিৰে চাৰি পাঁচদিন শুকুৱাই আৰু চাফা কৰি সাঁচিপাতৰ পুথি তৈয়াৰ কৰা হয়। ইয়াৰ পাছত আহে ৰঙ কৰণৰ প্ৰক্ৰিয়া। সাঁচিপাতৰ পুথিত ব্যৱহাৰ কৰা বিশেষ ৰংবোৰ হ'ল হেঙুল, হাইতাল, গোটানীল, ধলমাটি ইত্যাদি। এই ৰংবোৰ বিশেষ গুণ বিশিষ্ট আৰু ৰং প্ৰস্তুতৰ এক বিশেষ পদ্ধতি আছে বাবেই এইবোৰ ৰঙৰ স্থায়িত্বআৰু উজ্জ্বলতা অন্য ৰঙৰ তুলনাত বেছি। লিখাৰ প্ৰাৰম্ভিক অৱস্থাত ঘিলাৰে ঘঁহি মিহি কৰা হয় যাতে লিখোতে চিয়াঁহীসমূহ বিয়পি সাঁচিপাতৰ পুথিৰ লগতে ইয়াৰ আনুষংগিক অন্য এক উল্লেখযোগ্য বিষয় হ'ল পুথি লিখোতে ব্যৱহাৰ কৰা চিয়াঁহী। ভোমোৰা গছৰ ছাল, আমলখি আৰু শিলিখাৰ ফল অংশ সমপৰিমাণে লৈ কেঁহৰাজ বন, গৰুমূত্ৰ আৰু বোন্দাকেঁচুৰ ৰস মিশ্ৰণ কৰি সিজাই চিয়াঁহীখিনি তৈয়াৰ কৰা হয়। এই মিশ্ৰণ খিনি মাটিৰ মলাত থৈ দিলে কেইদিনমানৰ পাছত মলাৰ বাহিৰ

অংশত আপোনা আপোনি নিগৰি অহা ৰসখিনিয়েই হ'ল এই বিশেষ চিয়াঁহি। এই চিয়াঁহীক "মুহি" বুলি কোৱা হয়। এই চিয়াঁহী স্থায়ী হোৱাৰ লগতে ৰাতিৰ আন্ধাৰতো তিৰবিৰাই থাকে।

আমি লাভ কৰা এই সাঁচি পাতৰ পুথিসমূহৰ কিছুমানপুথি বৰ্তমানেও কোনো ক্ষতি নোহোৱাকৈ থকাৰ পৰিবৰ্তে সংৰক্ষণৰ অভাৱত কিছু পুথি ক্ষত বিক্ষত অৱস্থাত আছিল। এই পুথিসমূহৰ মাজতে কীৰ্তনৰ এখন সাঁচিপাতত কৰা পাণ্ডুলিপি লাভ কৰা হৈছিল। প্ৰায় পাঁচ ছয়খন মান সাঁচিপাতীয়া পুথিৰ উদ্ধাৰ নোহোৱা কিছু অংশ প্ৰাপ্ত হৈছিল।

তেখেতৰ সাক্ষাৎকাৰত প্ৰাপ্ত তথ্য অনুসৰি এই সাঁচিপাতৰ পুথিসমূহ পূৰ্বজসকলে সংৰক্ষণ নকৰাকৈ ৰাখিছিল সেয়ে বৰষুণ আদিয়ে এই পুথিসমূহ কিছু অংশ নষ্ট কৰিছিল। পিছত তেখেতে এই থাকি যোৱা পুথিসমূহ নিজ গৃহত সংৰক্ষণ কৰি ৰাখিছে। তেখেতৰ ওচৰত উপলব্ধ কিছুমান সাঁচিপাতৰ পুথি তেখেতে আন কাৰোবাৰ পৰা সংগ্ৰহ কৰি আনিছিল বুলি জানিব দিছিল। কীৰ্তনৰ পাণ্ডুলিপিৰ যি অৱশিষ্ট আছিল সেই পুথিখনৰ ভাষা অসমীয়া দেখা পোৱা গৈছিল যদিও বেংগলী 'ৰ' ৰ প্ৰয়োগ কৰা দেখা গৈছিল। আৰু এই অসমীয়া ভাষা আজিৰ ভাষাতকৈ কিছু পৰিমাণে বেলেগ আছিল। উপলব্ধ কীৰ্তনৰ পাণ্ডুলিপিৰ কেইটামান শাৰী তলত দাঙি ধৰা হ'ল-

"কিকৰিপবিতসই হৈবো নাৰায়ণ। সেইউপদেশ দিয়াপাওকনা শন।। যদিহেনতোমাকমাগিভোকৰোছন্ন তেবেমোৰ্হািহবেক পাতক ক্ষমোচন। ২০৪৪"।

এই পুথিখনত আমি দেখা পাইছিলো পুথিখনৰ প্ৰত্যেকপৃষ্ঠাত পৃষ্ঠা নম্বৰ দিয়া আছিল আৰু পুথিখনৰ মাজভাগত বৰ্গাকৃতিৰ অংশৰ ভিতৰত এটা ফটা আছিল। ইয়াক পুথিখনৰ নাভি অংশ বুলি কোৱা হৈছিল আৰু জানিব পৰা মতে ইয়াৰ সহায়ত এই নাভি অংশত ৰছী সুমুৱাই পুথিখন ওলোমাই ৰখা হৈছিল।

## ২.১৫ সংগৃহীত অন্যান্য সামগ্ৰী ঃ



আহোমৰ দিনত যুদ্ধত ব্যৱহাৰ হোৱা হাতশিলৈ



আহোমৰ দিনত যুদ্ধত ব্যৱহাৰ হোৱা বাৰুদ

সাঁচিপাতৰ পুথি সম্পৰ্কে তথ্য সংগ্ৰহৰ উদ্দেশ্যে সন্মানীয় জীতেন বৰপাত্ৰগোঁহাই দেৱৰ গৃহত উপস্থিত হওঁতে সাঁচিপাতৰ পুথিৰ উপৰিও কিছুমান ৰজাদিনীয়া পুৰণি সম্পদ লাভ কৰিছিল। তেখেতে এই সামগ্ৰীসমূহ পূৰ্বপুৰুষসকলৰ পৰা লাভ কৰাৰ উপৰিও স্থানীয় এলেকাসমূহৰ পৰা প্ৰাপ্ত বুলি আমাক অৱগত কৰিছিল।



আহোমৰ দিনত শিলত কটা মূৰ্ত্তি

## ২.২ উপসংহাৰ ঃ-

এই আলোচনা পত্ৰখনৰ পৰা আমি জানিব পাৰিলো যে শিৰসাগৰ অঞ্চলত এতিয়াও বহুতে সাঁচিপাতৰ পুথি অসংৰক্ষিত অৱস্থাত আছে। তাৰে কিছুমান তথ্য উদ্‌ঘাটন হৈছে


যদিও বহুখিনিৰে এতিয়াও তথ্য উদ্‌ঘাটন হোৱা নাই। ইতিহাসৰ বহু তথ্য সংৰক্ষণত এই সাঁচিপাতৰ পুথিসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সেইবাবে এই পুথিসমূহ সংৰক্ষণ কৰাটো অতিশয় প্ৰয়োজন।


সাঁচিপাতৰ পুথিসমূহ সহজে পোৱা নাযায়। যি সমূহ পোৱা গৈছে সেই সমূহো প্ৰস্তুত কৰাৰ বাবে বহু সময় আৰু কষ্টৰ প্ৰয়োজন হয়। এই সমূহ বহু ব্যক্তিৰ যথেষ্ঠ সাধনৰ ফল। এই সাঁচিপাতসমূহত লিখোতে কিবা ভুল হ'লে গোটেই পাতখনেই নষ্ট হৈ যায় আৰু পানী পৰিলে বা অনিষ্টকৰী দ্ৰব্য লাগিলে এই সমূহ সহজেই নষ্ট হৈ যায়। এই সাঁচিপাতৰ পুথিসমূহক ইতিহাসত গুৰুত্বপূৰ্ণ সমল হিচাপে উচিত ধৰণে সংৰক্ষণৰ ব্যৱস্থা কৰাটো খুবেই প্ৰয়োজনীয়।

উল্লেখযোগ্য যে অসমীয়া মানুহে পুৰণি সাঁচিপতীয়া আৰু তুলাপতীয়া পুথিসমূহ অতি শ্ৰদ্ধা আৰু ভক্তি সহকাৰে সংৰক্ষণ কৰি ৰাখিছিল। অৱশ্যে বিভিন্ন ৰাজনৈতিক কাৰণ, প্ৰাকৃতিক দুৰ্যোগ, কীট-পতংগৰ আক্ৰমণ আদিৰ ফলত বহুতো সাঁচিপতীয়া পুথি কালৰ বুকুত হেৰাই গ'ল। তথাপি কিছুমান পুথি আজিও বিভিন্ন সত্ৰ, নামঘৰ, দেৱগৃহ আদিত সংৰক্ষণ হৈ আছে। অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগ, কামৰূপ অনুসন্ধান সমিতি, ৰাজ্যিক সংগ্ৰাহালয়, গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভালেমান পুথি সংৰক্ষিত হৈ আছে যদিও দুষ্প্ৰাপ্য পুথিসমূহৰ জৰীপ আৰু সংগ্ৰহৰ কামৰ জৰিয়তে সেই বিশেষ পুথিসমূহৰ তথ্য তথা ৰহস্যৰ সম্ভেদ অসমৰ লগতে গোটেই বিশ্বই পোৱাটো অতি দৰকাৰী। ❑

**প্ৰস্তুতকৰ্তা ঃ**

কম্পী বৰুৱা, দেৱশ্ৰী শেনচোৱা, পৰিস্মৃতা ফুকন
উৰ্মিলা কোঁৱৰ, পংখী গগৈ।





সমল ব্যক্তিৰ সৈতে সাক্ষাৎকাৰ লোৱাৰ মুহূৰ্ত্তত আৰু তেখেতৰ দ্বাৰা সংৰক্ষিত আহোমৰ দিনৰ শিলত কটা ফুল



Scanned with OKEN Scanner

# অসমৰ প্ৰচলিত তাঁতশাল- এক বিশ্লেষণাত্মক অধ্যয়ন

**১.০. অৱতৰণিকা ঃ**

তাঁতশাল অসমীয়া সংস্কৃতিৰ এৰাব নোৱাৰা এক বহুমূলীয়া সম্পদ। অসমৰ জাতি-জনজাতি তথা অসমীয়া শিপিনীসকলৰ বাবে তাঁতশালৰ এক গুৰুত্ব আছে। এই তাঁতশালত শিপিনীৰ কৰ্মদক্ষতা অতুলনীয়। অসমৰ প্ৰায় সকলোবোৰ ব্যৱহাৰ কৰিবলগীয়া বস্তু নিজহাতে তাতঁশালত বৈ উলিয়াই লোৱা হয়।

**১.১ বিষয়ৰ পৰিচয় ঃ**

তাঁতশাল অসমৰ প্ৰাচীন গৌৰৱময় গ্ৰাম্য কুটীৰ শিল্প, য'ত চিহ্নিত হয় অসমৰ নাৰীৰ সপোন। অতীতৰ পৰাই প্ৰতিঘৰ মানুহৰে তাঁতশাল আছিল। প্ৰতিঘৰ মানুহৰ জীয়ৰী বোৱাৰীসকলে বোৱা কটাত পাকৈত আছিল। অসমৰ জাতি-ধৰ্ম নিৰ্বিশেষে পাহাৰ-ভৈয়ামৰ সকলো জাতি-জনগোষ্ঠীৰ লোকৰ বাবে তাঁতশালখন দৈনন্দিন জীৱনত লাগতিয়াল এবিধ অতি মৰমিয়াল সম্পদ।

**১.২. অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

তাতঁশালখন আমাৰ সমাজত অতীতকালৰে পৰা বৰ্তমানলৈকে নিৰন্তৰে প্ৰচলিত হৈ আছে। এই তাঁতশালখনৰ সম্পৰ্কে বহুতো জানিবলগীয়া কথা আছে। সেয়ে কেইটামান নিৰ্দিষ্ট উদ্দেশ্য আগত ৰাখি তাতঁশালৰ বিষয়ে তথ্য আহৰণ কৰিবলৈ চেষ্টা কৰা হ'ল। এই তথ্য আহৰণৰ উদ্দেশ্য হ'ল —

১। অসমত প্ৰচলিত তাঁতশালৰ এটি চমু টোকা আগবঢ়োৱা।

২। অসমত প্ৰচলিত তাঁতশালৰ প্ৰকাৰ সম্পৰ্কে তথ্য আহৰণ কৰা।

৩। তাঁতশালৰ লগত জড়িত সজুঁলি সমূহৰ পৰিচয় দাঙি ধৰা।

**১.৩. অধ্যয়নৰ গুৰুত্ব ঃ**

সময়ৰ পৰিৱৰ্তনৰ লগে লগে সমাজত তাঁতশালৰ প্ৰচলন লাহে লাহে কমি অহা দেখা গৈছে। তাৰোপৰি পূৰ্বৰ পৰা প্ৰচলিত পৰম্পৰাগত তাঁতশালৰ বিপৰীতে বৰ্তমান সময়ত আধুনিক তাঁতশালৰ প্ৰচলন হোৱা দেখা গৈছে। যিয়ে পৰম্পৰাগত তাঁতশালৰ পৰিচয় অটুট ৰখাত কিছু পৰিমাণে হ'লেও বিৰূপ প্ৰভাৱ পেলাইছে। সেয়ে, পৰম্পৰাগত তাঁতশালসমূহৰ বিষয়ে জনা আৰু পৰম্পৰাসমূহ অটুট ৰাখিবৰ বাবে তাঁতশাল সম্পৰ্কে বিশদভাৱে অধ্যয়ন কৰাৰ প্ৰয়োজন আহি পৰিছে।

**১.৪. অধ্যয়নৰ পদ্ধতি ঃ**

কোনো কোনো অঞ্চল ভেদে কিছু পৰিমাণে হ'লেও বেলেগ বেলেগ ধৰণেৰে তাঁতশালৰ ব্যৱহাৰ পৰিলক্ষিত হয়। সেয়ে তাঁতশাল সম্পৰ্কে ভিন ভিন তথ্যৰ সমৃদ্ধ এই তাতঁশালৰ সম্পৰ্কে অধ্যয়ন/তথ্য আহৰণ কৰোঁতে মূলতঃ বিশ্লেষনাত্মক পদ্ধতি প্ৰয়োগ কৰা হৈছে।

**১.৫. অধ্যয়নৰ পৰিসৰ ঃ**

অসমৰ পাহাৰ ভৈয়ামৰ সকলো জাতি- জনজাতিৰ লোকেই নিজৰ প্ৰয়োগৰ জোখেৰে কাপোৰ তৈয়াৰ কৰি উলিয়াই। সেয়ে, অসমত প্ৰচলিত তাঁতশাল সম্পৰ্কে অধ্যয়ন কৰিবলৈ যাওঁতে ইয়াৰ পৰিসৰত তিনিপ্ৰকাৰৰ তাঁতশাল ক্ৰমে- মাটি শাল, তাঁতীশাল আৰু কঁকাল শালৰ বিষয়ে অন্তৰ্ভুক্ত কৰা হৈছে।

**২.০. মূল বিষয়বস্তু ঃ**

অধ্যয়নৰ মূল বিষয়বস্তু হ'ল অসমত প্ৰচলিত তাঁতশালৰ বিষয়ে অধ্যয়ন কৰা। এই তাঁতীশালসমূহ হৈছে- ১) মাটিশাল, ২) তাঁতীশাল, ৩) কঁকালশাল,

**২.১ মাটি শাল ঃ**

গাঁৱৰ প্ৰতিঘৰ মানুহৰে সততে পোৱা শালখনেই হ'ল মাটিশাল। এই মাটিশালখন সচৰাচতে ঘৰতে পোৱা সামগ্ৰীৰে প্ৰস্তুত কৰি ল'ব পাৰি। নতুনকৈ ববলৈ লোৱা অৰ্থাৎ ন-শিকাৰুৰ বাবে এই তাঁত বেছি উপযোগী কিয়নো এই তাত বৈ উলিয়াবলৈ সহজ। এই তাঁতশালখন অসমীয়া সমাজৰ এক অপৰিহাৰ্য অংগ। অসমীয়া সমাজৰ প্ৰতিঘৰ মানুহৰ ঘৰত সহজে পোৱা যায়।


**মাটিশালৰ প্ৰক্ৰিয়া ঃ**

প্ৰথমতে ব্যৱহাৰ হোৱা সূতাখিনি ববিন কৰি লব লাগে। তাৰপিছত ববীনখিনি জাপানত লগাই ল'ব লাগে। ইয়াৰ পিছত জাপানখনৰ ববীন কেইটাৰ পৰা সূতা উলিয়াই এটা মুৰৰ পৰা আনটো মুৰলৈ সূতাখিনি নি তাত থকা খুতিটোত একোটা নিৰ্দিষ্ট পাকত সোমোৱাই থ'ব লাগে। এনেদৰে নিৰ্দিষ্ট হিচাপলৈকে নি থাকিব লাগে। এই প্ৰক্ৰিয়াটোক তাঁত বাতি কৰা প্ৰক্ৰিয়া বোলে। তাঁত বাতি শেষ হোৱাৰ পাছত ৰাঁচত সূতা ভৰোৱা হয়। ৰাঁচত সূতা ভৰাই শেষ হোৱাৰ পাছত একোটা টোলোঠাত সুতাবোৰ মেৰিয়াই লৈ গৈ থকা হয়।


তাৰপিছৰ প্ৰক্ৰিয়াটো হ'ল ব'তোলা। ব' তুলিবলৈ ব' তোলা চুঙা আৰু ব' ভৰাই সূতাখিনি ভৰাই থবলৈ এটা সৰু চেৰেকী লাগে। ব' তুলি শেষ হোৱাৰ পাছত বোৱাৰ উপযোগী কৰি লোৱা হয়। যাক কয় শালত দঙা। শালত দঙাৰ পিছত কাপোৰ ব'বলৈ আৰম্ভ কৰা হয়।

**মাটি শালত ব্যৱহৃত সঁজুলিসমূহ ঃ-**


**(১) উঘা ঃ** উঘা বাঁহ আৰু কাঠেৰে তৈয়াৰ কৰা হয়। উঘাত সূতা মেৰিয়াই একেলগে বহুতো উঘা মাটিত একেলগে একে শাৰীতে পুতি লৈ তাঁত বাটি কৰা হয়। বৰ্তমান উঘাত সলনি বিহীন ব্যৱহাৰ হোৱা দেখা যায়।



**(২) মাকো ঃ** মাকো কাঠেৰে নিৰ্মিত এটি সঁজুলি। মাকোত মহুৰা লগাই সূতাবোৰ জাল দি মাকোৰ সহাযত বোৱা হয়। এই মাকোত মহুৰা ধৰি থকা মাৰিডাল গেৰেলি মাৰি বুলি কোৱা হয়। গেৰেলি মাৰি আৰু মাৰি আৰু মহুৰা ওলাই নাহিবলৈ মৰা খুটিটোক নিগনি খুটি বোলা হয়।




**(৩) চেৰেকী ঃ** চেৰেকী মূলতঃ দুই প্ৰকাৰৰ। সেয়া হ'ল বৰ চেৰেকী আৰু সৰু চেৰেকী। দুডাল দুডালকৈ চাৰিডাল পাতিৰে আঠডাল থিয় শলাৰ প্ৰতিটো মূৰ ধৰি ৰাখিবলৈ দুযোৰ পাতিৰ মূৰত সংলগ্ন কৰা হয়। দুযোৰ পাতিৰ মাজ অংশত ফুটা কৰি মূল শলাডাল সুমুৱাই দিয়া হয়। যাতে আহিলাটো ঘূৰি থাকে। চেৰেকীৰ তলৰ পাতিযোৰ বহলকৈ ৰখা হয় যাতে সূতা নেচা তললৈ সুলকি নপৰে।



**(৪) যঁতৰ ঃ** যঁতৰ কাঠ আৰু বাঁহেৰে সজোৱা হৈছিল যদিও এই যঁতৰত চাইকেলৰ ৰিং, লোৰ শলা আদি ব্যৱহাৰ কৰা দেখা যায়। যঁতৰ মহুৰা, ববীন বাতিবলৈ ব্যৱহাৰ কৰা হয়।




Scanned with OKEN Scanner



(৫) **দোৰেপতি ঃ** তাঁতশালৰ লগত জড়িত আন এবিধ সঁজুলি হ'ল দোৰেপতি। এই দোৰেপতিযোৰ কাঠেৰে নিৰ্মিত। দুই মূৰত দুটা ফুটা থাকে আৰু' এই ফুটাত দুডাল খুটি মৰা হয়। এই খুটিক বলমাৰি বোলে। এই দোৰেপতিযোৰত ৰাঁচখন ভৰাই লোৱা হয়।




(৬) টোলোঠা ঃ




এই টোলোঠা কাঠেৰে তৈয়াৰ কৰা হয়। এযুতি তাঁতত দুটা টোলাঠা লাগে। এটা গা টোলোঠা আৰু আনটো সূতা টোলোঠা বা পাছ টোলোঠা বোলে। গা টোলোঠাত বৈ উলিওৱা কাপোৰখন মেৰ খাই থাকে। আনহাতে পাছ টোলোঠাত সূতাখিনি থাকে। এই টোলোঠাত দুটাকৈ ফুটা থাকে, য'ত কাণমাৰিৰে তাঁতখন নিৰ্দিষ্ট জোখত টান কৰি লোৱা হয়।

(৭) **ৰাঁচ ঃ** ৰাঁচখন বাঁহেৰে নিৰ্মিত হয়। ইয়াত কিছুমান সমান জোখৰ সৰু সৰু কাঠি লৈ তৈয়াৰ কৰা হয়। এই কাঠি বোৰ নিৰ্দিষ্ট একোটা জোখত ব'সূতাৰে গাঁঠি দি সজা হয়। এটা কাঠিৰ পৰা অন্য এটা কাঠিৰ মাজৰ ঠাইখিনিক কনি বোলে।

(৮) **মহুৰা ঃ** এই মহুৰাবোৰ নল বা ইকৰা, বাহঁৰ লেকেচিৰ পৰা সাজি উলিওৱা হয়। মহুৰা যঁতৰত লগাই সূতা মেৰিয়াই লোৱা হয়। আৰু সেই মহুৰা মাকোত লগাই তাঁত হ'বলৈ ব্যৱহাৰ কৰা হয়। মহুৰাটো মাকোৰ মাজত গেলেৰী মাৰিত ভৰাই দিয়া হয়।



(৯) **পুতল ঃ** পুতল বাঁহেৰে সজা হয়। ইয়াৰ দুটা মূৰত বাঁহৰ দুটা কাঁইট থাকে। বৈ উলিওৱা কাপোৰৰ ফালে এই পুতল লগোৱা হয়। যাতে কাপোৰখন টানি বহল কৰি ৰাখে।



(১০) গৰকা ঃ গৰকা বাঁহেৰে তৈয়াৰ কৰা হয়। গৰকাত ভৰি থৈ তাঁতৰ জাল দি মাকো মাৰিব পাৰি। এই গৰকাৰ মূৰত খুটি মাৰি লোৱা হয় তাক ককৰা বোলে। এই গৰকাযোৰ ধৰি ৰাখিবলৈ ব্যৱহাৰ কৰা জৰীবোৰক গৰকা জৰী বোলে।



(১১) জখলা ঃ এই জখলা কাঠেৰে প্ৰস্তুত কৰা হয়। তাঁতৰ ইটো খুঁটিৰ পৰা সিটো খুঁটিলৈকে এই জখলা কেইডাল খাঁজ কাটি ভৰাই দিয়া হয়। এই জখলাডাল এটা সমান দুৰত্বত খাঁজ কাটি দিয়া হয় , যাতে চালি মাৰিডাল নিবলৈ সহজ হয়।




(১২) নাচনী ঃ




তাঁতৰ ব'বাটিয়ে জাল দিবলৈ এই নাচনী লগোৱা হয়। অতীতত এই নাচনী বাঁহেৰে সাজি উলিয়াইছিল। বৰ্তমান প্লাষ্টিকৰ বজাৰত উপলব্ধ হয়। এই নাচনী চালিমাৰিত বান্ধি দিয়া হয়।

(১৩) ব'তোলা চুঙা ঃ ব'তোলা চুঙাৰে তাঁতৰ ব'তোলা হয়। এই চুঙা বাঁহৰ আৰু প্লাষ্টিক দুয়োটাতে উপলব্ধ।



(১৪) চিৰি ঃ চিৰি বাঁহেৰে সজা হয়। ছেপেটাকৈ চিৰিসমূহ তৈয়াৰ কৰা হয় আৰু চিৰিৰ এটা মূৰ মিহি কৰি অৰ্ধ বৃত্তাকাৰ কৈ কাটি দিয়া হয়, যাতে সুতাৰ চিৰিডাল লাগি নধৰে।



(১৫) শলি ঃ



বাঁহেৰে গোটাকৈ এই সঁজুলি প্ৰস্তুত কৰা হয়। এই শলিবোৰৰ কাৰ্য অনুসৰি বিভিন্ন নামেৰে জনা যায়। যেনে- বৰ



Scanned with OKEN Scanner

শলি, ব' শলি, সৰুশলি, নাকি শলি ইত্যাদি।

**(১৬) ফুল বচা কাঠি আৰু ফুলৰ কাঠি ঃ** এই সঁজুলি বাঁহেৰে সাজি উলিওৱা হয়। এপাহ ফুল কাপোৰত তুলিবৰ বাবে বা বাচিবৰ বাবে ফুল বা কাঠি ব্যৱহাৰ কৰা হয়। কাঠৰ আগটো কিছু জোঙা। ফুল এপাহ তুলি টোলোঠাৰ ফালে থকা সূতাত ফুলৰ কাঠিবোৰ ভৰাই যোৰা হয়। যাতে ফুলপাহ পুনৰ তুলিব পাৰে।



**(১৭) দাংমাৰি ঃ** বাঁহেৰে সজা এই দাংমাৰি গৰকা ধৰি ৰাখিবৰ বাবে লগোৱা হয়।



**(১৮) কাকৈ ঃ**




ৰাঁচ ভৰাই লৈ যেতিয়া তাঁতখন চলোৱা হয় তেতিয়া সূতাত লাগি থকা আঁটবোৰ ভাঙিবলৈ কাকৈ ব্যৱহাৰ কৰা হয়। বৰ্তমান সময়ত কাকৈৰ সলনি প্লাষ্টিকৰ ফণী ব্যৱহাৰ কৰা দেখা যায়।

**অসমীয়া মাটিশালত বৈ উলিওৱা কাপোৰ ঃ-**


(১) গামোচা,



(২) মুগা ৰিহা,



(৩) চেলেং চাদৰ,



(৪) মুগা চাদৰ ,



(৫) পকোৱা সূতাৰ চাদৰ



(৬) মুগা মেখেলা।



## ২.২ তাঁতীশাল ঃ

তাঁতীশালত মাকোঁ হাতেৰে চলাবলগীয়া নহয়। দোৰ্ৰপতীত মাকোঁটো থৈ এডাল ৰছীৰ সহায়ত অহা যোৱা কৰাই এই তাঁত বোৱা হয়। যিহেতু হাতেৰে মাকোঁ চলাব নালাগে তাৰ কাৰণে তাঁতীশালত বোৱা বোৱনকাৰ্য সোনকালে হৈ উঠে। এই তাঁতী শালত ৰাঁচখন ৰখাৰ ব্যৱস্থা কৰা হয়।

অসমৰ মূলত বড়োসকলৰ মাজত তাঁতীশাল বহুলভাৱে প্ৰচলিত। বড়োসকল হৈছে অসমৰ সবাটোতকৈ প্ৰাচীনতম আৰু বৃহত্তম জনজাতি। এই বড়োসকলেই অসমত প্ৰথম ৰেচমশিল্পৰ প্ৰৱৰ্তন কৰিছিল। তেওঁলোকৰ মাজত বোৱা-কটাৰ আৰম্ভণি কেতিয়াৰ পৰা হৈছিল সেয়া সঠিককৈ কব পৰা নাযায় যদিও সুনীতি কুমাৰ চেটাৰ্জী, ৰামমোহন নাথ ইত্যাদি পণ্ডিতসকলৰ গ্ৰন্থসমূহ পঢ়ি কব পৰা যায় যে বড়োসকলে উত্তৰপূব অঞ্চলত সমাজ পাতি বাস কৰিব লোৱাৰে পৰাই তেওঁলোকৰ মাজত বোৱা-কটা আৰু তাঁতশালৰ প্ৰচলন আছিল।

### তাঁতীশালৰ কাপোৰ বোৱা প্ৰণালী ঃ-

বড়োসকলে তাঁতী শালখনক থাদশাল' বুলি কয়। পূৰ্বতে বড়োসকলে নিজেই পলু পুহি সূতা কাটি কাপোৰ বৈছিল। বৰ্তমান সময়ত সূতা কটাৰ প্ৰচলন কমি আহিছে। তাৰ পৰিৱৰ্তে বজাৰত উপলব্ধ সূতাৰ ব্যৱহাৰ বাঢ়িব ধৰিছে। অৱশ্যে বোৱা-
কটাৰ সৈতে জৰিত বড়ো গ্ৰাম্যাঞ্চলসমূহত এতিয়াও এড়ীপলু পুহি তাৰ বাঁহৰ আঁহেৰে এড়ী কাপোৰসমূহ বয়।

প্ৰথমে সূঁতাসমূহ খুদ চাউলৰ লগত সিজাই মাৰ দি লোৱা হয়। মাৰ দিয়া কাৰ্য তোক 'মাইদিহোমাই' বুলি কোৱা হয়। মাৰ দিয়া সূঁতাসমূহ সৌৰখি' অৰ্থাৎ চেৰেকীত ভৰাই দাঙানাথ' অৰ্থাৎ লেটাইত মেৰিয়াই লোৱা হয় যাতে সূঁতাসমূহৰ জট নালাগে। লেটাইৰ পৰা সূঁতাসমূহ উলিয়াই ৰ'দত শুকুৱা হয়। সূঁতাখিনি শুকুৱাৰ পাছত চেৰেকীত সোমোৱাৰ জেনথৌৰ' অৰ্থাৎ যঁতৰৰ সহায়ত ববিনত মেৰিয়াই লোৱা হয়।

তাৰ পৰবৰ্তী পৰ্যায়ত প্ৰস্তুত কৰিবলগীয়া কাপোৰৰ দীঘ প্ৰস্থৰ জোখ লৈ তাতঁ-বাতি কৰিবৰ বাবে খুঁটাসমূহ পুতি লোৱা হয়। ইয়াৰ পিছত সূঁতা ভৰ্ত্তি ববিনসমূহ ফ্ৰেমত ভৰাই লৈ দুটামূৰত পুতি লোৱা খুটি সমূহত বিশেষ নিয়মেৰে সূঁতাসমূহ মেৰিয়াই ইমূৰৰ পৰা সিমূৰলৈ তাঁত-বাতি কৰা হয়। এই কাৰ্যটোক বড়ো ভাষাত জি সোংনায়' বুলি কোৱা হয়। তাঁত-বাতি কৰি হোৱাৰ পাছত সূতাঁসমূহ ৰাঁচত ভৰোৱা হয়। ৰাচক বড়োসকলে ৰাচৌ' বুলি কয়। ইয়াৰ পিছত সূতাঁৰ জতসমূহ ভাঙি এফালৰ পৰা গানদৈ' অৰ্থাৎ টোলোঠাত মেৰিয়াই লোৱা হয়। ইয়াৰ পিছত নো খননায়' অৰ্থাৎ ব' তুলা কাৰ্য সম্পাদন কৰা হয়। ইয়াৰ বাবে হাস অৰ্থাৎ ব' চুঙা' আৰু নো' অৰ্থাৎ ব' সূতাঁৰ প্ৰয়োজন হয়। যাক সালখুনথা' আব আলায়নায়' বুলি কোৱা হয়।

### তাঁতীশালৰ সঁজুলিসমূহ ঃ

**১. দাঙানাথা (লেটাই) ঃ** বজাৰৰ পৰা অনা সূতা নেচাৰ পৰিধিৰ যি জোখ, তাক সৰু আকৃতি লৈ ৰূপান্তৰ কৰাত লেটাই ব্যৱহাৰ কৰা হয়। মাড়চিয়া কেঁচাসূতা মলিয়াবলৈ লেতাই ব্যৱহাৰ কৰা হয়। লেটাই বাঁহেৰে সজা হয়। ইয়াত দুযোৰ পাতি থাকে। এই দুযোৰ পাতিৰ মাজত ফুটা কৰি মূল শলাডাল সুমুৱাই দিয়া হয়। এই লেতাইৰ পাতি কেইডালত চাৰিডাল ঠিয় শলা থাকে আৰু এই চাৰিডাল মাজৰ শলাডাল সংলগ্ন কৰি ওপৰৰ ফালে

বান্ধি দিয়া হয়। এই লেটাইৰ মাজৰ শলাডাল টানকৈ ৰখা হয়।

**২. সৌৰখি (চেৰেকী) ঃ** বড়োসকলৰ তাঁতশালত ব্যৱহৃত পৌৰাণিক অসমীয়াত চেৰেকী বোলা হয়। দুডাল-দুডালকৈ চাৰিডাল পাতিৰে আঠডাল ঠিয় শলাৰে মাজৰ মূল শলাডালৰ সৈতে চেৰেকী তৈয়াৰ কৰা হয়। এই চেৰেকী বাঁহেৰে নির্মিত। আঠডাল ঠিয় শলাৰ প্ৰতিটো মূৰ ধৰি ৰাখিবলৈ দুযোৰ পাটিৰ মূৰত সংলগ্ন কৰা হয়। দুযোৰ পাতিৰ মাজ অংশত ফুটা কৰি মূল শলাডাল সুমুৱাই দিয়া হয় যাতে আহিলাটো ঘূৰি থাকে। চেৰেকীৰ তলৰ পাতিযোৰ বহলকৈ ৰখা হয় যাতে সূতা নেচা তললৈ সুলকি নপৰে।

**৩. জেনথৌৰ (যতঁৰ) ঃ** জেনথৌৰ অসমীয়াত যতঁৰ বোলা হয়। যতঁৰ কাঠ আৰু বাঁহেৰে সজোৱা হৈছিল যদিও এতিয়া এই যতঁৰত চাইকেলৰ ৰিং, লোৰ শলা আদি ব্যৱহাৰ কৰা দেখা যায়। যতঁৰ সূতা কাতিবলৈ ব্যৱহাৰ কৰা হয়।

**৪. ৰাসৌ (ৰাঁচ) ঃ** ৰাসৌক অসমীয়াত ৰাঁচ বোলা হয়। তাঁতী শালৰ ৰাঁচখন লোৰে নির্মিত। ৰাঁচ তৈয়াৰ কৰা উদ্যোগ বিলাকে নির্দিষ্ট নিয়মৰ পৰিসৰৰ ভিতৰত ইয়াক তৈয়াৰ কৰে। বাঁহৰ কাঠিৰ দৰে লোৰ ৰাঁচটো কাঠি থাকে। পিছে এই ৰাঁচত নির্দিষ্ট সংখ্যাত কাঠি সংস্থাপন কৰা হয়। প্ৰতি ইঞ্চি ৰাঁচত যিমানতা (দুটা ৰাঁচৰ কাঠিৰ মাজৰফাঁক থাকে)। সেই সংখ্যাক দুইৰে পূৰণ কৰি পোৱা সংখ্যাই হৈছে ৰাঁচৰ নম্বৰ।

**৫. গানদৈ (টোলোঠা) ঃ** গানদৈক অসমীয়াত টোলোঠা বোলা হয়। তাঁতশালৰ অপৰিহার্য্য এইবিধ আহিলা দীঘৰ সুতা আৰু বোৱা কাপোৰ মেৰিয়াবলৈ ব্যৱহাৰ কৰা হয়। আঁবিহীন টান আৰু সহজে এই নিমজ হৈ পৰা কাঠৰ পৰা এই আহিলাবিধ তৈয়াৰ কৰা হয়।

**৬. বদাংগি (ডাংমাৰি) ঃ** বদাংগিক অসমীয়াত ডাংমাৰি বোলা হয়। বমুটি ওলমাই ৰাখিবৰ বাবে চালমাৰি ববীন গোজৰ ওপৰত পথালিকৈ এডাল বাঁহৰ মাৰি দি লোৱা হয়। ইয়াকে দাংমাৰি বোলা হয়।

**৭. গনসি (শলি) ঃ** গনসিক অসমীয়াত শলি বোলা হয়। তাঁতশালত ব্যৱহাৰ হোৱা শলি এবিধ বৰ প্ৰয়োজনীয় আহিলা। পূৰত বাঁহেৰে লাখুতিৰ দৰে বনাই লোৱা হয়।

**৮. গৰখা (গৰকা) ঃ** গৰখাক অসমীয়াত গৰকা বোলা হয়। গৰকা দ্বাৰাই গৰকা ৰছীৰ সহায়ত শিপিনীয়ে ভৰিৰে টিপিবৰ জৰিয়তে দীঘৰ সুতাৰ মাজত জাকিৰ সৃষ্টি কৰে। গৰকা বাঁহ বা কাঠেৰে নির্মাণ কৰা হয়।

**৯. খিলাবাৰি (কানমাৰি) ঃ** খিলাবাৰিক অসমীয়াত কানমাৰি বুলি কোৱা হয়। তাঁতশালৰ দুয়োটা মূৰৰ টোলোঠা দুটাৰ এটা মূৰত থাকে। এই বিন্ধাত সোমোৱাব পৰা জোখৰ তামোল গছৰ নাইবা অতি পুৰঠ বাঁহৰ মাৰি সুমুৱাই লৈ দুয়োটা টোলোঠা টান কৰি ধৰি ৰাখিবলৈ ইয়াক ব্যৱহাৰ কৰা কাৰণে হয়তো কানমাৰি বোলা হয়। তামোল আৰু বাঁহৰ মাৰিৰ পৰিৱৰ্তে আজিকালিৰ লোৰ ৰড ব্যৱহাৰ কৰা হয়।


**১০. বানগোজা (চালি মাৰি) ঃ** বানমাৰিক অসমীয়াত চালিমাৰি বোলা হয়। এই আহিলাবিধ শালত নাচনী ওলোমাবলৈ ব্যৱহাৰ কৰা হয়। তাঁতশালৰ এই বানগোজা বা চালিমাৰি কাঠেৰে সজোৱা হয়।

**১১. সালখুনথা (শালৰ খুটা) ঃ** সালখুনথাক অসমীয়াত শালৰ খুঁটা বোলা হয়। তাঁত শালখনত মুঠতে চাৰিটা খুঁটা ব্যৱহাৰ কৰা হয়। এই খুঁটা কেইটাকে সালখুনথাক বা শালৰ খুঁটা বোলা হয়।


**১২.প্ৰোখো (মাকোঁ) ঃ** মাখোঁক অসমীয়াত মাকোঁ বোলা হয়। বাণী সূতাৰ মহুৰা বুকুত লৈ এই কাপোৰখনৰ এটা কাষৰিৰ পৰা আনটো কাষৰিলৈ অহা যোৱা কৰি বস্ত্ৰ উৎপাদনত মুখ্য ভূমিকা পালন কৰে। মাকোঁ, উৰা শালৰ মাকোঁ, ফুল মাকোঁ আদি।

**বড়োসকলৰ তাঁতীশাল ঃ-**


**১. জৌমগ্ৰা ঃ**




২. আৰনাই ঃ



৩. দখনা ঃ



৪. গামচা ঃ



**২.৩. কঁকালশাল ঃ** কাৰ্বিসকল অসমৰ অতি প্ৰাচীন জাতি। এওঁ লোকক মিকিৰ বুলি কোৱা হয়। অসমৰ উত্তৰ-পূব সীমান্তৰ পৰ্বত মালাৰ কোনোবা এটা জাতি যাক কাৰ্বিসকলৰ আদিপুৰুষসকলে নংগিলাৰ বুলিছিল। সেই নংগিলাৰ পাহাৰৰ পৰাই তেওঁলোকৰ উপৰি-পুৰুষসকল অসমলৈ আহিছে বুলি কাৰ্বিসকলে বিশ্বাস কৰে। অসমৰ পাহাৰীয়া জাতি কাৰ্বিসকল দেখাত প্ৰায় ভাগেই চুটি চাপৰ, শকত বগা। কাৰ্বি তিৰোতাৰ সৌন্দৰ্য্য বৰ্ণনা কৰি ববেলিকাত চুটি চাপৰ বোৰকহে প্ৰশংসা কৰে। কাৰণ চুটি-চাপৰ ছোৱালীবোৰে তেওঁলোকৰ যে বোৱা নিজা কাপোৰ পৰিধান কৰিলে তেওঁলোকক বেচ ধুনীয়া দেখে।

কাৰ্বিজাতিৰ নাৰীসকলৰ পুৰুষৰ সমানেই বৰ পৰিশ্ৰমী। ঘৰৰ সকলো কাম কৰাৰ উপৰিও পুৰুষসকলৰ লগতে সমানে সমানে সকলো কামতে সহায় কৰে। তাৰ উপৰিও কাপোৰ বোৱা, সূতা কটা, তেওঁলোকৰ আটাইতকৈ প্ৰিয় কাম। সেয়েহে খেতি কৰাৰ সময়ত সূতাৰ কাৰণে শস্যৰ মাজে মাজে কপাহ গুটি আৰু এড়া গুটি সিঁচি যায়। কাৰ্বি তিৰোতা সকলে কাপোৰ বোৱাৰ বাবে নিজেই তৈয়াৰ কৰি লোৱা কাচিবুৰ আঠেৰাং অথাৎ মেৰাই লোৱা তাঁত বুলি কোৱা হয়। কঁকালত বান্ধি বোৱা বাবে এই তাঁতশালক কঁকালশাল বুলিও কোৱা হয়। এই তাঁতশাল ভৈয়ামৰ জাতিসমূহে ব্যৱহাৰ কৰা মাটিশালৰ বিপৰীতে এই তাঁতশাল কঁকালত বান্ধি মাটিত ভৰি পেলাই বহি লৈ বোৱা হয়।

**কাপোৰ বোৱা প্ৰণালী ঃ**

কাৰ্বি মহিলাসকলে সূতা কাটি ওলোৱাৰ পাছত সূতাখিনি চাকিৰিত অথবা টাকুৰীৰ পৰা উলিয়াই হনলাম অথবা মহুৰাই দ্বাৰা মেৰিয়াই লয়। মেৰিয়াই লোৱা সূতাখিনি কম ৰ'দত শুকুৱালৈ দিয়া হয়। শুকুৱাৰৰ পিছত ছেৰেকিত সূতাখিনি লগাই দিয়া হয়। সূতাখিনি টানি উলিয়াই পাচি এটাত জাপি থোৱা হয়। নাইবা সূতাৰ বল বনোৱা হয়। শালখন পাতি বব যাওঁতে প্ৰথমে চাৰিটা খুঁটা পোতা হয়। আগফালৰ দুটা খুটা ওঠেৰাং অথবা বাঁহ এডাল বন্ধা হয়। আন দুটা খুঁটাটো বাঁহ এডাল বান্ধি দিয়া হয়। এটা বাঁহৰ এইটো মূৰৰ পৰা আনটো বাঁহৰ মূৰলৈকে ঠেপুন অথবা এডাল ৰছী কাপোৰৰ জোখমতে বান্ধি লোৱা হয়। এই ৰছীডালতে উৰেকঠনিং ছেলাংপংহাঙ্গি আদি লগাই লোৱা হয়। তাৰ পাছতহে কেৰান অথবা বাটিকঢ়া হয়। বাটিকঢ়া হোৱাৰ পিছত ঠেপুণ অথবা ৰছীডাল আৰু তলফালৰ বাঁহডাল খুলি লোৱা হয়।ফলত তাঁতশালখনৰ ওপৰভাগআৰু তলৰভাগ একেবাৰে মাটিত থাকে। এতিয়া তলফালৰ সূতা দুডাল টুলুঠাৰ দুয়োমূৰে ঠেহু অথবা বওঁতে কঁকালত মেৰাই লোৱা পেটিডালৰ দুয়ো মূৰৰ ৰছীডালেৰে বান্ধি দিয়ে। কাপোৰখিনি ববলৈ প্ৰথমে ঠেহু বা পেটিডাল মূৰ ফালৰ

পৰা সুমুৰাই কঁকালত লগাই লয়। আৰু ভৰি দুখন আগলৈ পোনকৈ মেলি ধৰিবলৈ ঠেতেৰি অৰ্থাৎ কাঠ এচটা থাকে তাতে ভৰি দুখন পোনকৈ হেঁচা মাৰি গাটো পোন কৰি কাপোৰ ব'ব লাগে। যাতে কাপোৰ বওঁতে ঢিলা নহয় আৰু কাপোৰ পোন হৈ থাকে। কাৰবি মহিলাসকলে পাতল কাপোৰ বোৱাৰ বাবে ইংথী অৰ্থাৎ ৰছীদি আৰু জাঠ কাপোৰৰ বাবে "হাৰপী" ব্যৱহাৰ কৰে। লগতে কাপোৰখিনি পোনকৈ বোৱাৰ বাবে "দাং" পুটল ব্যৱহাৰ কৰে।

**কাৰ্বিসকলৰ তাঁতশাল ঃ-**

তাঁত বোৱাত পাকৈত কাৰ্বি নাৰীসকলে তেওঁলোকৰ তাঁতশালৰ বাবে প্ৰয়োজন হোৱা লাগতীয়াল বস্তুখিনি নিজেই তৈয়াৰ কৰি লয়। কাৰ্বি তাঁতশালক কাচিবুৰ আঠেৰাং অৰ্থাৎ কঁকালত মেৰাই লোৱা তাঁত বুলি কোৱা হয়। সেয়েহে ইয়াক কঁকালশাল বুলিও কোৱা হয়। এনে তাঁতবোৰ বাঁহ-বেতেৰে তৈয়াৰী। আৰু ইয়াৰ বাবে ব্যৱহৃত হোৱা সা-সৰঞ্জামবোৰ এনেধৰণৰ-

**১. ঠেৰাং ঃ-**

দুইহাত, তিনিহাত মান দীঘলকৈ কাটি লোৱা বাঁহ এচতা বোৱা কাপোৰৰ ওপৰৰ ফাল (সূতাৰ) টো এই বাঁহ ডালত মেৰিয়াই লোৱা হয়। অসমীয়াত ইয়াক শাল বোলা হয়।

**২. ঠেনিং ঃ-**

একহাত নাইবা দুইহাতমান দীঘলকৈ কাপোৰ পুতলা অনুযায়ী কাটি লোৱা এচতা সৰু বাঁহ। যাক তাঁতশালখনৰ সৰু তলভাগৰ সূতাক টানি ৰাখিবলৈ ব্যৱহাৰ কৰা হয় আৰু সূতা বা কাপোৰখনকো মেৰিয়াই লোৱাত সহায় কৰে যাক অসমীয়াত টুলুঠা বোলা হয়।

**৩. ঠেপুন ঃ-**

ৰছীডালৰ নাম। যি কাপোৰৰ জোখ লবৰ বাবে ব্যৱহাৰ কৰা হয়।

**৪. উৰেক ঃ-**

মিহি আৰু টানকৈ চাঁচি লোৱা একহাত একবেগেত মান দীঘল মাৰি। ইয়াক সূতা মেৰিয়াই মহুৰা হিচাপে ব্যৱহাৰ কৰা হয়। অসমীয়াত ইয়াক আচু বোলা হয়।

**৫. ঠেলা ঃ-**

হীঈ বা 'ব' ডালৰ সহায় হিচাপে 'ব' ডালৰ ওপৰত ব্যৱহাৰ কৰা হয়। ই গোটা বাঁহেৰে তৈয়াৰী।

**৬. ইংথিং ঃ-**

অসমীয়াত ইয়াক ৰাঁচ বুলি কোৱা হয়। এইখনেৰে কাপোৰ বোৱা হয়।

**৭. হাৰপী ঃ-**

মিহিকৈ চাঁচি লোৱা এচটা কাঠ। ইয়াৰ এটা মূৰৰ ইফালে জোঙা আৰু আনটো মূৰ সামান জোঙা হয়।

**৮. হঠাৰীলংপং ঃ-**

বাঁহেৰে তৈয়াৰী চুঙা এডাল মাকোঁ হিচাপে ব্যৱহাৰ কৰা হয়।

**৯. ঠেহু ঃ-**

বেঁতেৰে তৈয়াৰী এডাল পেটি দুয়োমূৰে কাঠ লগোৱা হয়। কাঠ চটাও ফুটা কৰি ৰছী লগাই হোৱা হয়। ৰছীডাল ঠেলিং বা টুলুঠা ডালৰ দুইমূৰে মেৰিয়াই লোৱা হয়। এইপেটি ডাল মেৰিয়াই লোৱা হয়। এই পেটিডাল কঁকালত লগাই লৈ তাঁত বোৱা হয়।

## ৩.০ উপসংহাৰ ঃ

অসমৰ সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ হ'ল তাঁতশাল। মানৱ সভ্যতাৰ কোনটো স্তৰত কোনে, কেতিয়া, কেনেকৈ বস্তু তৈয়াৰৰ পদ্ধতি আৱিষ্কাৰ কৰিছিল সেই বিষয়ে সঠিককৈ কোনো তথ্য পোৱা নাযায়। শিপিনীসকলৰ লগত তাঁতশালৰ এক অটুট সম্পৰ্ক আছে। শিপিনীসকলৰ হাতৰ পৰশত তাঁতশালত সৃষ্টি হয় হেঁপাহ, আশা আৰু মৰম-চেনেহৰ চিন। অতীজতে ঘৰঘৰ শুৱনি গাভৰু ছোৱালীজনী উলিয়াই দিওতে যৌতুকত তাঁতশাল খন দিবলগীয়া হৈছিল যদিও সময়ৰ পৰিৱৰ্তনৰ লগে-লগে তাঁতশালৰ ব্যৱহাৰ কমি আহিছে। যুগৰ পৰিবৰ্তন হ'লেও এইবোৰ বস্তুৰ প্ৰতি আদৰ থকাটো শুভ লক্ষণ এটা জাতিৰ বাবে, সমাজৰ বাবে লগতে নিজৰ বাবেও।


সময়ৰ পৰিবৰ্তনৰ প্ৰতিটো বস্তুৰেই সলনি হৈছে বা কিছু নতুনত্বৰ প্ৰভাৱ পৰিছে। বিজ্ঞান আৰু পযুক্তিবিদ্যাৰ প্ৰভাৱত সূতা-কটা, ফুলৰ চানেকি আদি তৈয়াৰ কৰা, উন্নত মানৰ মাকোঁৰ তাঁতশাল, অৰ্ধ স্বয়ংক্ৰিয় তাঁতশাল, স্বয়ংক্ৰিয় তাঁতশাল আদিৰ উদ্ভাৱন হৈছে। তথাপিও আধুনিক যন্ত্ৰ যুগৰ যিমানেই সম্প্ৰসাৰণ হওঁক লাগিলে গীতে-মাতে, প্ৰবচনে তাঁতশালৰ সঁজুলিবোৰ নিজস্ব বৈশিষ্ট্যৰে সদায় জিলিকি থাকিব।

**প্ৰস্তুতকৰ্তা ঃ**

সমীক্ষা নাথ, চিমি দৈমাৰী, পৱিত্ৰ চুংক্ৰাং
নিকিজুমি চাৰিঙ্গীয়া, ৰিম্পী পাটমাউত



Scanned with OKEN Scanner



Scanned with OKEN Scanner